www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

প্ৰথম বছৰ ▢ সংখ্যা- ১৯৩ ▢ দেওবাৰ ▢ ১৭ মে', ২০২৬ চন ▢ Volume/Year- I ▢ Issue- 193 ▢ Sunday ▢ 17th May, 2026 ▢ Asom Barta, Majuli ▢ PRGI Reg. No.- ASASS/25/A2361 ▢ Price- Rs. 10 ▢ Total Page- 8

বৃদ্ধাবস্থাৰ যন্ত্ৰণাটো বুঢ়া হোৱাৰ বাবে নহয়; তেওঁ যে এদিন ডেকা আছিল তাৰ বাবেহে। - অস্কাৰ ওৱাইল্ড মহ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

■ CBSEৰ বৃহৎ সিদ্ধান্ত; অহা ১ জুলাইৰ পৰা সমগ্ৰ দেশত বলৱৎ হ'ব এই নিয়ম ■

# নৱম, দশম শ্ৰেণীত বাধ্যতামূলক তিনিটা ভাষা

## দুটা ভাৰতীয় ভাষা আৰু এটা বিদেশী ভাষা হ'ব পাৰে; দশম শ্ৰেণীত নাথাকিব তৃতীয় ভাষাৰ ব'ৰ্ড পৰীক্ষা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ মে' ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে (চিবিএছই) নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ভাষা শিক্ষাৰ ক্ষেত্ৰত এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰা কাৰ্যকৰী হ'বলগা এই নতুন নিয়ম অনুসৰি, নৱম শ্ৰেণীত উঠা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে তিনিটা ভাষা পঢ়িব লাগিব। ইয়াৰ ভিতৰত অত্যন্তসকলে দুটা ভাষা ভাৰতীয় হ'বই হ'ব। ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ আৰু ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা, ২০২৩ৰ ওপৰত ভিত্তি কৰিয়েই চিবিএছই এই সংস্কাৰ ৰূপায়ণ কৰিছে। সম্প্ৰতি এনচিইআৰটিয়ে প্ৰকাশ কৰা নতুন পাঠ্যক্ৰমত মাধ্যমিক পৰ্যায়ত তিনিটা ভাষা (আৰ১, আৰ২ আৰু আৰ৩) অন্তৰ্ভুক্ত কৰাৰ কথা উল্লেখ থকাত চিবিএছয়ে নিজৰ পাঠ্যক্ৰমৰ গাঁথনি সংশোধন কৰিছে। চিবিএছইৰ অধিসূচনাত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী বা অন্য কোনো বিদেশী ভাষা অধ্যয়ন কৰাৰ ইচ্ছা ▢ ৬ পৃষ্ঠাত



ধ্ৰুৱ মহন্তক, হেমন্ত চৌধুৰী, নৱজিৎ পাটগিৰিক নিযুক্তি

## মুখ্যমন্ত্ৰীৰ সচিবালয়ত তিনি গৰাকী বিষয়াৰ পুনৰ্নিযুক্তি

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ মে' ঃ** মুখ্যমন্ত্ৰীৰ সচিবালয় বিভাগৰ তৰফৰ পৰা এক নিৰ্দেশনা জাৰি কৰি তিনিগৰাকী গুৰুত্বপূৰ্ণ বিষয়াক পুনৰ নিযুক্তি প্ৰদান কৰা হৈছে। নিৰ্দেশনামতে, ধ্ৰুৱ মহন্তক পুনৰায় মুখ্যমন্ত্ৰীৰ প্ৰধান প্ৰেছ সচিব হিচাপে নিযুক্তি দিয়া ▢ ৬ পৃষ্ঠাত

নিট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কাণ্ডৰ মাষ্টাৰমাইণ্ডক গ্ৰেপ্তাৰ

## লাখ লাখ টকাৰ বিনিময়ত শিক্ষাৰ্থীক প্ৰশ্ন বিলাইছিল শিক্ষয়িত্ৰী মনীষা মান্ধাৰে



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ মে' ঃ** ২০২৬ বৰ্ষৰ নিট (NEET-UG) প্ৰৱেশ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাক লৈ কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আয়ে গুৰুত্বপূৰ্ণ সফলতা লাভ কৰিছে। শনিবাৰে সংস্থাটোৱে পুনেৰ এগৰাকী জীৱবিজ্ঞানৰ শিক্ষয়িত্ৰীক গ্ৰেপ্তাৰ কৰে। ▢ ৬ পৃষ্ঠাত

কে এ চেংগোট্টাইয়ানক বিত্ত মন্ত্ৰীৰ দায়িত্ব

## তামিলনাড়ুৰ নতুন মুখ্যমন্ত্ৰী বিজয়ৰ মন্ত্ৰীসভাৰ দপ্তৰ বিতৰণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ মে' ঃ** তামিলনাড়ুৰ নৱগঠিত চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পাছতে বিজয়ে নিজৰ মন্ত্ৰীসভাৰ দপ্তৰসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰিছে। শেহতীয়াকৈ প্ৰকাশিত এক চৰকাৰী জাননীত ▢ ৬ পৃষ্ঠাত

## কামৰূপ জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান

ভুক্তভোগীৰ অভিযোগ- জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়াই নিজে চৰকাৰী ভূমি হস্তগত কৰি বিক্ৰী কৰিছে

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ মে' ঃ** ৰাজ্যত অব্যাহত থকা উচ্ছেদ অভিযানৰ তালিকাত এইবাৰ যোগ দিলে কামৰূপ জিলা প্ৰশাসন। প্ৰতিকূল বতৰৰ মাজতে আমিনগাঁৱৰ নুমলী জলাহৰ চৰকাৰী ভূমিত উচ্ছেদ অভিযান চলোৱা হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ পিছফালে ▢ ৬ পৃষ্ঠাত

বিধানসভা নিৰ্বাচনত বিধ্বস্ত হোৱা কংগ্ৰেছৰ বাবে আশাৰ খবৰ

## বিধানসভাত কংগ্ৰেছে লাভ কৰিব পাৰে বিৰোধী দলপতিৰ আসনখন



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ মে' ঃ** ২০২৬ বৰ্ষৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছে শোচনীয় পৰাজয় স্বীকাৰ কৰিলেও অসম বিধানসভাত বিৰোধী দলপতি নাথাকিব বুলি উঠা চৰ্চাক নাকচ কৰি দিলে বিধানসভা সচিবালয়ে। সংশোধিত নিয়ম অনুসৰি মাত্ৰ ১৩ গৰাকী বিধায়ক থকা দলেই বিৰোধী দলপতি দিবলৈ ▢ ৬ পৃষ্ঠাত

পাকিস্তানক সেনা প্ৰধানৰ সতৰ্কবাণী

## বিশ্বৰ মানচিত্ৰত থাকিব বিচাৰে নে ইতিহাসত সমাধিস্থ হ'ব বিচাৰে?

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ মে' ঃ** ভাৰতীয় সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে পাকিস্তানৰ উদ্দেশ্যে এক স্পষ্ট আৰু কঠোৰ সতৰ্কবাণী জাৰি কৰিছে। তেওঁ কয় যে পাকিস্তানে যদি সন্ত্ৰাসবাদীক আশ্ৰয় দি ভাৰতৰ বিৰুদ্ধে কাৰ্য- ▢ ৬ পৃষ্ঠাত

আইপিএলত ওভাৰৰেট উলংঘন

## প্ৰশাসনিক ভুলৰ বাবে ঋষভ পণ্টক ১২ লাখ টকাৰ জৰিমনা



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ মে' ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে (বিচিচিআই) ২০২৬ চনৰ ১৫ মে'ত অনুষ্ঠিত আইপিএল মেচত ওভাৰৰেট উলংঘনৰ বাবে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ অধিনায়ক ঋষভ ▢ ৬ পৃষ্ঠাত

মুখ্য সচিবলৈ পত্ৰ, তদন্তৰ দাবী


## এনআৰচিৰ ডিজিটেল আন্তঃগাঁথনি শোচনীয়; দেৱব্ৰত শইকীয়াৰ তীব্ৰ উদ্বেগ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৬ মে' ঃ** অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এন আৰ চি) প্ৰক্ৰিয়াৰ ডিজিটেল আন্তঃগাঁথনিৰ শোচনীয় অৱস্থা আৰু হেল্পলাইন সেৱাৰ চূড়ান্ত বিসংগতিৰ ▢ ৬ পৃষ্ঠাত

▢ আৰাৱলী পাহাৰ ৰক্ষাত উচ্চতম ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশ ▢

## বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন নোহোৱালৈকে আৰাৱলী পাহাৰৰ এক ইঞ্চি মাটিতো খনন নিষিদ্ধ




**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ মে' ঃ** উচ্চতম ন্যায়ালয়ে আৰাৱলী পাহাৰৰ সুৰক্ষাৰ বাবে এক অতি গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰিছে। আদালতে স্পষ্ট ভাষাত কৈ দিয়ে যে বিশেষজ্ঞ সমিতিয়ে নিজৰ প্ৰতিবেদন দিয়াৰ পূৰ্বে আৰাৱলী পৰিসৰত যিকোনো ধৰণৰ খনন কাৰ্য ▢ ৬ পৃষ্ঠাত

ডিঙিত বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত আৰনাই পৰিধান

## অসমৰ বিহুনৃত্যৰে নেডাৰলেণ্ডত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক আদৰণি

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৬ মে' ঃ** পাঁচটা দেশৰ ভ্ৰমণত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে নেডাৰলেণ্ডত উপস্থিত ভাৰতীয় সম্প্ৰদায়ক সম্বোধন কৰে। শুকুৰবাৰে তেওঁ এই ভ্ৰমণসূচীৰ দ্বিতীয় গন্তব্যস্থান নেডাৰলেণ্ডৰ ▢ ৬ পৃষ্ঠাত



■ কোন হ'ব চাহ জনগোষ্ঠীৰ দ্বিতীয়গৰাকী মন্ত্ৰী? ■

## দ্বিতীয়বাৰ কেবিনেট মন্ত্ৰী হোৱাৰ সপোন পূৰণ হ'বনে ৰূপেশ গোৱালাৰ?

ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত মন্ত্ৰিত্ব লাভৰ দৌৰত এইবাৰ বহু নতুন মুখ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৬ মে' ঃ** চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় মেজিক নম্বৰ অতিক্ৰম কৰি অভূতপূৰ্ব আসনৰে চৰকাৰ গঠন কৰা ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত মন্ত্ৰিত্ব লাভৰ দৌৰত এইবাৰ বহু নতুন মুখ প্ৰবল দাবীদাৰ হোৱাৰ বিপৰীতে কেইবাজনো প্ৰাক্তন মন্ত্ৰীয়ে মন্ত্ৰিত্ব হেৰুৱাৰ সম্ভাৱনা ▢ ৬ পৃষ্ঠাত

দপ্তৰ লাভৰ পাছতে পৰ্যালোচনা বৈঠক

## ১০০ দিনীয়া কৰ্মসূচী প্ৰস্তুত মন্ত্ৰী অতুল বৰাৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ মে' ঃ** শপত গ্ৰহণৰ পাছতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই ১০০ দিনীয়া কৰ্মসূচী প্ৰস্তুত কৰিছে। একে সময়তে তেওঁ আবকাৰী, সীমান্ত সুৰক্ষা আৰু ▢ ৬ পৃষ্ঠাত



□ অহৰ্নিশ কষ্ট আৰু সাধনাত প্ৰাপ্তি লুকাই থাকে ঃ আব্দুল মতিন চৌধুৰী □

# বৰক্ষেত্ৰীৰ বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰীত কৃতী শিক্ষাৰ্থীৰ অভিনন্দন অনুষ্ঠান

## গীত, কথা-কবিতাৰে জীপাল নৱাগত আদৰণি সভা

**অসম বাৰ্তা, দৌলাশাল, ১৬ মে’** ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ হিদিলাট্টাৰীস্থিত বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰী স্কুলত আজি কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা আৰু নৱাগত আদৰণি সভা অনুষ্ঠিত হৈ যায়। সেই উপলক্ষে বিদ্যালয় প্ৰাংগণত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হয় বৰ্ণাঢ্য কাৰ্যসূচী। কাৰ্যসূচীৰ আৰম্ভণিতেই হায়াৰ ছেকেণ্ডাৰীৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক মাংগলিক পৰ্ব আৰু একোটাকৈ কলম উপহাৰ প্ৰদান কৰি আদৰণি জনায়। নৱাগত আদৰণি সভাৰ মুকলি চৰাত নৱাগতসকলৰ গীত, কথা-কবিতা, নৃত্য আৰু ৰসাল তথা হাস্যমধুৰ কথা-বতৰাত জীপাল হৈ পৰে শিক্ষানুষ্ঠানখন। নৱাগত আদৰণি সভা পৰিচালনা কৰে উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ শিক্ষাৰ্থী ক্ৰমে মৃদুল মেধি, জয়শ্ৰী মধি, ধুনু মেধি, শিক্ষক মৃদুল ডেকা, শিক্ষয়িত্ৰী ক্ৰমে পিংকী স্বৰ্গমহিলা, উৎপলা বৈশ্য আৰু মিচুমনি বৰাই। ইয়াৰ পাছতেই অনুষ্ঠিত হয় মুকলি সভা। শিক্ষানুষ্ঠানৰ উপাধ্যক্ষ উদয় বৰ্মনৰ সঞ্চালনাত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে নলবাৰীৰ ধমধমাস্থিত লুইত একাডেমীৰ অধ্যক্ষ কিশোৰ কুমাৰ ডেকাই। তেখেতে ভাষণ প্ৰদান কৰি ছাত্ৰীসকলক লক্ষ্যৰ পৰা বিচলিত নহ’বলৈ আহ্বান জনায়। হায়াৰ ছেকেণ্ডাৰীৰ বিষয় শিক্ষক মৃদুল ডেকাই আঁত ধৰা মুকলি সভাৰ আৰম্ভণিতেই শিক্ষানুষ্ঠানৰ দশম শ্ৰেণীৰ ছাত্ৰী চয়নিকা কৈৱৰ্তই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰোচিত বৰগীত পৰিৱেশ কৰে। বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰীৰ অধ্যক্ষ অমৰজ্যোতি বৰ্মনে মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলে উপকৃত হ’ব পৰাকৈ মূল্যবান বক্তব্য প্ৰদান কৰে। অমৰজ্যোতি বৰ্মনে ভাষণ প্ৰসংগত “দায়িত্ব বুজি পোৱা ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াত বাধাৰ সৃষ্টি নহয়” বুলি কয়। অধ্যক্ষ অমৰজ্যোতি বৰ্মনে পুনৰ কয় যে- “কষ্ট অবিহনে ভাল ফলাফল লাভ কৰিব নোৱাৰি, সেয়ে ছাত্ৰ-ছাত্ৰীসকলে প্ৰচুৰ অধ্যায়ন কৰিব লাগিব।” মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি গুৰুত্বপূৰ্ণ ব্যক্তব্য প্ৰদান কৰে মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ বিষয় শিক্ষক আব্দুল মতিন চৌধুৰীয়ে। ভাষণ প্ৰসংগত চৌধুৰীয়ে কয় যে- কষ্ট আৰু চেষ্টাৰ অবহিনে একো ফল লাভ কৰিব পৰা নাযায়। অহৰ্নিশ কষ্ট আৰু সাধনাত প্ৰাপ্তি লুকাই থাকে। সময়ৰ সৎ ব্যৱহাৰ কৰিলে কৃতকাৰ্য নিশ্চিত বুলিও কয় আব্দুল মতিন চৌধুৰীয়ে। শিক্ষাৰ্থীসকলক মূল পথৰ পৰা বিচলিত নহ’বলৈ আহ্বান জনাই সঠিক পথেৰে আগুৱাই যাবলৈ পৰামৰ্শ প্ৰদান কৰে। আব্দুল মতিন চৌধুৰীয়ে শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয় যে- তোমালোক আমাৰ সম্পদ। সম্পদৰ অপচয় হোৱাটো আমি নিবিচাৰোঁ, সম্পদসকল ঠন ধৰি উঠিব লাগিব, এই সময় পাখিলগা সময়। সময়ক অপব্যৱহাৰ নকৰিবলৈও আহ্বান জনায় আব্দুল মতিন চৌধুৰীয়ে। ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক চৌধুৰীয়ে বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰীৰ শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীৰ মানসিক স্তৰ বুজি অধ্যায়ন কৰিবলৈও আহ্বান জনায়। মুকলি সভাতেই শিক্ষানুষ্ঠানখনৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰ উত্তীৰ্ণ কৃতী শিক্ষাৰ্থীসকলক গামোচা আৰু মানপত্ৰৰে অভিনন্দন জনোৱাৰ লগতে কৃতী শিক্ষাৰ্থীসকলৰ অভিভাৱক সকলকো সম্বৰ্ধনা জনায়। তদুপৰি অসম জাতীয় বিদ্যালয়ে নলবাৰী জিলা ভিত্তিত অনুষ্ঠিত কৰা বৃত্তি পৰীক্ষাত বোধিদ্ৰুম জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী ৰিম্পী হালৈ স্থান লাভ কৰিবলৈ সক্ষম হোৱাত ছাত্ৰীগৰাকীক সম্বৰ্ধনা জনায়। সমান্তৰালকৈ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত শিক্ষানুষ্ঠানৰ পৰা যি সমূহ বিষয়ত শিক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে সেইসমূহ বিষয়ৰ শিক্ষক সকলকো মুকলি সভাতেই অভিনন্দন জনায়। মুকলি সভাত শিক্ষানুষ্ঠানখনৰ ছাত্ৰী জয়শ্ৰী গোস্বামীয়ে কবিতা পাঠ, চয়নিকা কৈৱৰ্ত, ৰাজপ্ৰীতম তালুকদাৰে সংগীত পৰিৱেশন কৰে। অভিলাষা ডেকা আৰু চন্দ্ৰামিতা বৈশ্যই মুকলি সভাতেই নৃত্য পৰিৱেশন কৰে। মুকলি সভাত সভাপতিৰ ভাষণত উদয় বৰ্মনে “বিফলতা অনুধাৱন কৰিব পাৰিলেহে জীৱন সাৰ্থক হয়” বুলি মন্তব্য কৰে। মুকলি সভাত বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰীৰ সঞ্চালক ভুৱন বৰ্মন, হায়াৰ ছেকেণ্ডাৰীৰ অধ্যক্ষ অমৰজ্যোতি বৰ্মন, জ্যেষ্ঠ শিক্ষক মকছেদুল ইছলাম, অনিৰুদ্ধ বৰ্মন, হায়াৰ ছেকেণ্ডাৰীৰ সমন্বয়ক চামচুদ্দিন আহমেদকে প্ৰমুখ্য কৰি ভালেকেইজন বিদ্যানুৰাগী ব্যক্তি উপস্থিত থাকে।

# দিহিঙীয়া পাৰ ৮ নং পকা লাইন মজলীয়া বিদ্যালয়ৰ ছাত্ৰ সংসদৰ নিৰ্বাচন সম্পন্ন



**অসম বাৰ্তা, মৰিয়নি, ১৬ মে’** ঃ ছাত্ৰ ছাত্ৰীসকলক গণতান্ত্ৰিক নিৰ্বাচনৰ বিষয়ে অৱগত কৰা আৰু এই প্ৰক্ৰিয়াৰ প্ৰতি আকৰ্ষিত কৰাৰ উদেশ্যে আজি মৰিয়নিৰ সমীপৰ দিহিঙীয়াপাৰ ৮ নং পকা লাইন মজলীয়া বিদ্যালয়ৰ ছাত্ৰ সংসদ নিৰ্বাচন ভোটদান প্ৰক্ৰিয়াৰে সম্পন্ন কৰা হয়। ছাত্ৰ সংসদৰ প্ৰধান সেৱক পদৰ বাবে তিনিজন আৰু উপ প্ৰধান সেৱক পদৰ বাবে তিনিজন এই দুটা পদৰ বাবে মুঠ ৬জন প্ৰাৰ্থীয়ে বিদ্যালয়খনৰ সহকাৰী শিক্ষক (পীঠাচীন বিষয়া) সুশীল গগৈৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ বাবে প্ৰাৰ্থী সকলে বিদ্যালয়ত নিৰ্বাচনী প্ৰচাৰ চলাইছিল। আজি এই দুটা পদত বেলট পেপাৰ জৰিয়তে ভোটদান প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। ভোট গ্ৰহণ বিষয়া হিচাপে দায়িত্ব পালন কৰে শিক্ষয়িত্ৰী ৰিমঝিম বৰা, কৃষ্ণলী কলিতা, উপাসনা দুৱৰা, প্ৰধান শিক্ষক ৰাজীৱ কলিতা, সহকাৰী শিক্ষকদ্বয় সুশীল গগৈ, চহন কানু, শিক্ষয়িত্ৰী দুলুমনি বৰা, ঋষিকা দত্ত আৰু কৰ্মচাৰী ৰমেশ গোৱালাই। প্ৰধান সেৱক পদৰ প্ৰতিদ্বণ্ডিতা আগবঢ়াইছিল সুস্মিতা মুণ্ডা, মঞ্জু মুদি আৰু ৰাজীৱ তাঁতীয়ে। উপ প্ৰধান সেৱক পদৰ বাবে প্ৰতিদ্বণ্ডিতা আগবঢ়াইছিল ক্ৰমে সুবাসী ভেডংৰা, ৰিতেশ মাহিলী আৰু চুকচাই উৰাঙে। ভোট গ্ৰহণৰ অন্তত ভোট গণনা প্ৰক্ৰিয়া সম্পন্ন হয়। প্ৰধান সেৱক পদত সুস্মিতা মুণ্ডাই সৰ্বাধিক ভোট পাই বিজয়ী হোৱাৰ বিপৰীতে মঞ্জু মুদিয়ে দ্বিতীয় স্থান আৰু ৰাজীৱ তাঁতীয়ে তৃতীয় স্থানতে সীমিত থাকে। একেদৰে উপ প্ৰধান সেৱক পদত সুবাসী ভেডংৰাই নিজৰ নিকটতম দুই প্ৰতিদ্বণ্ডিক পৰাস্ত কৰি সৰ্বাধিক ভোট পাই বিজয়ী হোৱাৰ বিপৰীতে চুকচাই উৰাং দ্বিতীয় আৰু ৰিতেশ মাহিলিয়ে তৃতীয় স্থানত থমকি ৰয়। এই দুইটা পদৰ বাবে ভোটদান প্ৰক্ৰিয়াৰে নিৰ্বাচিত কৰা লগতে পদৰ বাবে নিৰ্বাচিত কৰা হয়। বালিৰাজা বাউৰী আৰু কৃষ্ণা মালক চাফাই সেৱক, ৰাজদ্বীপ মুণ্ডা আৰু পুনম তাঁতীক পৰিবেশ সেৱক, বীৰজেনিয়া বাৰলা আৰু মঞ্জু মুদিক স্বাস্থ্য সেৱক, ৰেনুকা ৰেলী আৰু ৰাধিকা কৰ্মকাৰক কৃষ্টি মন্ত্ৰী, আদিত কৰ্মকাৰ আৰু মনীষা তাঁতীক ক্ৰীড়া সেৱক, আৰতি মাহিলী, ৰিতেন মাহিলী আৰু নিকিতা মাহিলীক পুথিভঁৰাল সেৱক, গঙ্গা মাহিলী, পবিত্ৰ উৰাং, কাৰ্তিক গোৱালা, এৰিনা উৰাং, চাউনী ভেংৰা, সুভদ্ৰা লোহাৰ, ৰিকি মুণ্ডা, নিখিল তাঁতী, ঋতুমনি তাঁতী চমা মাহিলী আৰু দিব্যয়া টুটীক শ্ৰেণী সেৱক, দিশা এক্কা, অসীম মুণ্ডা, পুনম তাঁতী, দেবাৰী গোৱালা, সুবাসী ভেংৰা আৰু ৰাজদ্বীপ মুণ্ডাক ওজা ছাত্ৰ হিচাপে সৰ্বসন্মতি ক্ৰমে নিৰ্বাচিত কৰা হয়। উল্লেখ যে প্ৰধান সেৱক আৰু উপ প্ৰধান সেৱক পদৰ প্ৰাৰ্থী সকলক নিজৰ নিৰ্বাচনী প্ৰতীক চিহ্ন দিয়া হৈছিল। লগতে ভোটাৰ সকলক আঙুলিত চিএণাহী লগোৱা, টীপ চহী দিয়া, বেলটত ভোটদান কৰা ব্যৱস্থা কৰা হৈছিল। ভোট দান কেনেকৈ কৰা হয় ছাত্ৰ ছাত্ৰী সকলক তাৰে আভাস দিয়াৰ বিদ্যালয় খনে প্ৰয়াস কৰিছিল। ভোটদান প্ৰক্ৰিয়া আৰু ভোট গণনা প্ৰক্ৰিয়াটো সুকলমে সম্পাদন কৰা বাবে বিদ্যালয়ৰ শিক্ষক সুশীল গগৈ, চহন কানু, শিক্ষয়িত্ৰী কৃষ্ণলী কলিতা, উপাসনা দুৱৰা, ৰিমঝিম বৰা, দুলুমনি বৰা আৰু ঋষিকা দত্ত কৰ্মচাৰী ৰমেশ গোৱালাক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজীৱ কলিতাই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

## পথাৰ শিল্পী লোহিত গগৈক অসম সমন্বয় বঁটা প্ৰদান

# শিমলুগুৰি আঞ্চলিক ব’হাগী বিদায় উৎসৱৰ সামৰণি

**অসম বাৰ্তা, নামতি, ১৬ মে’** ঃ নাজিৰা সমজিলাৰ শিমলুগুৰি নগৰৰ ৩৫ নং শিমলুগুৰি প্ৰাথমিক বিদ্যালয় প্ৰাংগনৰ নীল বৰগোহাঁই ক্ষেত্ৰত ১৩ আৰু ১৪ মে’ত অনুষ্ঠিত হোৱা ৪০ সংখ্যক শিমলুগুৰি আঞ্চলিক ব’হাগী বিদায় উৎসৱৰ দ্বিতীয় দিনাৰ মুকলি সভাত পথাৰ শিল্পী হিচাপে খ্যাত লোহিত গগৈক ২০২৬ বৰ্ষৰ অসম সমন্বয় বঁটা প্ৰদান কৰা হয়। ব’হাগী বিদায় উৎসৱৰ উদযাপন সমিতিয়ে স্থানীয় ৰাইজৰ সহযোগত প্ৰদান কৰি অহা এই বঁটাত আছে এটা স্মাৰক, এখন প্ৰসস্তি পত্ৰ আৰু নগদ ধন। মুকলি সভাত নাজিৰা বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁই, সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক উৎপল কোঁৱৰ, শিৱসাগৰ জিলা সমিতিৰ সভাপতি পলাশ ৰাজকোঁৱৰ, বিশিষ্ট ব্যৱসায়ী সুৰেশ কোঁৱৰকে প্ৰমুখ্য কৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতে স্থানীয় বিধায়ক গৰাকীয়ে ব’হাগী বিদায় উৎসৱৰ নিশাৰ সাংস্কৃতিক কাৰ্যসূচীৰ উদ্বোধন কৰে। উল্লেখযোগ্য যে- দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা ব’হাগী বিদায় উৎসৱত অন্যান্য কাৰ্যসূচীৰ লগতে মুকলি কণীযুঁজ, চিত্ৰাংকন, জুবিন গাৰ্গৰ গীত, মৌ কুঁৱৰী আৰু ঢোলবাদন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

চিকিৎসক-নাৰ্চ নিযুক্তিৰ দাবীত ৰাইজৰ তীব্ৰ ক্ষোভ

# দহ বছৰে অচল কুমুল্লীপাৰা উপ স্বাস্থ্য কেন্দ্ৰ

**অসম বাৰ্তা, কুমুল্লীপৰা, ১৬ মে’** ঃ জিলাৰ হাউলী থানাৰ অন্তৰ্গত কুমুল্লী পাৰা গাঁৱৰ উপ স্বাস্থ্য কেন্দ্ৰটো নিৰ্মাণ হোৱাৰ প্ৰায় দহ বছৰ অতিক্ৰম হ’লেও আজিলৈকে চিকিৎসা সেৱা আৰম্ভ নোহোৱাত সমগ্ৰ অঞ্চলজুৰি তীব্ৰ ক্ষোভ আৰু হতাশাৰ সৃষ্টি হৈছে। প্ৰায় ৯ হাজাৰ জনসংখ্যাৰ এই বৃহৎ গাঁওখনত উক্ত উপ স্বাস্থ্য কেন্দ্ৰটোৰ বাহিৰে আন কোনো চৰকাৰী স্বাস্থ্যসেৱাৰ সুবিধা নথকাৰ ফলত স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি চৰম চিকিৎসা সংকটৰ মাজেৰে জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, বহু আশা-আকাংক্ষা আৰু চৰকাৰী প্ৰতিশ্ৰুতিৰ মাজেৰে নিৰ্মাণ কৰা স্বাস্থ্য কেন্দ্ৰটোৰ ভৱন আজিও চিকিৎসক, নাৰ্চ তথা আন প্ৰয়োজনীয় স্বাস্থ্যকৰ্মীৰ অভাৱত অচল অৱস্থাত পৰি আছে। বহু লাখ টকা ব্যয়ে নিৰ্মাণ কৰা এই চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানটোত আজিলৈকে ন্যূনতম চিকিৎসা ব্যৱস্থাও আৰম্ভ নোহোৱাটো চৰকাৰী অৱহেলা আৰু দায়িত্বহীনতাৰ স্পষ্ট নিদৰ্শন বুলি অঞ্চলটোৰ সচেতন মহলে মন্তব্য প্ৰকাশ কৰিছে। বিশেষকৈ গৰ্ভৱতী মহিলা, শিশু, বৃদ্ধ আৰু আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহে অধিক দুৰ্ভোগ ভোগ কৰিবলগীয়া হৈছে। সামান্য জ্বৰ-সৰ্দিৰ পৰা আৰম্ভ কৰি জৰুৰী চিকিৎসাৰ ক্ষেত্ৰতো ৰোগীক বহু দূৰলৈ যাবলগীয়া হয় বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। সময়মতে চিকিৎসা সুবিধা লাভ নকৰাৰ ফলত বহু সময়ত ৰোগীৰ অৱস্থা জটিল হৈ পৰে বুলিও অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰি কয় যে, কেৱল এটা স্বাস্থ্য কেন্দ্ৰৰ ভৱন নিৰ্মাণ কৰিলেই উন্নয়নৰ দাবী সম্পূৰ্ণ নহয়; সাধাৰণ জনতাই বাস্তৱিক চিকিৎসা সেৱা লাভ কৰিলেহে এনে আঁচনিৰ প্ৰকৃত উদ্দেশ্য সফল হ’ব। দীৰ্ঘদিন ধৰি অব্যৱহৃত হৈ থকা কেন্দ্ৰটোৰ ফলত চৰকাৰী ধনৰ অপচয় হোৱাৰ লগতে গাঁওখনৰ সাধাৰণ মানুহ মৌলিক স্বাস্থ্য অধিকাৰৰ পৰাও বঞ্চিত হৈ আছে বুলি তেওঁলোকে মত প্ৰকাশ কৰে। এই পৰিস্থিতিত কুমুল্লী পাৰাৰ সচেতন ৰাইজে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন নতুন চৰকাৰৰ ওচৰত অতি সোনকালে উপ স্বাস্থ্য কেন্দ্ৰটো সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰি তোলাৰ দাবী জনাইছে। লগতে চিকিৎসক, নাৰ্চ আৰু প্ৰয়োজনীয় স্বাস্থ্যকৰ্মী নিয়োগ কৰি নিয়মীয়া চিকিৎসা সেৱা আৰম্ভ কৰাৰ বাবে চৰকাৰক তাৎক্ষণিক হস্তক্ষেপ কৰিবলৈ বৃহত্তৰ ৰাইজে জোৰ দাবী উত্থাপন কৰিছে।

□ মে’ মাহত বিনামূলীয়া নামভৰ্তিৰ সুযোগ □

# বিশ্বনাথত ‘ৰিদম এণ্ড কম্বেট হাব’ৰ শুভাৰম্ভ




**অসম বাৰ্তা, বিহালী, ১৬ মে’** ঃ সমগ্ৰ বিশ্বনাথ জিলা বাসীৰ বাবে এটি সুখবৰ। বিশ্বনাথ চাৰিআলিৰ বি.জি. ৰোডস্থিত এছ.এছ. কমপ্লেক্সত নতুন শিক্ষাবৰ্ষৰ সৈতে সংগতি ৰাখি ‘ৰিদম এণ্ড কম্বেট হাব’ নামৰ এটি আধুনিক নৃত্য আৰু সমৰকলা একাডেমিৰ শুভাৰম্ভ কৰা হৈছে। সমগ্ৰ মে’ মাহটোত ইচ্ছুক অভিভাৱকসকলে নিজৰ ল’ৰা-ছোৱালীক ইয়াত সম্পূৰ্ণ বিনামূলীয়াকৈ নাম ভৰ্তি কৰাব পাৰিব। বৰ্তমান এই নামভৰ্তি প্ৰক্ৰিয়া পূৰ্ণগতিত চলি আছে। একাডেমিখনত অভিজ্ঞ প্ৰশিক্ষক বিচিত্ৰ লাহনৰ তত্ত্বাৱধানত আধুনিক, সৃষ্টিশীল, ভাৰতনাট্যম আৰু অৰ্ধ-শাস্ত্ৰীয় নৃত্যৰ প্ৰশিক্ষণ দিয়া হ’ব। ইয়াৰোপৰি, আত্মৰক্ষাৰ বাবে টাইকোৱাণ্ডো, এম.এম.এ. (MMA) আৰু কিক বক্সিং আদি সমৰকলাৰ উচ্চমানৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। স্বাস্থ্যবান সচেতন লোকসকলৰ বাবে কাৰ্ডিঅ’, জুম্বা, এৰোবি’ আৰু যোগাসনৰ বিশেষ ক্লাছো থাকিব। জান্তি দেৱীৰ স্বত্বাধিকাৰীত্বত আৰম্ভ হোৱা এই অনুষ্ঠানটোৰ শুভাৰম্ভণি কাৰ্যসূচীৰ উদ্বোধন কৰে তেওঁৰ পিতৃ তথা সমাজসেৱক জিতেন নাথে। অনুষ্ঠানভাগ পৰিচালনা কৰে ৰঞ্জন নাথ, আৰু অতিথি দেৱজিৎ বৰা আৰু কৰবী কোঁৱৰ, নিপম কুমাৰ ৰলবৰা, পুংকু বৰুৱা আদি উপস্থিত থাকে। আনহাতে নামভৰ্তিৰ বাবে আগ্ৰহীসকলে ৯৩৮৭৮২৭৯২৯ বা ৯৪৩৫৮৩৮০৮৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# ধেমাজি গোগামুখৰ কিশোৰী নিৰুদ্দেশ

**অসম বাৰ্তা, ধেমাজি, ১৬ মে’** ঃ ধেমাজি জিলা অন্তগত মিংমাঙ কঠালগুৰি গাঁৱত কিশোৰ নিৰুদ্দেশ। দশম মান শ্ৰেনীত অধ্যয়নৰত বিষ্ণু দলে নামৰ এজন কিশোৰ যোৱা তিনিদিন ধৰি নিৰুদ্দেশ হৈ আছে। পৰিয়ালা সূত্ৰে জানিবলৈ দিয়া অনুসৰি ১৪ মে পুৱা টিউচন কৰিবলৈ যোৱাৰ পিছৰে পৰা কিশোৰ গৰাকী নিৰুদ্দেশ হৈ আছে বুলি পিতৃ মনো দলে মাতৃ বহাগী দলে জানিবলৈ দিয়ে। ইফালে পুত্ৰ নিৰুদ্দেশ হোৱা ঘটনাই পিতৃ-মাতৃ ম্ৰিয়মাণ হোৱাৰ লগতে সমগ্ৰ অঞ্চলটোতে চিন্তিত হৈ পৰিছে। কোনো সদাশয় ৰাইজে উক্ত কিশোৰী গৰাকীক দেখা পালে 9101384338 নম্বৰত যোগাযোগ কৰি গতাই দিবলৈ পিতৃ-মাতৃয়ে কাতৰ আহ্বান জনাইছে।

□ ব্লেকআউট সমন্ধীয় অনুষ্ঠিতব্য অনুশীলনৰ প্ৰস্তুতি সন্দৰ্ভত বৈঠক সম্পন্ন □

# দৰং জিলাত সম্ভাব্য বিমান আক্ৰমণ

**অসম বাৰ্তা, দেওমৰনৈ, ১৬ মে’** ঃ আজি দৰং জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সভাকক্ষত বিয়লি ৩.০০ বজাত জিলাখনত কালিলৈ অৰ্থাৎ ১৬ মে’ তাৰিখে সন্ধিয়া ৭.০০ বজাত মঙ্গলদৈ সদৰৰ কৰিম চকত থকা ট্ৰেণ্ডছ শ্বপিং ম’ল প্ৰাংগনত অনুষ্ঠিত হ’বলগীয়া সম্ভাব্য বিমান আক্ৰমণ/ ব্লেকআউটৰ সময়ত গ্ৰহণ কৰিবলগীয়া সাৱধানতা বিষয়ক আখৰা বা অনুশীলন কাৰ্য্যসূচী সন্দৰ্ভত এক প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হৈ যায়। অতিৰিক্ত জিলা আয়ুক্ত অনুৰাগ ফুকনে সঞ্চালন কৰা এই সভাখনত ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা - মন্ত্ৰালয়, অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগ তথা অসামৰিক প্ৰতিৰক্ষা সঞ্চালকালয়ৰ নিৰ্দেশনা অনুসৰি অহা ১৬ মে’ত অৰ্থাৎ কালিলৈ সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ’বলগীয়া এই অনুশীলন কাৰ্যসূচীত জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগ, স্বাস্থ্য বিভাগ, অগ্নি নিৰ্বাপক বাহিনী, বিদ্যুৎ বিভাগ, বি.এছ.এন.এল, তথ্য আৰু জনসংযোগকে ধৰি সকলো সংশ্লিষ্ট বিভাগৰ মুৰব্বী উপস্থিতিত বিভাগীয় দায়িত্ব আৰু কৰ্তব্যসমূহ বিস্তাৰিতভাৱে আলোচনা কৰা হয়। দৰং জিলাৰ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত আৰু দৰং জিলা প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হ’বলগীয়া এই প্ৰস্তুতিমূলক আখৰাৰ মূল উদ্দেশ্য হৈছে সম্ভাব্য বিমান আক্ৰমণ (Air-raid)ৰ সময়ত ল’বলগীয়া সাৱধানতামূলক ব্যৱস্থাসমূহ সন্দৰ্ভত ৰাইজৰ মাজত পৰ্য্যাপ্ত সজাগতাৰ সৃষ্টি কৰা আৰু বিভিন্ন বিভাগৰ তৰফৰ পৰা এনে জৰুৰীকালীন সময়ত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাপনাৰ এক বাস্তৱিক পৰিৱেশত অনুশীলনৰ জৰিয়তে বিভাগসমূহৰ কাৰ্যদক্ষতা পৰীক্ষা কৰাৰ লগতে সচেতন কৰি তোলা। উক্ত অনুশীলনী সন্ধিয়া ৭.০০ বজাৰ পৰা আৰম্ভ হৈ প্ৰায় এক ঘণ্টাৰ ভিতৰত সম্পূৰ্ণ হ’ব। এই প্ৰস্তুতিমূলক অনুশীলনী সন্ধিয়া ৭.০০ বজাত বিপদ সংকেত অৰ্থাৎ প্ৰথমটো চাইৰেন বাজি উঠাৰ লগে লগে আৰম্ভ হ’ব। এই চাইৰেন ২ মিনিট জুৰি বৈ বৈ বাজিব। চাইৰেন বাজি উঠাৰ লগে লগে ৰাইজে নিজৰ ঘৰৰ বিজুলী বাতি বন্ধ ৰাখি নিৰাপদ স্থানত আশ্ৰয় গ্ৰহণ কৰা আখৰা বা অনুশীলন আৰম্ভ হ’ব। এই সময়ছোৱাত উক্ত অঞ্চলত বিদ্যুৎ সেৱাও বন্ধ থাকিব। অনুশীলনীৰ শেষত পুনৰ সেউজ সংকেত অৰ্থাৎ পুনৰ ২ মিনিট জুৰি একেৰাহে অন্তিমটো চাইৰেন বাজি উঠাৰ লগে লগে এই অনুশীলনীৰ অন্ত পৰিব আৰু বিদ্যুৎ সেৱা পুনৰ আৰম্ভ হ’ব তথা অঞ্চলবাসী সাধাৰণ ৰাইজে পুনৰ নিজৰ স্বাভাৱিক কৰ্মত আত্মনিয়োগ কৰিব পাৰিব। অনুষ্ঠিতব্য উক্ত সম্ভাব্য বিমান আক্ৰমণৰ সময়ত গ্ৰহণ কৰিবলগীয়া সাৱধানতা বিষয়ক অনুশীলনীৰ সময়ছোৱাত দৰং জিলাবাসী ৰাইজক অনাহকত শংকিত নহ’বলৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা অনুৰোধ কৰাৰ লগতে পূৰ্ণ সহায় সহযোগিতা আহ্বান কৰা হৈছে। উল্লেখ্য যে-আজিৰ বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত অনুৰাগ ফুকন, আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ-নিয়ন্ত্ৰক (জেষ্ঠ্য) পলাশ বৰুৱা, সংশ্লিষ্ট বিভাগীয় বিষয়াসকল, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ ৱাৰ্ডেন স্বেচ্ছাসেৱীসকলৰ লগতে আৰক্ষী, অগ্নি আৰু আপাতকালীন বিভাগ আৰু গৃহৰক্ষী বিভাগৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনেৰে মুখৰিত সৰুপথাৰ নগৰ

# ৬২সংখ্যক সৰুপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সাংস্কৃতিক শোভাযাত্ৰাই দি গ’ল সমন্বয়ৰ বাৰ্তা




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১৬ মে’** ঃ ১৪ আৰু ১৫এপ্ৰিল তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে ৬২সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু অনুষ্ঠানভাগি অতি উলহ-মালহেৰে আয়োজন কৰা হয়। সৰুপথাৰ ৰাজহুৱা খেলপথাৰৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত আয়োজন কৰা কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপনৰ দ্বিতীয় দিনাৰ প্ৰথম কাৰ্যসূচী হিচাপে এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰা হয়। পি.এম.শ্ৰী. সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ সৰুপথাৰ নগৰৰ মাজমজিয়াইদি বাহিৰ কৰা এই বৰ্ণাঢ্য শোভাযাত্ৰাত সৰুপথাৰ সমজিলাৰ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীকে ধৰি সৰুপথাৰ অঞ্চলৰ বহুকেইখন বিদ্যালয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই শোভাযাত্ৰাত ভাগ লয়। গায়ন-বায়ন, হুঁচৰি, জেং বিহু, কাতি বিহু, মাঘ বিহু, ঝুমুৰ, বাগৰুম্বা, টাই জনগোষ্ঠীয় নৃত্য, অসমীয়া গ্ৰাম্য জীৱনৰ কৃষি কৰ্ম, ঐতিহাসিক খনিকৰ পুথি, ভাওনা সংস্কৃতিকে ধৰি অন্যান্য বহুকেইটা জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰি সৰুপথাৰ নগৰৰ আকাশ-বতাহ মুখৰিত কৰি তোলে। প্ৰায় ঘণ্টা যোৱাকৈ সৰুপথাৰ নগৰৰ ৰাজপথেদি গৈ থকা এই শোভাযাত্ৰা চাবলৈ সৰুপথাৰ নগৰৰ ৰাজপথৰ দুয়োকাষে অগণন লোকৰ সমাগম ঘটে। শেষত সৰুপথাৰ ৰাজহুৱা খেলপথাৰৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত এই বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ সামৰণি পৰে। শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীয় লোকসকলৰ উপৰি বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ উপৰি উদযাপন সমিতিৰ সকলো বিষয়ববীয়া, সদস্যকে ধৰি সৰুপথাৰ অঞ্চলৰ বহু সংখ্যক সাংস্কৃতিক কৰ্মীয়ে অংশগ্ৰহণ কৰি সমন্বয়ৰ এক সুন্দৰ বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হয়।

# মৰিগাঁৱত ১,০২৭ গৰাকী দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকৰ মাজত সহায়ক সামগ্ৰী বিতৰণ জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৬ মে’** ঃ দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে এ ডি আই পি আৰু আৰ ভি ৱাই আঁচনিৰ অধীনত সহায়ক সামগ্ৰী বিতৰণৰ উদ্দেশ্যে আজি মৰিগাঁও জিলাৰ শিলচাং ৰংগমঞ্চত এটা জিলা পৰ্যায়ৰ সামগ্ৰী বিতৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত মৰিগাঁও জিলাৰ জিলা আয়ুক্ত অনামিকা তেৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাৰ লগতে জাগীৰোড আৰু মৰিগাঁৱৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে বন্তি প্ৰজ্বলনৰ জৰিয়তে অনুষ্ঠানৰ শুভ উদ্বোধন কৰে। উপস্থিত লোকসকলক সম্বোধন কৰি জিলা আয়ুক্তগৰাকীয়ে দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ জীৱনৰ মান উন্নত কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা বিভিন্ন কল্যাণমূলক আঁচনি আৰু সুবিধাসমূহৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। লগতে বিতৰণ কৰা সহায়ক সামগ্ৰীসমূহ সঠিক আৰু ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰি অধিক স্বাৱলম্বী, মৰ্যাদাপূৰ্ণ আৰু স্বাচ্ছন্দ্যময় জীৱন যাপন কৰিবলৈ তেওঁলোকৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলক তেওঁলোকৰ কল্যাণ, সবলীকৰণ আৰু সুবিধাসমূহ প্ৰদানৰ বাবে চৰকাৰৰ বিভিন্ন আঁচনি আৰু সহায়ক সেৱাসমূহৰ বিষয়েও অৱগত কৰা হয়। উল্লেখযোগ্য যে এলিমকোৰ উদ্যোগত এই দুখন আঁচনিৰ অধীনত, মৰিগাঁৱৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সহযোগত আয়োজিত এই সামগ্ৰী বিতৰণী শিবিৰৰ জৰিয়তে মুঠ ১, ০২৭ গৰাকী লোক উপকৃত হয়।

❑ আতংকিত ৰাইজ, ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয় বন্ধ কৰ্তৃপক্ষৰ ❑

# চামগুৰিত বনৰীয়া হাতীৰ আক্ৰমণত দুজনৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ মে' ঃ** নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত চামগুৰিৰ বিভিন্ন অঞ্চলত বনৰীয়া হাতী আৰু মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীটোৱে আজি চামগুৰি অঞ্চলৰ দুজন যুৱকক আক্ৰমণ কৰি নিহত কৰে। নিহত যুৱক দুজন ক্ৰমে বাজিয়াগাঁৱৰ ছৰিফুল ইছলাম আৰু চামগুৰি আউনীআটী খুটাৰকন সত্ৰ গাঁৱৰ প্ৰণৱজ্যোতি দাস। যোৱা কালিৰে পৰা অকলশৰীয়া বনৰীয়া হাতীটোৱে চামগুৰিৰ বিভিন্ন অঞ্চলত আতংকময় পৰিস্থিতি সৃষ্টি কৰি আহিছে। কালি নিশা বনৰীয়া হাতীটোৱে চামগুৰিৰ বাজিয়াগাঁৱৰ এজন লোকৰ ঘৰ ভাঙি লণ্ড-ভণ্ড কৰাৰ পাছত আজি পুৱা চামগুৰিৰ দুজন যুৱকক আক্ৰমণ কৰি নিহত কৰাৰ লগতে এজনী গাই গৰুক গছকি আহত কৰে। প্ৰাপ্ত খবৰ মতে, চামগুৰিৰ বাজিয়াগাঁৱৰ ছৰিফুল ইছলাম নামৰ যুৱকজনে আজি পুৱা গৰু এৰাল দি ঘৰলৈ উভতি আহি থকাৰ সময়তে বনৰীয়া হাতীটোৱে আক্ৰমণ কৰি থিতাতে নিহত কৰে। পৰৱৰ্তী সময়ত বনৰীয়া হাতীটোৱে কলং সুঁতি পাৰ হৈ মেঘৰঞ্জনী হোটেলৰ পাছফালৰ পথাৰত অৱস্থান গ্ৰহণ কৰা সময়তে চামগুৰিৰ প্ৰণৱ জ্যোতি দাস নামৰ যুৱকজনক আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। সংকটজনক অৱস্থাত প্ৰণৱ জ্যোতি দাসক নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে যদিও চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। নিহত প্ৰণৱজ্যোতি দাসে বনৰীয়া হাতীটোৰ ফটো আৰু ভিডিঅ' সংগ্ৰহ কৰি থকাৰ সময়তে বনৰীয়া হাতীটোৱে খেদি আহি গচকি-গচকি নিৰ্মমভাৱে আক্ৰমণ কৰে বুলি প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত বনৰীয়া হাতীৰ আক্ৰমণত নিহত হোৱা ছৰিফুল ইছলাম আৰু প্ৰণৱ জ্যোতি দাস নামৰ যুৱক দুজনৰ মৃতদেহ দুটা বন বিভাগৰ সহযোগত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ দুটা পৰিয়ালক চমজাই দিয়ে। ইপিনে বন বিভাগে বনৰীয়া হাতীটো বনাঞ্চললৈ খেদি পঠাবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছে যদিও সফল হ'বলৈ সক্ষম হোৱা নাই। চামগুৰিত আজি পুৱাৰ ভাগত বনৰীয়া হাতীটোৰ উপদ্ৰৱ অধিক মাত্ৰাত বৃদ্ধি পোৱাত এক আতংকময় পৰিৱেশ সৃষ্টি হয়। বনৰীয়া হাতীটোৰ উপদ্ৰৱৰ আতংকময় পৰিস্থিতিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি চামগুৰিৰ কেইবাখনো ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে চৰকাৰী বিদ্যালয় বন্ধ ৰাখিবলৈ বাধ্য হয় বুলি জানিব পৰা গৈছে। বনৰীয়া হাতীয়ে পূৰ্বতে প্ৰৱেশ নকৰা অঞ্চল সমূহতো এইবাৰ অকলশৰীয়া বনৰীয়া হাতীটোৱে প্ৰৱেশ কৰি উপদ্ৰৱ চলোৱাত স্থানীয় ৰাইজ চিন্তিত হৈ পৰিছে। ইপিনে, বনৰীয়া হাতীটোৱে উন্মত্ত ৰূপ ধাৰণ কৰি মানুহক আক্ৰমণ কৰাক কেন্দ্ৰ কৰি বন বিভাগে অধিক সতৰ্কতাৰে হাতীটো বনাঞ্চললৈ খেদি পঠিয়াবলৈ চেষ্টা অব্যাহত ৰাখিছে। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীটোৱে চামগুৰিৰ বিভিন্ন অঞ্চলত কালি পুৱাৰে পৰা মুক্ত বিচৰণ কৰি এক আতংকময় পৰিস্থিতি সৃষ্টি কৰি আহিছে। উক্ত বনৰীয়া হাতীটোৱে চামগুৰিৰ বৌ বজাৰ, পাঘালি, মোৱামাৰী, বৰমা, বাজিয়াগাঁও, সোণাৰীবালি, ৰঙাগড়াকে ধৰি বিভিন্ন অঞ্চলত মুক্ত বিচৰণ কৰাৰ পাছত স্থানীয় ৰাইজ এক আতংকময় পৰিস্থিতিত কটাবলগীয়া হৈছে। অকলশৰীয়া বনৰীয়া হাতীটোৱে মৰাপাটৰ খেতি, বড়ো ধানৰ লগতে বিভিন্ন শাক-পাচলিৰ খেতি খোৱাৰ লগতে গছকি-ফেনেকি বিনষ্ট কৰিছে। কালি বনৰীয়া হাতীটোৱে পুৱাৰ ভাগত প্ৰথমে বৰমা অঞ্চলত অৱস্থান গ্ৰহণ কৰাৰ সময়ত এক আতংকময় পৰিস্থিতি সৃষ্টি হৈছিল। বন কৰ্মীৰ দলে হাতী খেদিবলৈ শূন্যলৈ গুলি কৰাত গুলিৰ কিছু অংশ চিটিকি এগৰাকী মহিলা সহ পাঁচজন লোক আহত হয়। বনকৰ্মীৰ দলে উক্ত বনৰীয়া হাতীটো বনাঞ্চললৈ খেদি পঠাবলৈ শূন্যলৈ গুলীচালনা কৰাৰ লগতে বন বিভাগৰ তৰফৰ পৰা বৰমা অঞ্চলৰ স্থানীয় ৰাইজক বন্যহস্তীৰ পৰা সৰ্তকতা অৱলম্বন কৰিবলৈ মাইক যোগে ঘোষণা কৰে। বনৰীয়া হাতীটোৱে বিচৰণ কৰা স্থানত কোনো লোক যাতে নাযায় অথবা বনৰীয়া হাতীটো খেদোৱাৰ সময়ত ৰাইজে যাতে ভিৰ নকৰে আৰু বনৰীয়া হাতীটো বন বিভাগে খেদি অনাৰ সময়ত কোনো লোক যাতে সমাগম নকৰে তাৰ প্ৰতি ৰাইজক বন বিভাগে সৰ্তক কৰি মাইকযোগে ঘোষণা কৰাৰ পিছতো স্থানীয় ৰাইজে সৰ্তকতা অৱলম্বন নকৰাত আৰক্ষীয়ে লাঠি চালনা কৰিব লগা পৰিস্থিতি হয়। বনৰীয়া হাতীটো বৰ্তমান চামগুৰিৰ ৰঙাগড়া অঞ্চলত মুক্ত বিচৰণ কৰি এক আতংকময় পৰিস্থিতি সৃষ্টি কৰিছে। এইক্ষেত্ৰত স্থানীয় ৰাইজে অতি সোনকালে বন বিভাগৰ লগতে জিলা প্ৰশাসনক বনৰীয়া হাতীটো খেদোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# দৰং জিলা ভিত্তিত যোগাসন প্ৰতিযোগিতাত উজ্বলিল দেওমৰনৈ হাইস্কুলৰ অনুজ, দ্বীপশিখা, মনিষা

**অসম বাৰ্তা, মঙলদৈ, ১৬ মে' ঃ** দৰং জিলাৰ দলগাঁওস্থিত ডায়েটৰ উদ্যোগত যোৱা ১৩ আৰু ১৪ মে' তাৰিখে দৰং জিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ মাজত জিলা পৰ্যায়ৰ যোগ অলিম্পিয়াড আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। দলগাঁওস্থিত ডায়েটত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাৰ ষষ্ঠ-অষ্টম শ্ৰেণীৰ ল'ৰাৰ শাখাত শ্ৰেষ্ঠ স্থান লাভ কৰে গান্ধীস্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰণবীৰ কলিতাই আৰু ছোৱালীৰ শাখাত শ্ৰেষ্ঠ স্থান লাভ কৰে দেওমৰনৈ হাইস্কুলৰ দ্বীপশিখা ডেকাই। আনহাতে নৱম-দশম শ্ৰেণীৰ ল'ৰাৰ শাখাত শ্ৰেষ্ঠ স্থান লাভ কৰে দেওমৰনৈ হাইস্কুলৰ অনুজ ডেকাই আৰু ছোৱালীৰ শাখাত




শ্ৰেষ্ঠ স্থান লাভ কৰে দেওমৰনৈ হাইস্কুলৰে মনিষা বৰুৱাই। উল্লেখ্য যে, বিগত বৰ্ষতো দেওমৰনৈ হাইস্কুলৰ ছাত্ৰ অনুজ ডেকা জিলা পৰ্যায়ত নিৰ্বাচিত হৈ ৰাজ্যিক পৰ্যায়ত প্ৰবেশ কৰিছিল। প্ৰতিযোগিতাৰ শেষত বঁটা প্ৰদান অনুষ্ঠানত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলো ছাত্ৰ ছাত্ৰীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয় আৰু ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জ্ঞাপন কৰা হয়। উল্লেখ্য যে, ৰাজ্যিক পৰ্যায়ৰ যোগ অলিম্পিয়াড আৰু প্ৰতিযোগিতা গুৱাহাটীৰ কলাক্ষেত্ৰত অহা ১৯ মে'ত অনুষ্ঠিত হ'ব। দেওমৰনৈ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ৰুণু দত্তই শ্ৰেষ্ঠত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰিছে।

# শপতগ্ৰহণৰ পিছত প্ৰথমবাৰৰ বাবে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানত আহি উপস্থিত হয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

**অসম বাৰ্তা, বটদ্ৰৱা, ১৬ মে' ঃ** অসমৰ মুখ্যমন্ত্ৰী হিচাপে যোৱা ১২ মে'ত দ্বিতীয়টো কাৰ্যকালৰ বাবে শপত গ্ৰহণ কৰাৰ পিছত প্ৰথমবাৰৰ বাবে অজি ১৫ মে' শুক্ৰবাৰে অসমীয়া জাতিৰ জনক জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান শ্ৰীশ্ৰী বটদ্ৰৱা থান দৰ্শন কৰিবলৈ আহি উপস্থিত হয় ড° হিমন্ত বিশ্ব শৰ্মাই। বটদ্ৰৱা থানত মুখ্যমন্ত্ৰী শৰ্মাৰ আগমনক লৈ পুৱাৰ ভাগত এক উখল মাখল পৰিৱেশ বিৰাজ কৰিছিল। পুৱাৰ ভাগতে এখন বিশেষ হেলিকপ্টাৰেৰে নৱনিৰ্মিত বটদ্ৰৱা আৱিৰ্ভাৱ ক্ষেত্ৰত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° শৰ্মা। তাৰ পিছত বটদ্ৰৱা কীৰ্তন ঘৰত প্ৰবেশ কৰি থান দৰ্শন কৰে। পিচত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ লগতে বিভিন্নজনে আদৰণি জনোৱাৰ পিচত পৰিচালনা সমিতিৰ লগত এক আলোচনাত মিলিত হয় মুখ্যমন্ত্ৰীগৰাকীয়ে।

# জেষ্ঠ্য সাংবাদিক নগেন শইকীয়া দুৰ্ঘটনাত পতিত

**অসম বাৰ্তা, জিনজিয়া, ১৬ মে' ঃ** বিহালী সম জিলাৰ অন্তৰ্গত কাউৰী পথাৰ গাঁৱৰ নিবাসী তথা হেলমৰ অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক নগেন শইকীয়া যোৱা কালি পথ দুৰ্ঘটনাত আহত হৈ তেজপুৰ টাইমছ হস্পিটেলত চিকিৎসাধীন হৈ আছে। বিশ্বনাথ জিলা বাৰ্তাজীৱি সংঘৰ প্ৰাক্তন সভাপতি তথা অঞ্চলটোৰ জ্যেষ্ঠ সাংবাদিক শইকীয়াৰ আশু আৰোগ্য কামনা কৰিছে বিশ্বনাথ জিলা বাৰ্তাজীৱি সংঘৰ সভাপতি দীপক শৰ্মা, সম্পাদক মহেন্দ্ৰ পগাগ, বিহালী প্ৰেছ ক্লাৱৰ সভাপতি ভুবন লুইটেল, উপ সভাপতি খগেন মটক, জেষ্ঠ্য সাংবাদিক নৰেণ বৰা, দিগন্ত কুমাৰ দাস আদিয়ে। অন্যহাতেউদ্দীপ্ত চ'ৰা, দক্ষিণ বিহালী স্বৰ্ণ শাখা সাহিত্য সভা, পুব বিহালী শতদল শাখা সাহিত্য সভা, বিশিষ্ট সমাজ কৰ্মী প্ৰেম লাল গঞ্জু আদিয়ে। উল্লেখ্য যে অসমৰ আগশাৰী সংবাদ প্ৰতিষ্ঠান প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া পিতৃ বিয়োগৰ খবৰ লৈ উভতি অহাৰ পথত দুৰ্ঘটনাত পতিত হয়, প্ৰথমে বৰগাং কেথলিক হস্পিটেলত ভৰ্তি কৰাই যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে ৰাতিয়েই তেজপুৰ টাইমছ হস্পিটেলত ভৰ্তি কৰোৱা হয় বৰ্তমানো চিকিৎসাধীন হৈ আছে বুলি জানিবলৈ দিছে।

# তিনিচুকীয়াত 'টি বি মুক্ত ভাৰত' অভিযান তীব্ৰতৰ, ২৫১খন গাঁও যক্ষ্মাৰ বাবে অতি স্পৰ্শকাতৰ হিচাপে চিহ্নিত

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ১৬ মে' ঃ** ২০২৫ চনৰ ভিতৰত দেশক যক্ষ্মামুক্ত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা 'টি বি মুক্ত ভাৰত' অভিযান তিনিচুকীয়া জিলাত অধিক তীব্ৰতৰ কৰি তোলা হৈছে। জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত চলা এই অভিযান জুলাই মাহৰ প্ৰথম সপ্তাহলৈকে অব্যাহত থাকিব। আজি জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ৰ সভাগৃহত এই সন্দৰ্ভত এক সংবাদ মেলৰ আয়োজন কৰা হয়। সংবাদ মেলত বিশ্ব স্বাস্থ্য সংস্থাৰ পৰ্যালোচক ডাঃ সুব্ৰত দাসে জনায় যে, যক্ষ্মা ৰোগৰ বিস্তাৰৰ দিশৰ পৰা জিলাখনৰ ২৫১খন গাঁও অতি স্পৰ্শকাতৰ হিচাপে চিহ্নিত কৰা হৈছে। এই গাঁওসমূহত বিশেষ গুৰুত্ব প্ৰদান কৰি অভিযান চলোৱা হ'ব। ডাঃ দাসে কয়, 'টি বি মুক্ত ভাৰত' অভিযানৰ অধীনত আমি জিলাখনৰ নিৰ্দিষ্ট স্থানত বিশেষ পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিম। কেৱল যক্ষ্মাই নহয়, এই শিবিৰসমূহত ৰক্তচাপ, মধুমেহ আদি ৰোগৰো বিনামূলীয়া পৰীক্ষা কৰা হ'ব। ইয়াৰ উপৰিও সকলো চৰকাৰী চিকিৎসালয়লৈ অহা প্ৰতিগৰাকী ৰোগীৰে যক্ষ্মাৰ পৰীক্ষা বাধ্যতামূলক কৰা হৈছে।" যক্ষ্মা ৰোগ ধৰা পৰা ৰোগীসকলৰ বাবে চৰকাৰে গ্ৰহণ কৰা সুবিধাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে, চিনাক্ত হোৱা প্ৰতিগৰাকী ৰোগীক ছমাহৰ বাবে সম্পূৰ্ণ বিনামূলীয়াকৈ ঔষধ যোগান ধৰাৰ লগতে পুষ্টিকৰ খাদ্য সামগ্ৰীৰ বাবে নগদ ৬ হেজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। তেওঁ জনসাধাৰণক আশ্বাস দি কয়, "যক্ষ্মা সম্পূৰ্ণ আৰোগ্য হোৱা ৰোগ। নিয়মীয়াকৈ ঔষধ সেৱন কৰিলে এই ৰোগৰ পৰা সম্পূৰ্ণ মুক্তি পোৱা যায়। সেয়ে কোনো কাৰণতে শংকিত হোৱাৰ প্ৰয়োজন নাই।" আনহাতে, সংবাদ মেলত উপস্থিত থকা বিভাগীয় জিলা আঁচনি প্ৰবন্ধক ডাঃ ৰাণী গগৈয়ে যক্ষ্মা ৰোগৰ অন্যতম কাৰক হিচাপে মদ্যপানৰ কথা উল্লেখ কৰে। তেওঁ কয়, "মদ্যপান কৰা লোকসকলৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পায়, যাৰ ফলত তেওঁলোক সহজে যক্ষ্মা ৰোগত আক্ৰান্ত হয়।" তেওঁ জিলাবাসীক সুস্থ জীৱনৰ বাবে মদ্যপানৰ অভ্যাস সম্পূৰ্ণৰূপে ত্যাগ কৰিবলৈ আহ্বান জনায়। স্বাস্থ্য বিভাগে জিলাখনৰ সকলো পঞ্চায়ত, আত্মসহায়ক গোট, আশাকৰ্মী আৰু স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত ঘৰে ঘৰে গৈ সজাগতা আৰু চিনাক্তকৰণ অভিযান চলাব বুলিও সংবাদ মেলত প্ৰকাশ কৰা হয়। জিলাখনক যক্ষ্মামুক্ত কৰাৰ বাবে ৰাইজৰ সক্ৰিয় সহযোগিতা কামনা কৰিছে জিলা স্বাস্থ্য বিভাগে।

# তিনিচুকীয়া বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক পুলক গোহাঁইৰ সন্মানাৰ্থে এক গাম্ভীৰ্যপূৰ্ণ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ১৬ মে' ঃ** তিনিচুকীয়াৰ আনন্দনগৰস্থিত বাসন্তী ভৱনত আজি আধ্যশক্তি এনজিঅ'ৰ উদ্যোগত তথা ভোজপুৰী সাংস্কৃতিক ঐক্য মঞ্চৰ সহযোগত তিনিচুকীয়া বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক পুলক গোহাঁইৰ সন্মানাৰ্থে এক গাম্ভীৰ্যপূৰ্ণ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানত বিভিন্ন সামাজিক, সাংস্কৃতিক সংগঠনৰ প্ৰতিনিধিসকলৰ উপস্থিতিয়ে অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানৰ সভাপতিত্ব কৰে আধ্যশক্তি এনজিঅ'ৰ সভাপতি বিশ্বজিৎ মজুমদাৰে উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক বিধান দাসে। অনুষ্ঠানত অতিথি হিচাপে নৱনিৰ্বাচিত বিধায়ক পুলক গোহাঁইৰ উপৰিও ভোজপুৰী সাংস্কৃতিক ঐক্য মঞ্চৰ সভাপতি তথা অসম হাইড্ৰ'কাৰ্বন কোম্পানী লিমিটেডৰ উপাধ্যক্ষ শিৱজী ডুবে, সচিব মুকেশ গুপ্তা, ৩ নং ৱাৰ্ডৰ সদস্য প্ৰদীপ দাস, জ্যেষ্ঠ নাগৰিক ৰবীন্দ্ৰ নাথ ভৌমিক উপস্থিত থাকে। অনুষ্ঠানত অসম ভোজপুৰী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি কৃষ্ণ উপাধ্যায়, সম্পাদক যদু বংশ মণি উপাধ্যায়সহ বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে আধ্যশক্তি এনজিঅ'ৰ সভাপতি বিশ্বজিৎ মজুমদাৰে আদৰণি ভাষণ আগবঢ়ায়। তেওঁ নিজৰ বক্তব্যত বিধায়ক পুলক গোহাঁইলৈ শুভেচ্ছা জ্ঞাপন কৰি তেওঁৰ নেতৃত্বত তিনিচুকীয়া বিধানসভা সমষ্টিয়ে উন্নয়নৰ নতুন দিশ লাভ কৰিব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত আধ্যশক্তি এনজিঅ' আৰু ভোজপুৰী সাংস্কৃতিক ঐক্য মঞ্চৰ ফালৰ পৰা বিধায়ক পুলক গোহাঁইক ফুলৰ তোড়া, ফুলাম গামোচা আৰু অভিনন্দন পত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছত অসম ভোজপুৰী সাহিত্য সভাসহ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক সংগঠনৰ প্ৰতিনিধিসকলেও তেওঁক ৰাজহুৱাভাৱে অভিনন্দন জ্ঞাপন কৰে। নিজৰ ভাষণত বিধায়ক পুলক গোহাঁইয়ে কয় যে, বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত তিনিচুকীয়াত এইটো তেওঁৰ প্ৰথম ৰাজহুৱা অভিনন্দন সমাৰোহ। ইয়াৰ বাবে তেওঁ দুয়োটা আয়োজক সমিতিৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে, জনসাধাৰণে তেওঁক বহুমূলীয়া ভোট প্ৰদান কৰি যি আস্থা প্ৰকাশ কৰিছে, সেই আস্থাক সন্মান জনোৱাই তেওঁৰ প্ৰধান লক্ষ্য হ'ব। অঞ্চলটোৰ সামগ্ৰিক উন্নয়ন আৰু জনকল্যাণৰ বাবে সদায় কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি তেওঁ ব্যক্ত কৰে। এই উপলক্ষে শিৱজি দুবে আৰু বিধান দাসেও নিজৰ বক্তব্য আগবঢ়াই বিধায়ক পুলক গোহাঁইলৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অঞ্চলটোৰ উন্নয়নত জনসাধাৰণৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অসম ভোজপুৰী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি কৃষ্ণ উপাধ্যায়ে অনুষ্ঠানটোৰ আঁত ধৰে।

# গোৱালপাৰাৰ আছাদুৰ ৰহমানৰ বিশ্বমঞ্চত পুনৰ সাফল্য



ৰাছিয়াৰ আন্তঃৰাষ্ট্ৰীয় যুৱ উৎসৱলৈ নিৰ্বাচিত

**অসম বাৰ্তা, গোৱালপাৰা, ১৬ মে' ঃ** গোৱালপাৰা জিলাৰ এগৰাকী মেধাৱী তথা প্ৰতিভাশালী ছাত্ৰ আছাদুৰ ৰহমানে পুনৰবাৰ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত অসম তথা ভাৰতক গৌৰৱান্বিত কৰি তুলিছে। ইতিমধ্যে ৰাছিয়াত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক কৰ্মশালাত প্ৰথম স্থান লাভ কৰি সাফল্য অৰ্জন কৰা আছাদুৰ ৰহমান এইবাৰ আন্তঃৰাষ্ট্ৰীয় যুৱ উৎসৱৰ বাবে নিৰ্বাচিত হৈছে। আছাদুৰৰ এই কৃতিত্বত গোৱালপাৰা জিলাৰ লগতে সমগ্ৰ অসমৰ শিক্ষিত সমাজ, সাংবাদিক মহল আৰু বিভিন্ন সংগঠনে গৌৰৱ অনুভৱ কৰিছে। জানিব পৰা মতে, অহা ১১ ছেপ্টেম্বৰৰ পৰা ১৭ ছেপ্টেম্বৰলৈ ৰাছিয়াৰ ইয়েকাটাৰিংবাৰ্গ চহৰত সাতদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যুৱ উৎসৱৰ অনুষ্ঠানত বিশ্বৰ ১৯১খন দেশৰ নিৰ্বাচিত প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। বিশ্বৰ বিভিন্ন দেশৰ যুৱ প্ৰতিনিধিসকলৰ মাজত সাংস্কৃতিক বিনিময়, শিক্ষা, বিজ্ঞান, উদ্ভাৱন, নেতৃত্ব আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে এই বৃহৎ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই সন্মানজনক অনুষ্ঠানত অংশগ্ৰহণৰ সুযোগ লাভ কৰি গোৱালপাৰাৰ আছাদুৰ ৰহমানে পুনৰবাৰ নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ৰাছিয়াৰ ৰাজধানী মস্কোত অনুষ্ঠিত এক আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক কৰ্মশালাত অংশগ্ৰহণ কৰি আছাদুৰ ৰহমানে বিশেষ সফলতা অৰ্জন কৰিছিল। এই এন অ নেচনেল প্ৰায়োৰিটিচৰ উদ্যোগত আৰু ৰাছিয়াৰ বিজ্ঞান আৰু উচ্চ শিক্ষা মন্ত্ৰালয়ৰ সৌজন্যত যোৱা ৮ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই আন্তঃৰাষ্ট্ৰীয় কৰ্মশালাত বিশ্বৰ ৩২খন দেশৰ ৮৬গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। ৰাছিয়াৰ ৫৮খন বিশ্ববিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা নিৰ্বাচিত এই প্ৰতিনিধিসকলৰ ভিতৰত ভাৰতৰ ১৫গৰাকী ছাত্ৰ আছিল। এই ১৫ গৰাকী ভাৰতীয় ছাত্ৰৰ ভিতৰত একমাত্ৰ অসমীয়া হিচাপে অংশগ্ৰহণ কৰিছিল গোৱালপাৰাৰ আছাদুৰ ৰহমানে। কৰ্মশালাখনত সক্ৰিয় অংশগ্ৰহণ, নেতৃত্বদান ক্ষমতা, সৃজনশীল চিন্তা আৰু বিভিন্ন শিক্ষামূলক কাৰ্যসূচীত দক্ষতা প্ৰদৰ্শন কৰি আছাদুৰে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল ৰাছিয়াৰ বিজ্ঞান আৰু উচ্চ শিক্ষা বিভাগৰ উপমন্ত্ৰী অল্গা পেটৰোভা। তেওঁৰ উপস্থিতিত আছাদুৰ ৰহমানে এই সাফল্য লাভ কৰাটো অসমবাসীৰ বাবে এক গৌৰৱৰ বিষয় হিচাপে পৰিগণিত হৈছে। ইয়াৰ উপৰিও আছাদুৰ ৰহমানে ইয়াৰ আগতে ৱৰ্ল্ড বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰি নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিছিল। একেৰাহে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সফলতা অৰ্জন কৰি তেওঁ অসমৰ যুৱ সমাজৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে। বৰ্তমানে আছাদুৰ ৰহমানে ৰাছিয়াৰ কালিনিংগ্ৰাড চহৰৰ ইমানুৱেল কাণ্ট বাল্টিক ফেডাৰেল মেডিকেল বিশ্ববিদ্যালয়ত এম বি বি এছৰ দ্বিতীয় বৰ্ষত অধ্যয়ন কৰি আছে। বিদেশত অধ্যয়ন কৰি থকাৰ পিছতো তেওঁ অসমীয়া পৰিচয় আৰু নিজৰ মাতৃভূমিৰ গৌৰৱ বিশ্বদৰবাৰত উজলাই তুলিবলৈ সক্ষম হৈছে। গোৱালপাৰাৰ জেষ্ঠ্য সাংবাদিক আব্দুছ ছোবাহান আৰু আয়শা আকতাৰৰ একমাত্ৰ পুত্ৰ আছাদুৰ ৰহমানৰ এই অভূতপূৰ্ব সাফল্যত গোৱালপাৰা জিলাৰ সাংবাদিক সমাজ উৎফুল্ল হৈ পৰিছে। বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ছাত্ৰ সংগঠনে আছাদুৰক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। আছাদুৰ ৰহমানৰ এই সফলতা কেৱল তেওঁৰ ব্যক্তিগত সাফল্য নহয়, ই সমগ্ৰ অসমৰ বাবে এক গৌৰৱৰ অধ্যায়। বিশ্বমঞ্চত অসমীয়া যুৱকৰ এই উজ্জ্বল উপস্থিতিয়ে নিশ্চয়কৈ আগন্তুক প্ৰজন্মক অধিক উৎসাহিত আৰু অনুপ্ৰাণিত কৰিব।

# গোলাঘাট জিলা প্ৰশাসনৰ সতৰ্কতামূলক ম'কড্ৰিল কাৰ্যসূচী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ গোলাঘাট, ১৬ মে' ঃ** গোলাঘাট নগৰত আজি হঠাৎ বাজি উঠিল চাইৰেণ। ইয়াৰ লগে লগে এক ভয়ংকৰ বিস্ফোৰণত কঁপি উঠিল গোলাঘাট নগৰ। পথৰ ওপৰত য'থে ত'তে পৰি আছে আহত হোৱা বহুকেইজন লোক। সহায় বিচাৰি আৰ্তনাদ আহত সকলৰ। আচলতে গোলাঘাটৰ জিলা প্ৰশাসনৰ উদ্যোগত যুদ্ধকালীন পৰিস্থিতিত কেনেদৰে নিজৰ লগতে পৰিয়ালৰ লোকক নিৰাপত্তা দিব পাৰে তাৰ বাবে সামাজিক সুৰক্ষা বিভাগৰ তৰফৰ পৰা এক ম'কড্ৰিল কাৰ্যসূচী চলাই গোলাঘাট নগৰত। যাৰ পৰিপ্ৰেক্ষিতত প্ৰথমে চাইৰেণ বজাৰ লগে লগে কেইবাটাও ভয়ংকৰ বিস্ফোৰণ সংঘটিত হয় নগৰ মাজ মজিয়াত তাৰ পাছত চাৰিওফালে লাগিল হুৱাদুৱা। ঘটনাস্থলীত উপস্থিত হ'ল অগ্নিনিৰ্বাপক বাহিনী, সামাজিক সুৰক্ষা বিভাগৰ দল। অগ্নি নিৰ্বাপক বাহিনীয়ে অগ্নি নিৰ্বাপন কৰাৰ সমান্তৰালকৈ সামাজিক সুৰক্ষা বিভাগৰ দলে আহত সকলক একগোট কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। এই সম্পৰ্কে গোলাঘাটৰ অতিৰিক্ত জিলা আয়ুক্ত জিণ্টু বৰাই কয় চাৰকাৰৰ পৰা অহা নিৰ্দেশনা অনুসৰি সামাজিক সুৰক্ষা বিভাগৰ উদ্যোগত দুৰ্যোগৰ সময়ত কেনেদৰে তাৰ লগত মোকাবিলা কৰিব পাৰি তাৰ বাবে ইয়াৰ লগত জড়িত সকলো বিভাগক একত্ৰিত কৰি কেনেদৰে ৰাইজক উদ্ধাৰ কৰিব পাৰি তাৰ বাবে এই ম'কড্ৰিল কৰা হৈছিল। ইয়াৰ উপৰিও শত্ৰুক কেনেদৰে বিপথে পৰিচালিত কৰিব লাগে, এন্ধাৰৰ ব্যৱস্থা কৰি ৰাইজক সজাগ কৰা হ'ল। এই ম'কড্ৰিলৰ কোনো যুদ্ধৰ লগত সম্পৰ্ক নাই। এইটো দুৰ্যোগ ব্যৱস্থাপনাৰ সময়ত কেনেদৰে মোকাবিলা কৰিব লাগিব তাৰ বাবে আমি এই কাৰ্যসূচী লোৱা হৈছে।

■ শিক্ষাৰ্থীৰ সাফল্যই বিদ্যালয়ৰ আয়ুস বৃদ্ধি কৰেঃ শশী ভূষণ ডেকা ■

# বৰতলা হাইস্কুলত ব'হাগী উৎসৱ, নৱাগত আদৰণি সভা সম্পন্ন

**অসম বাৰ্তা, দৌলাশাল, ১৬ মে' ঃ** ১৯৫৭ চনত নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰতলা গাঁৱত স্থাপিত বৰতলা উচ্চ মাধ্যমিক বিদ্যালয়ত আজি ব'হাগী উৎসৱ আৰু নৱাগত আদৰণি সভা অনুষ্ঠিত হৈ যায়। বিদ্যালয় প্ৰাংগণত পুৱাৰে পৰা বিস্তৃত কাৰ্যসূচীৰে সম্পন্ন হয় অনুষ্ঠানভাগ। বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি তথা বিশিষ্ট সমাজহিতৈষী শশীভূষণ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হয় ব'হাগী উৎসৱ আৰু নৱাগত আদৰণি সভা। এই সভাতেই বিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱা হয়। উল্লেখ্য যে এইবেলি বিদ্যালয়খনৰ ষষ্ঠ আৰু নৱম শ্ৰেণীত ৬৫ গৰাকীকৈ নতুন ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰে। ব'হাগী উৎসৱ অনুষ্ঠানত বিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিহু পৰিৱেশন কৰাৰ উপৰি একাংশ শিক্ষাৰ্থীয়ে বিহুনৃত্য, গীত আৰু জেং বিহু পৰিৱেশন কৰি অনুষ্ঠানটো অনন্য কৰি তোলে। বিদ্যালয়প্ৰধান নৰেন ৰবিদাসে পৰিচালনা কৰা অনুষ্ঠানটোত বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী গীত-নৃত্য পৰিৱেশন কৰি অতি আনন্দ-উল্লাহৰে ব'হাগী উৎসৱ উদযাপন কৰা দেখা যায়। বিদ্যালয়ৰ ৭ গৰাকী শিক্ষাৰ্থীয়ে ৭ বিহুৰ ওপৰত আলোকপাত কৰে। শিক্ষানুষ্ঠানখনৰ নৱাগত শিক্ষাৰ্থীসকলেও সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰি আপ্লুত হৈ পৰে। অনুষ্ঠানৰ সভাপতি তথা জ্যেষ্ঠ অভিযন্তা শশীভূষণ ডেকাই অনুষ্ঠানৰ মাজে মাজে অসমীয়া জাতি আৰু বিহু সম্পৰ্কত বক্তব্য প্ৰদান কৰি শিক্ষাৰ্থীসকলক উপকৃত কৰে। শশীভূষণ ডেকাই অসমীয়া জাতিৰ আয়ুসৰেখা বিহু আৰু বিদ্যালয়ৰ আয়ুসৰেখা সম্পৰ্কত গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। শশীভূষণ ডেকাই ভাষণ প্ৰসংগত "বিহু যিদৰে অসমীয়া জাতিৰ আয়ুসৰেখা ঠিক তেনেকৈ বিদ্যালয় এখনৰ আয়ুসৰেখা বিদ্যালয়ৰ শিক্ষাৰ্থীসকল" বুলি মন্তব্য কৰে। শিক্ষাৰ্থীৰ সাফল্যই বিদ্যালয় এখনৰ আয়ুস বৃদ্ধি কৰে বুলিও কয় শশীভূষণ ডেকাই। বিহু থকালৈকে যেনেদৰে অসমীয়া জাতি জীয়াই থাকিব ঠিক একেদৰে বিদ্যালয়ত শিক্ষাৰ্থী থকালৈকে বিদ্যালয়খনৰ আয়ুস থাকিব বুলিও কয় শশীভূষণ ডেকাই। অনুষ্ঠানত বৰতলা গাঁও উন্নয়ন সমিতিৰ সভাপতি হীৰেণ বৰ্মন, বৰতলা হাইস্কুল উন্নয়ন আৰু পৰিচালনা সমিতিৰ উপ সভাপতি প্ৰদীপ চৌধুৰী, কেন্দ্ৰ সমন্বয়ক আনন্দ বৈশ্য উপস্থিত থাকি ভাষণ প্ৰদান কৰে। বিদ্যালয়খনত আজি ব্যতিক্ৰমভাৱে বহাগী উৎসৱ আৰু নৱাগত আদৰণি সভা অনুষ্ঠিত কৰাত অঞ্চলটোৰ সচেতন ব্যক্তিসকলে বিদ্যালয় কৰ্তৃপক্ষক প্ৰশংসা কৰে।

# বিজনীত পত্নীক হত্যা কৰা স্বামীক যাৱজ্জীৱন কাৰাদণ্ড

**অসম বাৰ্তা, বিজনী, ১৬ মে' ঃ** চিৰাং জিলাৰ বিজনীস্থিত অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে শুকুৰবাৰে এগৰাকী পত্নী হত্যা কৰা স্বামীক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায়দান প্ৰদান কৰে। বিজনী থানাৰ অন্তৰ্গত উত্তৰ বল্লামগুৰীৰ নিৱাসী পত্নী হন্তা বৃটিছ হাজঙক(৫৬) বিজনীস্থিত অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতৰ ন্যায়াধীশ আব্দুল কাদেৰৰ আদালতে বি এন এছ ১০৩ ধাৰাৰ অধীনত এই ৰায়দান প্ৰদান কৰে। উল্লেখ্য যে বিগত ২০২৫ বৰ্ষৰ ১৯ এপ্ৰিলত বৃটিছ হাজঙে দাৰে নিজ পত্নী বৈজন্তী হাজঙৰ শিৰশ্চেদ কৰি চিন্ন মুণ্ডটো এখন মোনাত ভৰাই বল্লামগুৰী উপ-আৰক্ষী চকীত আত্ম সমৰ্পন কৰিছিল। ইয়াৰ পৰৱৰ্তী আৰক্ষীয়ে পত্নীহন্তা বৃটিছ হাজঙক গ্ৰেপ্তাৰ কৰি ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰাৰ লগতে জেললৈ প্ৰেৰণ কৰিছিল।

## সম্পাদকীয়

# বিৰোধী দলপতিৰ পদ স্পষ্ট, কিন্তু অধ্যক্ষৰ সিদ্ধান্তই চূড়ান্ত

২০২৬ বৰ্ষৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছে শোচনীয় পৰাজয় স্বীকাৰ কৰাৰ পাছত ৰাজ্যজুৰি এটা প্ৰশ্নই সকলোৰে মনত দ্বিধাৰ সৃষ্টি কৰিছিল— অসম বিধানসভাত বিৰোধী দলপতি নাথাকিব নেকি? কাৰণ নিৰ্বাচনী ফলাফলত কংগ্ৰেছে যদিও ১৯খন আসন লাভ কৰিছে, তথাপি এনেকুৱা চৰ্চা হৈছিল যে ন্যূনতম যোগ্যতাৰ অভাৱত বিৰোধী দলপতিৰ পদ শূন্য হৈ পৰিব। কিন্তু বিধানসভা সচিবালয়ে সম্প্ৰতি এই চৰ্চাক নাকচ কৰি দি জনসাধাৰণক কিছু পৰিমাণে সঁকাহ দিছে। ইতিহাসলৈ চকু দিলে দেখা যায়, আগতে বিৰোধী দলপতিৰ মৰ্যাদাৰ বাবে মুঠ বিধায়ক সংখ্যাৰ এক-ষষ্ঠাংশ (১/৬) অৰ্থাৎ ২১ গৰাকী বিধায়কৰ প্ৰয়োজন আছিল। কিন্তু পাছত নিয়ম সংশোধন কৰি এক-দশমাংশ (১/১০) কৰা হয়। তাৰ প্ৰকৃত অৰ্থ হৈছে— ১৩ গৰাকী বিধায়ক থাকিলেই এটা দলে বিৰোধী দলপতিৰ পদ পাবলৈ যোগ্যতা অৰ্জন কৰে। সেইহিচাপে কংগ্ৰেছৰ ১৯ গৰাকী বিধায়ক স্পষ্টভাৱে যোগ্য। সচিব দুলাল চন্দ্ৰ পেগুৱে স্পষ্ট কৰি দিছে যে পৰম্পৰাগতভাৱে ১৩ গৰাকী সদস্য থকা দলক বিৰোধী দলপতি দিয়াটো বাঞ্ছনীয় বুলি গণ্য কৰা হয়।

তথাপি এটা জটিলতা আছে। এই পদ দিয়াটো বাধ্যতামূলক নহয়। চূড়ান্ত ক্ষমতা বিধানসভাৰ অধ্যক্ষৰ হাতত। অধ্যক্ষই ইচ্ছা কৰিলে দিবও পাৰে, ইচ্ছা নকৰিলে নিদিবও পাৰে। এই বাবে সচেতন ৰাইজৰ মনত বহু প্ৰশ্নৰ উদয় হৈছে। অধ্যক্ষৰ নিৰপেক্ষতা কিমান? ৰাজনৈতিক দলৰ প্ৰভাৱৰ বাহিৰত থাকি তেওঁ সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব নে? কাৰণ অধ্যক্ষ পদৰ বাবে বিজেপি নেতৃত্বাধীন এন ডি এ জোটে প্ৰাক্তন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসক প্ৰাৰ্থী হিচাপে আগবঢ়াইছে। এনে পৰিস্থিতিত চৰকাৰী দলৰ সমৰ্থনত অধ্যক্ষ নিৰ্বাচিত হ'লে বিৰোধী দলক ন্যায্য মৰ্যাদা দিয়াত তেওঁ কিমান সক্ষম হ'ব, সেইটো প্ৰশ্নবোধক হৈয়েই থাকিব।

ইপিনে কংগ্ৰেছ দলৰ বৰ্তমান গঠনটোও চিন্তনীয়। ১৯ গৰাকী বিধায়কৰ ভিতৰত ১৮ গৰাকী সংখ্যালঘু সম্প্ৰদায়ৰ আৰু মাত্ৰ এগৰাকী হিন্দু বিধায়ক। এনে অৱস্থাত দলটোৰ ভিতৰৰ পৰা কোনে নেতৃত্ব ল'বলৈ ওলাই আহিব, আৰু অধ্যক্ষই তেনে নেতাক বিৰোধী দলপতিৰ স্বীকৃতি দিবনে, সেইটো অধিক চৰ্চিত বিষয়। বিগত দিনত ২৯ গৰাকী বিধায়ক থকা কংগ্ৰেছ দলৰ বিৰোধী দলপতি আছিল নাজিৰাৰ দেৱব্ৰত শইকীয়া। কিন্তু এইবাৰ তেওঁ পৰাজিত হৈছে। গতিকে নতুন নেতা নিৰ্বাচন কৰাটো কংগ্ৰেছৰ বাবে আন এক পৰীক্ষা।

আগন্তুক ২১ মে'ৰ পৰা অসম বিধানসভাৰ চাৰিদিনীয়া অধিৱেশন আৰম্ভ হ'ব। প্ৰথম দিনাই নৱনিৰ্বাচিত বিধায়কসকলে শপত গ্ৰহণ কৰিব। প্ৰ'টেম অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে শপত বাক্য পাঠ কৰোৱাৰ পিছতে অধ্যক্ষ নিৰ্বাচন অনুষ্ঠিত হ'ব। অধ্যক্ষ নিৰ্বাচিত হোৱাৰ লগে-লগে তেখেতে বিৰোধী দলপতিৰ পদ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিব। সাধাৰণ ৰাইজে আশা কৰে যে এই সিদ্ধান্ত যাতে গণতান্ত্ৰিক মৰ্যাদা ৰক্ষা কৰি লোৱা হয়। কাৰণ এটা শক্তিশালী বিৰোধী দলক বিনা বাধাত কাম কৰিবলৈ দিয়াই স্বাস্থ্যকৰ গণতন্ত্ৰৰ প্ৰথম চৰ্ত। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰি দায়িত্ব লোৱাৰ পিছতে নতুন চৰকাৰৰ প্ৰথম অধিৱেশনখন অতি গুৰুত্বপূৰ্ণ। বিধানসভাৰ কাৰ্য্য পদ্ধতি যাতে সুস্থ আৰু গতিশীল হয়, তাৰ বাবে অধ্যক্ষ আৰু বিৰোধী দলপতিৰ ভূমিকা অমূল্য। কংগ্ৰেছে বিধি অনুসৰি বিৰোধী দলপতিৰ পদ পাবলৈ সম্পূৰ্ণ যোগ্য। এতিয়া অধ্যক্ষৰ বিবেক আৰু ন্যায়বুদ্ধিয়েই নিৰ্ধাৰণ কৰিব যে অসমৰ লোকসভাত কণ্ঠৰুদ্ধ বিৰোধী নাথাকে নে এজন সক্ৰিয় সংসদীয় নেতাৰ উপস্থিতি বিৰাজমান থাকে।

আমি আশা কৰিম, অধ্যক্ষে বিধানসভা সচিবালয়ে উল্লেখ কৰা সংশোধিত নিয়ম আৰু পৰম্পৰাৰ পোহৰত ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰি জনআস্থা অটুট ৰাখে। কাৰণ যিকোনো পৰিস্থিতিতে গণতন্ত্ৰৰ স্বাৰ্থ সৰ্বোপৰি।

# অসীম প্ৰত্যাশা আৰু সৰ্বাংগীণ উন্নয়নৰ পথচিত্ৰ



নলিনী ৰঞ্জন ভূঞা

*পৰিৱেশ সংৰক্ষণ এক বাধ্যতামূলক কৰ্মলৈ পৰিণত হৈছে। অবাধ বনাঞ্চল ধ্বংস আৰু পাহাৰ কটাৰ ফলত আমাৰ পৰিৱেশতন্ত্ৰৰ যি ক্ষতি হৈছে, তাৰ ফলাফল আমি ইতিমধ্যে ভোগ কৰিবলৈ আৰম্ভ কৰিছোঁ। চৰকাৰে কঠোৰ আইনৰ জৰিয়তে বনাঞ্চল আৰু বন্যপ্ৰাণী সুৰক্ষিত কৰিব লাগে। প্লাষ্টিকমুক্ত সমাজ গঠনৰ বাবে কেৱল আইন নহয়, বৰঞ্চ জনসজাগতা সৃষ্টি কৰিব লাগিব। প্ৰতিটো উন্নয়নমূলক প্ৰকল্প ৰূপায়ণ কৰাৰ আগতে তাৰ পৰিৱেশৰ ওপৰত পৰিব পৰা প্ৰভাৱ সঠিকভাৱে নিৰূপণ কৰিব লাগিব। সমাজত মহিলা আৰু শিশুৰ নিৰাপত্তা সুনিশ্চিত হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। মহিলাসকলক অৰ্থনৈতিকভাৱে সৱল কৰিবলৈ আত্মসহায়ক গোটসমূহক অধিক শক্তিশালী কৰিব লাগে।*

গণতন্ত্ৰত প্ৰকৃত শক্তি নিহিত থাকে জনসাধাৰণৰ হাতত। নিৰ্বাচনৰ জৰিয়তে জনতাই যি ৰায়দান কৰে, সেয়া কেৱল এটা চৰকাৰ সলনি কৰাৰ প্ৰক্ৰিয়া নহয়, বৰঞ্চ নিজৰ আৰু দেশৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ লগতে আশা-আকাংক্ষাৰ এক নতুন প্ৰতিফলন। আজি নতুন চৰকাৰৰ শপত গ্ৰহণৰ এই ঐতিহাসিক দিনটোত সৰ্বপ্ৰথমে, নতুন চৰকাৰখনলৈ আমি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। যি বিশ্বাস আৰু আস্থাৰে ৰাইজে চৰকাৰখনক শাসনৰ বাঘজৰী অৰ্পণ কৰিছে, সেই বিশ্বাসৰ মৰ্যাদা ৰক্ষা কৰাটোৱেই হ'ব নতুন চৰকাৰৰ প্ৰাথমিক কৰ্তব্য। এখন সফল চৰকাৰ কেৱল সংখ্যাগৰিষ্ঠতাৰ ওপৰত ভিত্তি কৰি নহয়, বৰঞ্চ জনসাধাৰণৰ অন্তৰ জয় কৰাৰ ক্ষমতাৰ ওপৰতহে প্ৰতিষ্ঠিত হয়। সেয়েহে, এই নতুন যাত্ৰা হওক উন্নয়নৰ, শান্তিৰ আৰু এক সৰ্বাংগীণ সমৃদ্ধিৰ। আজিৰ এই শুভ ক্ষণত নৱ গঠিত দায়িত্বশীল চৰকাৰ খনক বিনম্ৰতাৰে ৰূপায়ণ কৰিব লগা কেতবোৰ বিষয়ৰ ওপৰত দৃষ্টি দিবৰ বাবে আহ্বান জনাইছো।

ঈশ্বৰৰ নামত শপত গ্ৰহণৰে শাসনৰ বাঘজৰী হাতত লোৱা নতুন চৰকাৰখনৰ ওপৰত ৰাইজৰ প্ৰত্যাশা আকাশলংঘী। অহা পাঁচবছৰীয়া শাসনকালৰ বাবে জনপদে চৰকাৰক যি আশীৰ্বাদ দিছে, সেই জনপদৰ প্ৰতিটো সমস্যাৰ সমাধান আৰু প্ৰতিজন নাগৰিকৰ সুখ-সুবিধা প্ৰদানৰ দায়িত্ব এতিয়া চৰকাৰৰ হাতত। এখন জনমুখী চৰকাৰৰ প্ৰধান লক্ষণ হ'ল—ই জনতাৰ দ্বাৰা, জনতাৰ বাবে আৰু জনতাৰ চৰকাৰ। গতিকে, চৰকাৰে 'জনতাৰ চৰকাৰ' হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ হ'লে প্ৰতিটো খোজতে জনবিশ্বাস অৰ্জন কৰিব লাগিব। জনসাধাৰণৰ সমস্যাসমূহ কেৱল শুনাটোৱেই পৰ্যাপ্ত নহয়, সেইবোৰ অতি তৎপৰতাৰে সমাধান কৰাটো অত্যন্ত প্ৰয়োজনীয়। চৰকাৰী কাৰ্যালয়সমূহৰ দুৱাৰ সাধাৰণ জনতাৰ বাবে সদায় উন্মুক্ত থাকিব লাগে, যাতে এজন দুখীয়া মানুহেও নিজৰ সমস্যাটো নিসংকোচে জনাব পাৰে। ইয়াৰ লগতে, প্ৰশাসনত স্বচ্ছতা আৰু জবাবদিহিতা নিশ্চিত কৰিব লাগিব। যিকোনো চৰকাৰৰ সফলতাক জোখাৰ আটাইতকৈ ডাঙৰ মাপকাঠিটো হ'ল 'জনবিশ্বাস'। জনসাধাৰণে যেতিয়া অনুভৱ কৰে যে চৰকাৰখন তেওঁলোকৰ আপোন, তেতিয়াই গণতন্ত্ৰ সাৰ্থক হয়। প্ৰশাসনৰ প্ৰতিটো স্তৰত স্বচ্ছতা নিশ্চিত কৰিব পৰাতো এখন চৰকাৰ ডাঙৰ সফলতা। 'দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা' কেৱল ফাইলৰ পাতত সীমাবদ্ধ নাৰাখি ইয়াক কাৰ্যকৰী কৰিব লাগিব। দুৰ্নীতিমুক্ত আৰু কৰ্মসংস্কৃতিৰে পুষ্ট এটা প্ৰশাসনিক তন্ত্ৰইহে এখন সমাজক প্ৰকৃত উন্নয়নৰ দিশলৈ লৈ যাব পাৰে। জনগণৰ সমস্যা শুনা আৰু সেইবোৰ তৎপৰতাৰে সমাধান কৰাটো এক শক্তিশালী প্ৰশাসনৰ পৰিচয়। বহু সময়ত দেখা যায় যে চৰকাৰী আঁচনিবোৰ ঘোষণা কৰা হয় যদিও সেইবোৰৰ সুফল প্ৰকৃত হিতাধিকাৰীৰ ওচৰলৈ যাওঁতে বহুত সময় লাগে। এই লেহেমীয়া গতিয়ে জনসাধাৰণৰ মনত ক্ষোভৰ সৃষ্টি কৰে। সেয়েহে, নতুন চৰকাৰে এক 'দ্ৰুত সমাধান প্ৰকোষ্ঠ' গঠন কৰা উচিত, য'ত সাধাৰণ ৰাইজে তেওঁলোকৰ অভিযোগসমূহ পোনে পোনে জনাব পাৰে।

লগতে এক নিৰ্দিষ্ট সময়ৰ ভিতৰত সেইবোৰৰ যাতে নিস্পত্তি হয় তাৰ বাবেও চকু দিব লাগে। ৰাজহুৱা শুনানিৰ জৰিয়তে মন্ত্ৰী আৰু বিধায়কসকলে পোনপটীয়াকৈ ৰাইজৰ মাজলৈ গৈ তেওঁলোকৰ অভাৱ-অভিযোগসমূহৰ বুজ লোৱাটো এক সুস্থ পৰম্পৰা হিচাপে প্ৰতিষ্ঠা হ'ব লাগে।

অসমৰ দৰে এখন সম্পদশালী ৰাজ্যৰ বাবে অৰ্থনৈতিক স্বাৱলম্বিতা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। আমাৰ ৰাজ্যখনত প্ৰচুৰ প্ৰাকৃতিক সম্পদ থকাৰ পিছতো আজিও আমি বহিঃৰাজ্যৰ ওপৰত নিৰ্ভৰশীল হৈ আছোঁ। চৰকাৰে স্থানীয় উৎপাদন বৃদ্ধিৰ বাবে এক বিশেষ আঁচনি গ্ৰহণ কৰিব লাগে। কৃষিভিত্তিক উদ্যোগ, হস্তশিল্প আৰু হস্ততাঁত উদ্যোগক নতুন ৰূপত সজাই তুলিব লাগিব। আমাৰ থলুৱা সামগ্ৰীসমূহে যাতে বিশ্বৰ বজাৰত স্থান পায়, তাৰ বাবে সঠিক বিপণন আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ অপৰিহাৰ্য। থলুৱা উদীয়মান উদ্যোগীসকলক সহজ চৰ্তত ঋণ প্ৰদান কৰি তেওঁলোকক উদ্যোগ স্থাপনত উৎসাহ যোগাব লাগে। অৰ্থনৈতিক সমৃদ্ধিৰ মূল চালিকাশক্তি হ'ল আমাৰ কৃষকসকল। চৰকাৰে কেৱল কৃষি সঁজুলি বিতৰণতে ক্ষান্ত নাথাকি কৃষকৰ উৎপাদিত ফচলৰ 'ন্যূনতম সমৰ্থন মূল্য' নিশ্চিত কৰিব লাগিব। মধ্যভোগীৰ কবলৰ পৰা কৃষকক মুক্ত কৰি তেওঁলোকৰ কষ্টৰ উচিত মূল্য পোনপটীয়াকৈ বেংক একাউণ্টত জমা হোৱাৰ ব্যৱস্থা কৰিলেহে প্ৰকৃত অৰ্থত কৃষি বিপ্লৱ সম্ভৱ হ'ব। প্ৰশাসনক অধিক জনমুখী কৰিবলৈ 'ডিজিটেল প্ৰশাসন'ৰ সম্পূৰ্ণ সজাগ প্ৰয়োগৰ প্ৰয়োজন, যাতে চৰকাৰী আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত সাধাৰণ ৰাইজে কোনো মধ্যভোগীৰ ওচৰ চপিবলগীয়া নহয়। বিশেষকৈ কৃষকৰ উৎপাদিত সামগ্ৰী চৰকাৰে পোনপটীয়াকৈ ক্ৰয় কৰাৰ এক ডিজিটেল ব্যৱস্থা সুনিশ্চিত কৰিব লাগে, যাতে তেওঁলোকৰ কষ্টৰ উচিত মূল্য কোনো ধৰণৰ বিলম্ব নোহোৱাকৈ পোনপটীয়াভাৱে বেংক একাউণ্টত জমা হয়।

শিক্ষা হ'ল এখন সমাজৰ মেৰুদণ্ড। চৰকাৰী বিদ্যালয়সমূহৰ অৱস্থা উন্নত নকৰিলে সমাজৰ নিম্নবিত্ত শ্ৰেণীৰ লোকসকলৰ উন্নতি অসম্ভৱ। কেৱল বিদ্যালয়ৰ পকী দেৱাল আৰু ঘৰ সাজিলেই নহ'ব, বৰঞ্চ শিক্ষাৰ গুণগত মান বৃদ্ধি কৰিব লাগিব। প্ৰতিখন বিদ্যালয়ত বিজ্ঞানাগাৰ, পুথিভঁৰাল আৰু কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা থাকিব লাগে। শিক্ষকসকলক আধুনিক শিক্ষাদান পদ্ধতিৰ প্ৰশিক্ষণ দিয়াটো জৰুৰী। উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহক গৱেষণাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব লাগিব। আমাৰ শিক্ষাৰ্থীসকলে যাতে কেৱল পাঠ্যপুথিৰ জ্ঞানতে সীমাবদ্ধ নাথাকি আধুনিক বিশ্বৰ সৈতে ফেৰ মাৰিব পৰা দক্ষতা অৰ্জন কৰিব পাৰে, চৰকাৰে তাৰ বাবে সুদূৰপ্ৰসাৰী পৰিকল্পনা কৰিব লাগিব।

শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ লগতে ৰাজ্যৰ মেধাবী যুৱক-যুৱতীসকলৰ 'প্ৰতিভাৰ বহিৰ্গমন' ৰোধ কৰাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে উচ্চ শিক্ষাৰ বাবে বা কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ ঢাপলি মেলিবলগীয়া নহয়, তাৰ বাবে ৰাজ্যৰ ভিতৰতে বিশ্বমানৰ গৱেষণা কেন্দ্ৰ আৰু উপযুক্ত উদ্যোগিক পৰিৱেশ গঢ়ি তোলাটোত নতুন চৰকাৰে অগ্ৰাধিকাৰ দিয়া উচিত।

নিবনুৱা সমস্যা আমাৰ ৰাজ্যৰ এক অতি জটিল সমস্যা। যিহেতু চৰকাৰী চাকৰিৰ সংখ্যা সীমিত, সেয়েহে চৰকাৰে আত্মসংস্থাপনৰ পথ মুকলি কৰাত অধিক গুৰুত্ব দিব লাগিব। কুটিৰ উদ্যোগ, মীন পালন, পশুপালন আৰু পৰ্যটন খণ্ডত নিয়োগৰ অপৰিসীম সম্ভাৱনা নথকা নহয়। এই সম্ভাৱনাসমূহক বাস্তৱত ৰূপায়িত কৰিবলৈ হ'লে উপযুক্ত কাৰিকৰী শিক্ষাৰ প্ৰয়োজন। দক্ষতা বিকাশ কেন্দ্ৰসমূহক অধিক সক্ৰিয় কৰি তুলি আমাৰ যুৱ প্ৰজন্মক স্বাৱলম্বী কৰি তুলিব লাগিব। অসমৰ অনন্য প্ৰকৃতি আৰু চহকী সাংস্কৃতিক ঐতিহ্যক বিশ্ব দৰবাৰত সঠিকভাৱে উপস্থাপন কৰিলে পৰ্যটন খণ্ডই ৰাজ্যৰ অৰ্থনীতিৰ আমূল পৰিবৰ্তন আনিব পাৰিব। আমাৰ থলুৱা উৎসৱ-পাৰ্বন, সত্ৰীয়া সংস্কৃতি আৰু জনগোষ্ঠীয় পৰম্পৰাসমূহক কেন্দ্ৰ কৰি গঢ়ি উঠা 'গ্ৰাম্য পৰ্যটন' খণ্ডই থলুৱা যুৱক-যুৱতীসকলক স্বাৱলম্বী হোৱাৰ এক সুন্দৰ মঞ্চ প্ৰদান কৰিব বুলি আশা কৰিব পাৰি।

চিকিৎসা সেৱা প্ৰতিজন নাগৰিকৰ মৌলিক অধিকাৰ। চৰকাৰী চিকিৎসালয়সমূহক অত্যাধুনিক সা-সুবিধাৰে সজ্জিত কৰিব লাগে যাতে সাধাৰণ মানুহে কম খৰচতে উন্নত চিকিৎসা লাভ কৰিব পাৰে। জৰুৰীকালীন চিকিৎসা আৰু জটিল ৰোগৰ বাবে প্ৰয়োজনীয় সা-সুবিধা সুলভ কৰিব লাগিব। কেন্সাৰ, বৃক্কৰ ৰোগ বা হৃদৰোগৰ দৰে ব্যয়বহুল চিকিৎসাৰ বাবে জনসাধাৰণে যাতে নিজৰ মাটি-ভেটি বিক্ৰী কৰিবলগীয়া নহয়, চৰকাৰে তাৰ ব্যৱস্থা কৰিব লাগে। গাঁৱৰ স্বাস্থ্য কেন্দ্ৰসমূহ সক্ৰিয় কৰি তোলাটো জৰুৰী। চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ অভাৱ দূৰ কৰি প্ৰতিজন নাগৰিকৰ স্বাস্থ্যৰ সুৰক্ষা নিশ্চিত কৰিব লাগিব। অসমৰ অৰ্থনীতিৰ বাবে আটাইতকৈ ডাঙৰ বাধা হ'ল বানপানী আৰু খহনীয়া। প্ৰতিবছৰে হেজাৰ হেজাৰ হে''ৰ কৃষিভূমি আৰু সম্পত্তি নদীৰ বুকুত বিলীন হৈ যায়। চৰকাৰে বানপানীৰ সমাধানৰ বাবে কেৱল মথাউৰি নিৰ্মাণতে সীমাবদ্ধ নাথাকি নদীসমূহৰ খনন আৰু বিজ্ঞানসন্মত জল ব্যৱস্থাপনাৰ ওপৰত গুৰুত্ব দিব লাগে। বানপানীৰ ফলত হোৱা ক্ষতিৰ পুনৰুদ্ধাৰৰ বাবে এক বিশেষ পুঁজি গঠন কৰিব লাগে। এই সমস্যাটোক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে স্বীকৃতি দি কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰ্যাপ্ত সাহায্য আৰু কাৰিকৰী সহযোগিতা আদায় কৰাটোতো আমাৰ চৰকাৰে সৰ্বাধিক গুৰুত্ব দিয়া উচিত।

পৰিৱৰ্তিত জলবায়ুৰ পৰিপ্ৰেক্ষিতত পৰিৱেশ সংৰক্ষণ এতিয়া বিকল্প ব্যৱস্থা হৈ থকা নাই। পৰিৱেশ সংৰক্ষণ এক বাধ্যতামূলক কৰ্মলৈ পৰিণত হৈছে। অবাধ বনাঞ্চল ধ্বংস আৰু পাহাৰ কটাৰ ফলত আমাৰ পৰিৱেশতন্ত্ৰৰ যি ক্ষতি হৈছে, তাৰ ফলাফল আমি ইতিমধ্যে ভোগ কৰিবলৈ আৰম্ভ কৰিছোঁ। চৰকাৰে কঠোৰ আইনৰ জৰিয়তে বনাঞ্চল আৰু বন্যপ্ৰাণী সুৰক্ষিত কৰিব লাগে। প্লাষ্টিকমুক্ত সমাজ গঠনৰ বাবে কেৱল আইন নহয়, বৰঞ্চ জনসজাগতা সৃষ্টি কৰিব লাগিব। প্ৰতিটো উন্নয়নমূলক প্ৰকল্প ৰূপায়ণ কৰাৰ আগতে তাৰ পৰিৱেশৰ ওপৰত পৰিব পৰা প্ৰভাৱ সঠিকভাৱে নিৰূপণ কৰিব লাগিব। সমাজত মহিলা আৰু শিশুৰ নিৰাপত্তা সুনিশ্চিত হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। মহিলাসকলক অৰ্থনৈতিকভাৱে সৱল কৰিবলৈ আত্মসহায়ক গোটসমূহক অধিক শক্তিশালী কৰিব লাগে। বৃদ্ধ, বিধৱা আৰু দিব্যাংগ লোকসকলৰ বাবে থকা সামাজিক সুৰক্ষা আঁচনিসমূহৰ সুবিধা যাতে কোনো ধৰণৰ মধ্যভোগী নোহোৱাকৈ পোনপটীয়াকৈ হিতাধিকাৰীৰ ওচৰ পায়, তাক নিৰীক্ষণ কৰিব লাগিব। আমাৰ সমাজৰ পৰা ড্ৰাগছ আৰু মাদক দ্ৰব্যৰ ক্ৰমবৰ্ধমান প্ৰচলন ৰোধ কৰিবলৈ চৰকাৰে এক বিশেষ অভিযান চলাব লাগে। ৰাস্তা-ঘাট, বিজুলী-চাকি আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিয়েই হ'ল আধুনিকতাৰ চাবিকাঠি। গাঁৱৰ পৰা চহৰলৈকে যাতায়ত ব্যৱস্থা সুচল কৰি তুলিব লাগে। ইয়াৰ ফলত যাতায়তৰ সুবিধা হোৱাৰ লগতে ব্যৱসায়-বাণিজ্যৰো প্ৰসাৰ ঘটিব। সম্প্ৰতি ডিজিটেল বিপ্লৱৰ এই সময়ছোৱাত ৰাজ্যখনৰ সৰ্বত্ৰ উচ্চ গতিৰ ইণ্টাৰনেট আৰু প্ৰযুক্তিৰ সুবিধা উপলব্ধ কৰাটো প্ৰয়োজনীয়। সুলভ মূল্যত বিজুলী আৰু বিশুদ্ধ খোৱাপানী যোগানৰ দৰে মৌলিক বিষয়সমূহৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰিব নালাগে।

পৰিশেষত ক'ব পাৰি যে, জনতাৰ বিশ্বাসেই হ'ল চৰকাৰৰ আটাইতকৈ ডাঙৰ শক্তি। চৰকাৰৰ প্ৰতিটো কাৰ্যত জনস্বাৰ্থই প্ৰাধান্য পোৱাটো নিশ্চিত হব লাগে। সমালোচনা গণতন্ত্ৰৰ এক ভূষণ, সেয়েহে গঠনমূলক সমালোচনাক চৰকাৰে সন্মান কৰা উচিত। আমি আশা কৰিছোঁ, এই নতুন চৰকাৰখনে অসমক এক নতুন মাত্ৰা প্ৰদান কৰিব। সকলো ধৰণৰ সংকীৰ্ণ ৰাজনীতিৰ উৰ্ধত গৈ 'সকলোৰে উন্নয়ন আৰু সকলোৰে সুখ'— এই মূলমন্ত্ৰৰে চৰকাৰখনে আগুৱাই যাবলৈ সমৰ্থ হব। জনতাৰ চৰকাৰ হিচাপে ৰাইজৰ হৃদয়ত বিশ্বাস অৰ্জন কৰাই হওক এই যাত্ৰাৰ প্ৰধান সফলতা। অসমীয়া জাতিৰ ভাষা, সংস্কৃতি আৰু পৰিচয় সুৰক্ষিত ৰাখি এক সমৃদ্ধিশালী অসম গঢ়াৰ বাবে আমি সকলোৱে চৰকাৰৰ সহযোগী হোৱাটো একান্ত কাম্য হোৱা উচিত। জনস্বাৰ্থত কাম কৰাই হওক নতুন চৰকাৰৰ একমাত্ৰ ব্ৰত।



# মূল্যবৃদ্ধি আৰু ৰাইজৰ কৰণীয়

ৰাজু কলিতা

সাম্প্ৰতিক সময়ৰ আটাইতকৈ স্পৰ্শকাতৰ আৰু ভয়াবহ সামাজিক-অৰ্থনৈতিক সমস্যাটোৱেই হৈছে বজাৰৰ অনিয়ন্ত্ৰিত আৰু অস্বাভাৱিক মূল্যবৃদ্ধি, যিয়ে দেশৰ তথা ৰাজ্যৰ প্ৰতিগৰাকী সৰ্বসাধাৰণ নাগৰিকৰ বুকুত হাহাকাৰৰ সৃষ্টি কৰিছে। পুৱা শুই উঠি চাহ একাপ খোৱাৰ পৰা আৰম্ভ কৰি নিশা শুবলৈ যোৱালৈকে মানুহে যিবোৰ সামগ্ৰী ব্যৱহাৰ কৰে, সেই সকলোবোৰৰে মূল্য এতিয়া আকাশলংঘী। চাউল, দাইল, মিঠাতেল, শাক-পাচলি, নিমখ-চেনিৰ দৰে নিত্য-ব্যৱহাৰ্য খাদ্যবস্তুৰ পৰা আৰম্ভ কৰি জীৱনদায়িনী ঔষধ-পাতি, শিশুৰ খাদ্য, শিক্ষাৰ সামগ্ৰী, আৰু পৰিবহণৰ প্ৰধান মাধ্যম ইন্ধন অৰ্থাৎ পেট্ৰ'ল-ডিজেল তথা ৰন্ধন গেছৰ অভূতপূৰ্ব দৰবৃদ্ধিয়ে সাধাৰণ মানুহৰ জীৱনযাত্ৰা স্তব্ধ কৰি পেলাইছে। বিশেষকৈ থিতাপি লগা বা সীমিত উপাৰ্জন থকা মধ্যবিত্ত, নিম্ন-মধ্যবিত্ত, দিনহাজিৰা কৰা শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ মানুহৰ বাবে এতিয়া দুবেলা দুমুঠি অন্ন যোগাৰ কৰাটোৱেই এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। এই ক্ৰমবৰ্ধমান মূল্যবৃদ্ধিৰ অন্তৰালত কেৱল কোনো এটা নিৰ্দিষ্ট কাৰণ নিহিত হৈ থকা নাই, বৰং ই এক বহুমাত্ৰিক সমস্যা। আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্যৰ উত্থান-পতন, গোলকীয় অৰ্থনীতিৰ অস্থিৰতা, উদ্যোগিক উৎপাদন ব্যয় বৃদ্ধি আদিৰ দৰে সামষ্টিক কাৰণসমূহ যেনে সত্য, ঠিক তেনেকৈয়ে আমাৰ দেশীয় বা স্থানীয় বজাৰ ব্যৱস্থাত থকা সুৰুঙাসমূহো সমানেই দায়ী। প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী বা খৰাঙৰ বাবে কেতিয়াবা কৃষিজাত সামগ্ৰীৰ উৎপাদন হ্ৰাস পায় আৰু ইয়াৰ ফলত যোগান ব্যাহত হৈ মূল্য বৃদ্ধি পায়। কিন্তু আটাইতকৈ উদ্বেগজনক আৰু মাৰাত্মক কাৰণটো হৈছে এচাম অসাধু, অতি-লোভী ব্যৱসায়ী, ক'লা বজাৰী আৰু মধ্যভোগী দালালৰ চক্ৰান্ত। এই ছিণ্ডিকেটে কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি, সামগ্ৰী গুডামত অবৈধভাৱে মজুত কৰি ৰাখে আৰু বজাৰত চাহিদা তুংগত উঠিলে নিজ খেয়াল-খুচি মতে চৰা দামত বিক্ৰী কৰি নিশাৰ ভিতৰতে কোটিপতি হোৱাৰ দৌৰত নামি পৰে। চৰকাৰ আৰু প্ৰশাসনে সময়ে সময়ে নীতি-নিৰ্দেশনা জাৰি কৰে যদিও এক ফলপ্ৰসূ, স্থায়ী আৰু কঠোৰ তদাৰকী ব্যৱস্থাৰ অভাৱৰ বাবেই এই অসাধু চক্ৰটোক সম্পূৰ্ণৰূপে নাকী লগাবলৈ সক্ষম হোৱা নাই, যাৰ বাবে অধিক দাম ভৰিবলগীয়া হৈছে দুখীয়া গ্ৰাহকে। এনে এক জটিল অৰ্থনৈতিক সংকটৰ সময়ত কেৱল চৰকাৰৰ বা প্ৰশাসনৰ পদক্ষেপলৈ হাত সাৱটি আশাৰে বাট চাই বহি থাকিলে সাধাৰণ ৰাইজৰ দুৰ্দশা কেতিয়াও অন্ত নপৰে। এক সচেতন আৰু সজীৱ সমাজৰ নাগৰিক হিচাপে এই অন্যায় মূল্যবৃদ্ধিৰ বিৰুদ্ধে আৰু নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে আমাৰো বহুখিনি গুৰুত্বপূৰ্ণ কৰণীয় তথা সামাজিক দায়িত্ব আছে। সৰ্বপ্ৰথমে, গ্ৰাহক হিচাপে আমাৰ মাজত থকা উদাসীনতা আঁতৰাই সম্পূৰ্ণ সচেতনতা অৱলম্বন কৰিব লাগিব। বজাৰ কৰিবলৈ যাওঁতে প্ৰতিগৰাকী গ্ৰাহকে চৰকাৰীভাৱে নিৰ্ধাৰিত মূল্য তালিকা পৰীক্ষা কৰাটো বাধ্যতামূলক কৰিব লাগে আৰু বিক্ৰেতাক সঠিক বিল বা ৰচিদ খুজিব লাগে। যেতিয়াই কোনো অসাধু ব্যৱসায়ীয়ে নিৰ্ধাৰিত মূল্যতকৈ আধিক দাম দাবী কৰে বা ওজনত ফাঁকি দিয়ে, তেতিয়াই গ্ৰাহকে অকলশৰে নহয়, বৰং বজাৰত উপস্থিত থকা সকলোৱে একগোট হৈ তাৰ তীব্ৰ প্ৰতিবাদ কৰিব লাগিব। ব্যক্তিগত বা সন্মিলিত প্ৰতিবাদৰ উপৰিও প্ৰশাসনৰ কাষ চপা আমাৰ নাগৰিক কৰ্তব্য। বজাৰৰ এনে অনিয়ম দেখাৰ লগে লগে যোগান বিভাগ, স্থানীয় জিলা প্ৰশাসন বা গ্ৰাহক সুৰক্ষা মঞ্চৰ ওচৰত লিখিত বা ডিজিটেল মাধ্যমৰ জৰিয়তে তাৎক্ষণিক অভিযোগ দাখিল কৰিব লাগে, যাতে দোষীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। দ্বিতীয় কৰণীয় দিশটো হৈছে আমাৰ মানসিকতা আৰু ক্ৰয় অভ্যাসৰ পৰিৱৰ্তন কৰা। বহু সময়ত বজাৰত কোনো সামগ্ৰীৰ নাটনি হ'ব বুলি উৰাবাতৰি ওলালেই গ্ৰাহকৰ মাজত হাহাকাৰ লাগে আৰু মানুহে ভয় খাই প্ৰয়োজনীয়তাতকৈ অধিক সামগ্ৰী ক্ৰয় কৰি ঘৰত মজুত কৰিবলৈ লয়, যাক অৰ্থনীতিত 'পেনিক বায়িং' বুলি কোৱা হয়। গ্ৰাহকৰ এই মানসিক দুৰ্বলতাৰ সুযোগ লৈয়েই ক'লা বজাৰীসকলে নিমখ, আলু বা পিঁয়াজৰ দৰে সামগ্ৰীৰ দাম নিমিষতে দুগুণ-তিনিগুণ কৰি দিয়ে। গতিকে ৰাইজে তেনে উৰাবাতৰিত ভোল নগৈ ধৈৰ্য্য ধৰিব লাগে আৰু কেৱল দৈনিক প্ৰয়োজন সাপেক্ষেহে সীমিত পৰিমাণে সামগ্ৰী ক্ৰয় কৰাৰ অভ্যাস গঢ়িব লাগে, যাতে বজাৰত কৃত্ৰিম চাহিদাৰ সৃষ্টি হ'ব নোৱাৰে। ইয়াৰ সমান্তৰালভাৱে আমাৰ দৈনন্দিন জীৱনত মিতব্যয়িতাৰ প্ৰয়োগ অতি প্ৰয়োজনীয় হৈ পৰিছে। বিলাসীতা বা অপ্ৰয়োজনীয় খৰচসমূহ বৰ্জন কৰি, বিয়া-সবাহ বা বিভিন্ন সামাজিক অনুষ্ঠানত খাদ্যবস্তুৰ অপচয় সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে। ঘৰুৱা বাজেট সঠিকভাৱে পৰিচালনা কৰি অনাৱশ্যক খৰচৰ পৰা বিৰত থাকিলে মূল্যবৃদ্ধিৰ কোব কিছু পৰিমাণে চম্ভালিব পৰা যায়। তৃতীয় আৰু আটাইতকৈ ফলপ্ৰসূ দীৰ্ঘম্যাদী সমাধানটো হৈছে আত্মনিৰ্ভৰশীলতা আৰু থলুৱা উৎপাদনৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা। অসমৰ দৰে এখন কৃষিভিত্তিক আৰু উৰ্বৰ ভূমিসম্পন্ন ৰাজ্যত থকাৰ পিছতো যদি আমি কেৱল এটুপি সৰিয়হৰ তেল, এটা আলু বা এমুঠি জলকীয়াৰ বাবেও বহিঃৰাজ্যৰ আমদানিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়, তেন্তে বজাৰৰ চৰা দামৰ পৰা আমাক কোনেও ৰক্ষা কৰিব নোৱাৰে। এই নিৰ্ভৰশীলতা দূৰ কৰিবলৈ প্ৰতিঘৰ মানুহে নিজৰ সাধ্যানুসাৰে ঘৰৰ আশে-পাশে থকা খালি মাটি, চতিয়ান, বাৰী বা আনকি চহৰীয়া অঞ্চলৰ ঘৰৰ ছাদ আৰু টাবত বতৰকালীন শাক-পাচলিৰ খেতি কৰাৰ এক সৰ্বাত্মক আন্দোলন গঢ়ি তুলিব লাগিব। থলুৱাভাৱে উৎপাদিত সামগ্ৰীয়ে কেৱল যে আমাৰ স্বাস্থ্য সুৰক্ষিত কৰিব তেনে নহয়, ই বজাৰৰ ওপৰত থকা আমাৰ নিৰ্ভৰশীলতা বহুখিনি হ্ৰাস কৰিব। যেতিয়া আমাৰ নিজৰ থলুৱা উৎপাদন বৃদ্ধি পাব, তেতিয়া চহৰীয়া বজাৰলৈ অহা বহিঃৰাজ্যৰ ট্ৰাকৰ ওপৰত থকা দালাল বা মধ্যভোগী ছিণ্ডিকেটৰ একচেতিয়া প্ৰভাৱ আপোনাআপুনি ভাঙি পৰিব। গ্ৰাহকসকলেও থলুৱা কৃষকসকলে পোনপটীয়াকৈ বজাৰলৈ অনা সামগ্ৰী ক্ৰয় কৰাত অগ্ৰাধিকাৰ দিব লাগে, যাৰ ফলত কৃষকজনো আৰ্থিকভাৱে লাভৱান হ'ব আৰু গ্ৰাহকেও উচিত মূল্যত সতেজ সামগ্ৰী লাভ কৰিব। সৰ্বশেষত, মূল্যবৃদ্ধিৰ দৰে এক বৃহৎ সামাজিক ব্যাধিৰ সৈতে যুঁজিবলৈ হ'লে সমাজৰ যুৱ প্ৰজন্ম, স্থানীয় ক্লাব, গ্ৰাহক সুৰক্ষা সমিতি আৰু স্বেচ্ছাসেৱী সংগঠনসমূহে এক সক্ৰিয় আৰু পহৰাদাৰী ভূমিকা পালন কৰিব লাগিব। তেওঁলোকে মাজে-সময়ে স্থানীয় বজাৰসমূহত গৈ মূল্য তালিকা পৰীক্ষা কৰা, ক'লা বজাৰীৰ বিৰুদ্ধে সামাজিক সজাগতা সৃষ্টি কৰা আৰু প্ৰশাসনক চোকা নজৰ ৰখাত সহায় কৰা উচিত। কেৱল সামাজিক মাধ্যমত বা ঘৰৰ চ'ৰা ঘৰত বহি চৰকাৰক গালি-গালাজ পাৰি বা ক্ষোভ উজাৰিলেই বজাৰৰ জুইনুমুৱাব নোৱাৰি। তাৰ পৰিৱৰ্তে এক সচেতন নাগৰিক সমাজ গঠন কৰি সজাগতা, মিতব্যয়িতা, থলুৱা উৎপাদনৰ সংকল্প আৰু অন্যায়ৰ বিৰুদ্ধে একত্ৰিত সন্মিলিত প্ৰতিবাদৰ জৰিয়তেহে এই মৰণফান্দস্বৰূপ মূল্যবৃদ্ধিক প্ৰতিহত কৰি সমাজলৈ এক সুস্থিৰ আৰু সকাহদায়ক অৰ্থনৈতিক পৰিৱেশ ঘূৰাই অনাটো সম্ভৱ হ'ব।

# বাহিৰা কিতাপ আৰু বৰ্তমানৰ প্ৰজন্ম

অনামিকা দাস

"কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে। - জুবিন গাৰ্গ" এই কথাষাৰটো আমি বহুত শুনিছোঁ। কিন্তু, কিতাপ কিমানজনে পঢ়ে নো? হয়তো এশজনৰ ভিতৰত দহ বা পোন্ধৰজনে পঢ়ে! স্কুল-কলেজ শেষ মানেই যেন কিতাপৰ সৈতে সম্পৰ্কও শেষ। যেনেকৈ বন্ধু এজনৰ সৈতে কেতিয়াও আমাৰ সম্পৰ্ক শেষ নহয় ঠিক একেদৰে কিতাপ এখনৰ সৈতে আমাৰ সম্পৰ্কও শেষ নহয়। আচলতে কিতাপ আমাৰ বন্ধু। কেৱল যে স্কুল-কলেজৰ পাঠ্যক্ৰমত থকা কিতাপয়েই প্ৰয়োজনীয় তেনেকুৱা কথা নহয়। আচলতে বয়স অনুসৰি সকলো কিতাপ আমাৰ বাবে প্ৰয়োজনীয়। বিভিন্ন বিষয়ৰ কিতাপ পঢ়িব পাৰোঁ। কিতাপক অকলশৰীয়া সময়ৰ সংগী কৰি চাবচোন দেখিব তাতকৈ ভাল লগা কাম একোৱেই যেন নাই!

বৰ্তমান সময় সময় হৈছে ইণ্টাৰনেটৰ সময়। সামাজিক মাধ্যমৰ সময়। বৰ্তমান সময়ত সকলোৱে সামাজিক মাধ্যমৰ এক প্ৰতিযোগিতাত নামি পৰিছে। কিতাপ এখন কিনাৰ সলনি সামাজিক মাধ্যমৰ প্ৰয়োজনীয় (যিবোৰ আমাৰ দৈনন্দিন জীৱনত অপ্ৰয়োজনীয়)বস্তু কিনাত ব্যস্ত আজিৰ প্ৰজন্ম!

এতিয়াতো হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা শেষ হৈছে। কিমানজনে বাৰু এখন হ'লেও বাহিৰা কিতাপ পঢ়িছে! মামাৰ ঘৰত, পেহীয়েকৰ ঘৰত, কোনোবাই হয়তো ঘৰতে মোবাইল লৈ দিনৰ দিনটো পাৰ কৰিছে কিন্তু কিতাপ পঢ়িছে কিমানজনে? কিতাপ নপঢ়াৰ বাবে কেৱল ছাত্ৰ-ছাত্ৰীক দোষাৰোপ কৰিব নোৱাৰি ইয়াৰ বাবে অভিভাৱক সমানেই দায়ী। কিমানজন অভিভাৱকে বুকু দাঠি ক'ব পাৰিব যে নিজৰ ল'ৰা-ছোৱালীক পাঠ্যক্ৰমৰ কিতাপৰ উপৰিও বেলেগ এখন কিতাপ পঢ়াৰ সুযোগ দিছে। সকলো ঠাইলৈ লৈ যায় কিন্তু কিমানজনে নিজৰ ল'ৰা-ছোৱালীক বছৰৰ শেষত হোৱা গ্ৰন্থমেলালৈ এবাৰ হ'লেও লৈ যায়! কিতাপৰ সৈতে চিনাকি কৰায়! সৰুৰে পৰা ল'ৰা-ছোৱালীবোৰক হোমৱৰ্ক, স্কুল আদিৰ মাজত ইমানেই ব্যস্ত ৰাখে যে নিজৰ ভাল লগা কাম কৰিবলৈও সুযোগ নিদিয়ে। সৰুতে আজৰি সময়ত যদি এখন সাধু কিতাপ পঢ়িবলৈ দিয়ে ডাঙৰলৈ হয়তো কিতাপ পঢ়া অভ্যাস ৰৈ যাব! প্ৰথমে সাধু কিতাপ তাৰ পিছত বিজ্ঞান বিষয়ক, ৰহস্যজনক, কাহিনী, গল্প, উপন্যাস, আত্মজীৱনী, জীৱনীভিত্তিক, প্ৰবন্ধ আদি বিষয়ৰ কিতাপ পঢ়িবলৈ উৎসাহী হ'ব!

সৰুৰে পৰা কিতাপৰ সৈতে সম্পৰ্ক আৰু কিতাপ পঢ়াৰ ধাউতি বঢ়োৱাৰ দায়িত্ব আমাৰ ডাঙৰ সকলোৱে হয়!

# চৰকাৰ গঠন হোৱাৰ পিছতেই অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি

## জুৰুলা সাধাৰণ জনতা; বজাৰত হাহাকাৰ

**অসম বাৰ্তা, চেঙা, ১৬ মে’ ঃ** নতুন চৰকাৰ গঠন হোৱাৰ কিছুদিনৰ ভিতৰতে ৰাজ্যজুৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাৰ মাজত তীব্ৰ উদ্বেগৰ সৃষ্টি কৰিছে। চাউল, ডাইল, খোৱা তেল, আলু, পিয়াঁজ, শাক-পাচলি, মাছ-মাংসৰ লগতে গেছ চিলিণ্ডাৰৰ মূল্য বৃদ্ধি পোৱাত বিশেষকৈ মধ্যবিত্ত আৰু দৰিদ্ৰ পৰিয়ালসমূহ অধিক সংকটৰ সন্মুখীন হৈছে। প্ৰতিদিনে বজাৰত সামগ্ৰীৰ মূল্য বৃদ্ধি পাই থকাত গৃহস্থৰ ব্যয় বহুগুণে বৃদ্ধি পাইছে। বজাৰসমূহত দেখা গৈছে গ্ৰাহকৰ ভিৰ থাকিলেও বহুতে প্ৰয়োজনীয় সামগ্ৰী কম পৰিমাণে কিনিবলৈ বাধ্য হৈছে। বিশেষকৈ দৈনিক মজুৰি কৰি জীৱিকা নিৰ্বাহ কৰা লোকসকলৰ বাবে এই মূল্যবৃদ্ধি এক ডাঙৰ সমস্যা হিচাপে পৰিগণিত হৈছে। বহু গৃহিণীয়ে অভিযোগ কৰিছে যে আগতে যি টকাৰে এসপ্তাহৰ বজাৰ কৰিব পাৰিছিল, এতিয়া সেই টকাৰে কেইদিনো চলাব পৰা নাই। স্থানীয় বজাৰৰ ব্যৱসায়ীসকলে জনোৱা মতে, পৰিবহণ ব্যয় বৃদ্ধি, ইন্ধনৰ মূল্যবৃদ্ধি আৰু বহিঃৰাজ্যৰ পৰা সামগ্ৰী আমদানিত অধিক খৰচ হোৱাৰ ফলতেই সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে। আনহাতে কিছুমান ব্যৱসায়ীয়ে গোপনে অধিক লাভৰ আশাত সামগ্ৰী মজুত কৰি কৃত্ৰিম সংকট সৃষ্টি কৰাৰ অভিযোগো উত্থাপন হৈছে। ইফালে সাধাৰণ ৰাইজে অভিযোগ কৰিছে যে নিৰ্বাচনৰ সময়ত মূল্য নিয়ন্ত্ৰণ আৰু সাধাৰণ জনতাৰ স্বাৰ্থ ৰক্ষাৰ বহু প্ৰতিশ্ৰুতি দিয়া হৈছিল যদিও চৰকাৰ গঠন হোৱাৰ পিছতেই বজাৰত সম্পূৰ্ণ বিপৰীত পৰিস্থিতি দেখা গৈছে। বিৰোধী দলসমূহেও এই বিষয়ক লৈ চৰকাৰক তীব্ৰ সমালোচনা কৰি কয় যে মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। বিশেষকৈ গেছ চিলিণ্ডাৰৰ মূল্যবৃদ্ধিয়ে গৃহিণীসকলক অধিক সমস্যাত পেলাইছে। বহু পৰিয়ালে এতিয়া পুনৰ কাঠ বা কয়লাৰ চুলা ব্যৱহাৰ কৰিবলৈ বাধ্য হোৱা বুলি জানিব পৰা গৈছে। আনহাতে কণী আৰু মাছ-মাংসৰ দাম আকাশলংঘী হোৱাত বহু পৰিয়ালে খাদ্য তালিকাত কাটছাঁট কৰিবলগীয়া হৈছে। অৰ্থনীতিবিদসকলৰ মতে, বজাৰত সঠিক নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষণৰ অভাৱ, ইন্ধনৰ মূল্য বৃদ্ধি আৰু যোগান ব্যৱস্থাৰ সমস্যাই এই পৰিস্থিতিৰ সৃষ্টি কৰিছে। তেওঁলোকে চৰকাৰক তৎকালে বজাৰ নিৰীক্ষণ শক্তিশালী কৰা, মজুতদাৰী বন্ধ কৰা আৰু নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ আহ্বান জনাইছে। ইতিমধ্যে বিভিন্ন ঠাইত সাধাৰণ জনতাই মূল্যবৃদ্ধিৰ বিৰুদ্ধে অসন্তোষ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে। বহু সামাজিক সংগঠন আৰু ছাত্ৰ সংগঠনে চৰকাৰৰ হস্তক্ষেপ দাবী কৰি শীঘ্ৰে মূল্য নিয়ন্ত্ৰণ নকৰিলে আন্দোলনৰ হুংকাৰ দিছে। সাধাৰণ ৰাইজে আশা প্ৰকাশ কৰিছে যে চৰকাৰে শীঘ্ৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰি বজাৰৰ মূল্য নিয়ন্ত্ৰণ কৰিব আৰু জনসাধাৰণক এই দুৰ্ভোগৰ পৰা সকাহ দিব।

■ বৰপেটাৰ বিধায়ক দীপক কুমাৰ দাসক মন্ত্ৰিত্ব প্ৰদানৰ দাবী ■

# মুখ্যমন্ত্ৰীলৈ তিনি সত্ৰাধিকাৰৰ সামূহিক আহ্বান

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ মে’ ঃ** অসমৰ ধৰ্মীয় তথা সত্ৰীয় সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ বৰপেটাৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত একত্ৰিত হৈছে অঞ্চলটোৰ সত্ৰাধিকাৰসকলে বৰপেটাৰ বিধায়ক দীপক কুমাৰ দাসক মন্ত্ৰিত্ব প্ৰদানৰ দাবীত এক সংবাদমেল সম্বোধন কৰে। বৰপেটা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক দীপক কুমাৰ দাসক নতুন মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিবলৈ সত্ৰাধিকাৰসকলে অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সামূহিকভাৱে আহ্বান জনাইছে। এক সংবাদ মেলযোগে এই আহ্বান জনাইছে বৰপেটাৰ তিনি ঐতিহ্যমণ্ডিত সত্ৰৰ সত্ৰাধিকাৰে। আজি বৰপেটা সত্ৰত তিনি ঐতিহ্যমণ্ডিত সত্ৰৰ সত্ৰাধিকাৰ ক্ৰমে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস, সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰী আৰু শ্ৰীশ্ৰী দামোদৰদেৱৰ আদি ধাম পাটবাউসী সত্ৰৰ সত্ৰাধিকাৰ ভাস্কৰদেৱ গোস্বামীয়ে এক সংবাদমেল সম্বোধন কৰি চহকী ঐতিহ্য আৰু ধৰ্মীয় গুৰুত্ব থকা স্বত্বেও ‘সত্ৰ নগৰী’ হিচাপে খ্যাত বৰপেটা আজিও ৰাজ্যৰ অন্যান্য প্ৰান্তৰ তুলনাত উন্নয়নৰ দৌৰত পিছপৰি থকা বুলি আক্ষেপ প্ৰকাশ কৰে। তেওঁলোকে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত সমগ্ৰ অসমতে বিকাশৰ জোৱাৰ উঠিছে। কিন্তু বৰপেটাৰ আন্তঃগাঁথনি, উন্নত স্বাস্থ্য সেৱা আৰু যাতায়ত ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ বাবে এজন শক্তিশালীজন প্ৰতিনিধিৰ অভাৱ বাৰুকৈয়ে অনুভৱ হৈছে। অসম কেবিনেটত বৰপেটাৰ এজন প্ৰতিনিধি থাকিলেহে এই সমস্যাসমূহৰ সমাধান খৰতকীয়া হ’ব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। তিনি সত্ৰাধিকাৰে বৰপেটাৰ প্ৰশাসনিক ইতিহাসৰ কথা উল্লেখ কৰি কয় যে ১৮৪১ চনতে বৰপেটা চহৰক মহকুমা আৰু ১৮৮৬ চনত পৌৰসভা হিচাপে ঘোষণা কৰা হৈছিল। পুৰাতন প্ৰশাসনিক গুৰুত্ব থকা স্বত্বেও প্ৰভাৱশালী তথা সবল নেতৃত্বৰ অভাৱত অঞ্চলটোৰ উন্নয়ন যেন আজিও স্থবিৰ হৈ আছে। এই ধাৰা ভংগ কৰাৰ ক্ষেত্ৰত নৱগঠিত চৰকাৰখনৰ ওপৰত আস্থা পোষণ কৰি তিনি সত্ৰাধিকাৰে বৰপেটাৰ স্থানীয় বিধায়ক দীপক কুমাৰ দাসক মন্ত্ৰীসভাত স্থান দিয়াৰ আহ্বান জনোৱাৰ লগতে ধৰ্মীয় গুৰু তিনিজনাই আন এক গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভতো চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। জিলাখনৰ বিভিন্ন সত্ৰৰ ভূমি দীৰ্ঘদিন ধৰি অবৈধ বেদখলকাৰীৰ কবলত থকা কাৰ্যক লৈ তেওঁলোকে গভীৰ উদ্বেগ প্ৰকাশ কৰে। পবিত্ৰ ভূমিখণ্ডসমূহ শীঘ্ৰে বেদখলমুক্ত কৰি সত্ৰৰ সুৰক্ষা নিশ্চিত কৰিবলৈ তেওঁলোকে চৰকাৰক দাবী জনায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা অসম চৰকাৰে সত্ৰাধিকাৰসকলৰ আৱেগ আৰু দাবীৰ প্ৰতি কেনেধৰণৰ সঁহাৰি আগবঢ়ায়, সেয়া লক্ষণীয় হ’ব বুলিও মতপোষণ কৰে।

# অৰুণোদয় সাহিত্য চ’ৰাৰ প্ৰতিষ্ঠাপক উপদেষ্টা বিশিষ্ট শিক্ষাবিদ গোলোক চন্দ্ৰ নাথৰ বিয়োগ

**অসম বাৰ্তা, বেবেজীয়া, ১৬ মে’ ঃ** নগাঁও চহৰৰ নিকটবৰ্তী খুটিকটীয়া নিবাসী বিশিষ্ট সমাজকৰ্মী, লেখক- সাহিত্যিক, শিক্ষাবিদ গোলোক চন্দ্ৰ নাথৰ আজি পুৱতি নিশা নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত স্বৰ্গগামী হয়। “নিগম কল্পতৰু আৰু তত্ত্ব দৰ্শন”, “ভাগৱতৰ আংশিক তত্ত্ব নিৰূপন”, “আমেৰিকাৰ নানা কথা”, “এৰিঅহা দিনৰ সুবাস” আদিকে ধৰি ছয়খন গ্ৰন্থৰ প্ৰণেতা নাথৰ মৃত্যুৰ সময়ত বয়স ৯৩ বছৰ হৈছিল। অসম সাহিত্য সভাৰ আজীৱন সভ্য গোলোক চন্দ্ৰ নাথৰ জন্ম হৈছিল ৰহাৰ পহুপুৰি গাঁৱত। দীঘলদৰি কাকতিগাও হাইস্কুলৰ প্ৰতিষ্ঠাপক নাথ আছিল জন্মস্থানৰ সকলো ৰাজহুৱা অনুষ্ঠানৰ এজন গুৰি ধৰোঁতা। তেখেতৰ মৃত্যুত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাৰ লগতে বিভিন্ন দল সংগঠন, আত্মীয় কুটুমে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত নাথে তিনিগৰাকী পুত্ৰ, তিনিগৰাকী বোৱাৰী, দুগৰাকী জীয়ৰী, দুজন জোঁৱাই, দহগৰাকী নাতিক এৰি থৈ যায়। উল্লেখ্য যে, তেখেতৰ কনিষ্ঠ পুত্ৰ হেমাংগ ৰঞ্জন নাথ আৰু কনিষ্ঠ জী জ্যোতিশ্ৰী দেৱী বৰ্তমান আমেৰিকাত কৰ্মৰত।

# বৰপেটাৰোডত আৰক্ষীৰ বৃহৎ সাফল্য; দুই দুৰ্ধৰ্ষ চোৰ আটক

## লক্ষাধিক টকাৰ সামগ্ৰী উদ্ধাৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ১৬ মে’ ঃ** বৰপেটাৰোডত বৃদ্ধি পোৱা চুৰিকাণ্ডৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাই আৰক্ষীয়ে দুই দুৰ্ধৰ্ষ চোৰক আটক কৰিবলৈ সক্ষম হৈছে। যোৱা ২৪ ঘণ্টাৰ ভিতৰত চলোৱা এক সফল অভিযানত ইৰিগেশ্যন কলনীৰ চুৰিকাণ্ডৰ সৈতে জড়িত এই দুই অভিযুক্তক কৰায়ত্ত কৰে আৰক্ষীৰ এটা দলে। উল্লেখ্য যে, যোৱা এদিন পূৰ্বে বৰপেটাৰোডৰ ইৰিগেশ্যন কলনীত দিন-দুপৰতে এক ভয়ংকৰ চুৰিকাণ্ড সংঘটিত হৈছিল। এই সন্দৰ্ভত এজাহাৰ লাভ কৰাৰ পিছতেই বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত এক বিশেষ তালাচী অভিযান আৰম্ভ কৰা হয়। আৰক্ষীয়ে অঞ্চলটোৰ চিচিটিভি (CCTV) কেমেৰাৰ ফুটেজ পুংখানুপুংখভাৱে পৰীক্ষা কৰি চোৰ দুজনৰ সন্ধান লাভ কৰিবলৈ সক্ষম হয়। ধৃত চোৰ দুজন ক্ৰমে ৰাজাঘাট চ’কৰ মন্তাজ আলীৰ পুত্ৰ নুৰুল হক আৰু কাঁহিকুছিৰ বিশু মিঞাৰ পুত্ৰ আবেড আলী বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীৰ কঠোৰ জেৰাত ধৃত অভিযুক্তই স্বীকাৰ কৰে যে ইৰিগেশ্যন কলনীৰ পৰা লুটি নিয়া সামগ্ৰীসমূহ তেওঁলোকে ইতিমধ্যে পাঠশালাত বিক্ৰী কৰিছিল বুলি অভিযুক্তই দিয়া স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই পাঠশালাৰ পৰা চুৰি হোৱা সকলো সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উদ্ধাৰ হোৱা সামগ্ৰীসমূহৰ ভিতৰত ঘৰুৱা ব্যৱহৃত দমকল, বিভিন্ন বৈদ্যুতিক সঁজুলি, সোণ-ৰূপৰ আ-অলংকাৰ, কাঁহৰ থাল-বাচন মোবাইল ফোন আৰু বহুতো মূল্যবান সামগ্ৰী। আৰক্ষীয়ে জনোৱা অনুসৰি, উদ্ধাৰ হোৱা এই সামগ্ৰীসমূহৰ বজাৰ মূল্য প্ৰায় লক্ষাধিক টকা হ’ব। দিন দুপৰতে হোৱা এনে দুঃসাহসিক চুৰিকাণ্ডৰ মূল অভিযুক্তক ২৪ঘণ্টাৰ ভিতৰতে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱাত স্থানীয় ৰাইজে বৰপেটাৰোড আৰক্ষীৰ তৎপৰতাৰ শলাগ লৈছে। বৰ্তমান আৰক্ষীয়ে ধৃত চোৰ দুজনক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। এই চক্ৰটোৰ সৈতে আন কোনো জড়িত আছে নেকি, সেই দিশটোও আৰক্ষীয়ে তদন্ত কৰি আছে।

# গোৰেশ্বৰৰ মাগুৰমাৰী কলবাৰী হাইস্কুলত বসন্ত উৎসৱ আৰু কৃতি ছাত্ৰ-ছাত্ৰী সম্বৰ্ধনা অনুষ্ঠান




**অসম বাৰ্তা, গোৰেশ্বৰ, ১৬ মে’ ঃ** তামোলপুৰ জিলাৰ অন্তৰ্গত তামোলপুৰ শিক্ষা খণ্ডৰ নাওকাটাস্থিত মাগুৰমাৰী-কলবাৰী হাইস্কুলত বসন্ত উৎসৱ তথা কৃতি ছাত্ৰ-ছাত্ৰী সম্বৰ্ধনা অনুষ্ঠান বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু বৃক্ষৰোপণৰ পাছত সভা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক তপেশ্বৰ নাথে সভা উদ্বোধন কৰাৰ পাছতে বিদ্যালয়খনৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ লগতে কৃতি ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটোত বিহু আৰু বৈছাগু নৃত্যৰ লগতে বিভিন্ন জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শনৰ জৰিয়তে বিদ্যালয় চৌহদত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। অনুষ্ঠানটোত বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক ৰামচিয়াৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। আনহাতে, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে খৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যাপক ডঃ উত্তম কলিতা। ইপিনে, অনুষ্ঠানটোত বৰমা মাথাথুলি প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী ৰশ্মি চৌধুৰী, নাওকাটা মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰবীন্দ্ৰ কুমাৰ ডেকা সহিতে অঞ্চলটোৰ বহু বিশিষ্ট ব্যক্তি আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। উল্লেখযোগ্য যে, বিদ্যালয়খনে প্ৰতিবছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰি অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰখনত এক সুনাম অৰ্জন কৰি আহিছে। ২০২৬ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ এজন শিক্ষাৰ্থীয়ে ডিষ্টিংচন লাভ কৰাৰ লগতে ১৯ গৰাকীয়ে প্ৰথম বিভাগ, ৩৮ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হ’বলৈ সক্ষম হৈছে। এই দৰে বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে সামগ্ৰিকভাৱে ৯৩.৫৪ শতাংশ উত্তীৰ্ণতাৰ হাৰ অৰ্জন কৰি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।

দুদিনত ৪খন বিদ্যালয় পৰিদৰ্শন; শ্ৰেণীকোঠাত পাঠদান কৰাৰ এদিন পূৰ্বেই নিজৰ পাঠ্যক্ৰমৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ শিক্ষকসকলক নিৰ্দেশ

# শিলচাং মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ ৰূপত জিলা আয়ুক্ত অনামিকা তেৱাৰী



**ষ্টাফ ৰিপ’ৰ্টাৰ, মৰিগাঁও, ১৬ মে’ ঃ** মৰিগাঁও জিলাৰ শৈক্ষিক মান অধিক উন্নত কৰাৰ লক্ষ্যৰে আজি জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে জিলাখনৰ শিলচাং মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক অৱস্থাৰ সঠিক বুজ লোৱাৰ লগতে বিদ্যালয়ত শিক্ষাদানৰ পৰিৱেশ চৰজমিন পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে জিলা আয়ুক্তগৰাকীয়ে বিদ্যালয়খনত উপস্থিত হৈ শ্ৰেণীত পাঠদান কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। পৰিদৰ্শনকালত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে হোৱা আলোচনাত জিলা আয়ুক্তগৰাকীয়ে গুণগত শিক্ষা নিশ্চিত কৰাৰ স্বাৰ্থত কেইটামান গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰে। তেওঁ শিক্ষকসকলক শ্ৰেণীকোঠাত পাঠদান কৰাৰ এদিন পূৰ্বেই নিজৰ পাঠ্যক্ৰমৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি আহিব লাগিবলৈ নিৰ্দেশ দিয়ে। ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমৰ অগ্ৰগতিৰ বুজ ল’বলৈ নিয়মীয়াকৈ ‘ৰিভিজন টেষ্ট’ অনুষ্ঠিত কৰিবলৈ তেওঁ পৰামৰ্শ আগবঢ়ায়। জিলা আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক যাত্ৰাত অভিভাৱকসকলক সক্ৰিয়ভাৱে জড়িত কৰিবলৈ তেওঁলোকক নিয়মীয়াকৈ বিদ্যালয়লৈ আমন্ত্ৰণ জনাই মত-বিনিময় কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে হোৱাটছএপ গ্ৰুপৰ জৰিয়তে প্ৰতিদিনে ছাত্ৰ-ছাত্ৰীসকলক অভিভাৱকৰ জৰিয়তে ঘৰুৱা কৰ্ম আৰু প্ৰয়োজনীয় তথ্যসমূহ অৱগত কৰাবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ স্বাৰ্থত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মাজত এক বন্ধুত্বপূৰ্ণ আৰু সু-সম্পৰ্ক গঢ়ি তুলিব লাগিব। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে শিক্ষকৰ নিয়মীয়া উপস্থিতিয়ে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ ওপৰতো প্ৰভাৱ পেলায় বুলি তেওঁ কয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে জিলা আয়ুক্তগৰাকীয়ে যোৱা ১৩ মে’ত জিলাখনৰ তিনিখন বিদ্যালয়— তেলাহী ইছলামীয়া উচ্চ মাধ্যমিক বিদ্যালয়, তেলাহী ছাত্ৰী উচ্চ মাধ্যমিক বিদ্যালয় আৰু আহতগুৰি এল. এন. বি. ছাত্ৰী উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে কেইবাটাও শ্ৰেণীত পাঠদান কৰিছিল।

## যাতায়াতত জীয়াতু ভুগিছে স্কুলীয়া ছাত্ৰ-ছাত্ৰী, ৰাইজ

# গৰৈমাৰীৰ হাতীপাৰা চাৰিআলি চ’ক সংলগ্ন পথৰ শোচনীয় ৰূপ

**অসম বাৰ্তা, গৰৈমাৰী, ১৬ মে’ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত হাতীপাৰা চাৰিআলি চ’ক বজাৰ সংলগ্ন উত্তৰ অংশৰ মেৰগাওঁৰ ই এণ্ড ডি মথাউৰিলৈ যোৱা পথটো কদৰ্য ৰূপ ধাৰণ কৰাত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপৰি সাধাৰণ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ-যাতনা ভুগি আহিছে। উল্লেখ্য যে হাতীপাৰা চাৰিআলি চ’ক বজাৰৰ পৰা উত্তৰ অংশৰ মাত্ৰ ২০০ মিটাৰ পথ ইতিমধ্যে পেভাৰ ব্লকেৰে নিৰ্মাণ কৰাত কিছুদিনৰ বাবে যাতায়াতৰ বাবে সুচল কৰা হৈছিল যদিও সম্প্ৰতি পেভাৰ ব্লকো নষ্ট হৈছে। আশ্চৰ্যজনকভাৱে উক্ত পথৰ অংশিষ্ট প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৰুত্বপূৰ্ণ পথছোৱা উন্নীতিকৰণৰ বাবে কোনো এজন জনপ্ৰতিনিধিয়ে আহৰি নাপালে। আনহাতে এজাক বৰষুণতে কদৰ্য ৰূপ ধাৰণ কৰা উক্ত পথটো আজিকোপতি যাতায়াতৰ বাবে সুচল নকৰাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। উল্লেখ্য যে গাঁৱৰ বাট-পথৰ বিকাশৰ লগে-লগে দেশৰো বিকাশ বুলি কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে প্ৰকাশ কৰি আহিছে। তে’নেক্ষেত্ৰত উক্ত পথটোৰ শোচনীয় অৱস্থাই সকলো শ্ৰেণীৰ ৰাইজক চিন্তিত কৰি তুলিছে। আনহাতে উপৰিউক্ত পথটো অতি শীঘ্ৰে পকীকৰণৰ ব্যৱস্থা কৰিবলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

## আৰক্ষীৰ তৎপৰতাত উদ্ধাৰ কিশোৰী, ন্যায়ালয়ত আত্মসমৰ্পণ অভিযুক্তৰ

# শিঙৰীত জঘন্য কাণ্ড; প্ৰেমৰ ছলনাৰে ১৫ বছৰীয়া কিশোৰীক পলুৱাই নি গ্ৰেপ্তাৰ বিবাহিত লম্পট হাছেন আলী

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৬ মে’ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শিঙৰী আৰক্ষী চকী এলেকাত সংঘটিত হৈছে এক জঘন্য ঘটনা। প্ৰেমৰ ছলনাৰে এগৰাকী ১৫ বছৰীয়া কিশোৰীক পলুৱাই নিয়াৰ অভিযোগত অৱশেষত গ্ৰেপ্তাৰ হ’ল হাছেন আলী নামৰ এজন বিবাহিত ব্যক্তি। ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে শিঙৰী আৰক্ষী চকী এলেকাৰ বাসিন্দা হাছেন আলীয়ে দীৰ্ঘদিন ধৰি প্ৰেমৰ প্ৰলোভন দেখুৱাই কিশোৰীগৰাকীৰ সৈতে যোগাযোগ ৰাখিছিল বুলি অভিযোগ উত্থাপিত হৈছে। পিছত সুযোগ বুজি অভিযুক্তই কিশোৰীগৰাকীক নিজৰ লগত পলুৱাই নিয়ে। কিশোৰীগৰাকী হঠাৎ নিখোজ হোৱাৰ পিছতে পৰিয়ালৰ লোকসকল উদ্বিগ্ন হৈ পৰে আৰু পৰৱৰ্তী সময়ত শিঙৰী আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। এজাহাৰ লাভ কৰাৰ পিছতে লম্পটৰ সন্ধানত তৎপৰ হৈ পৰে শিঙৰী আৰক্ষী। শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে বিভিন্ন স্থানত অভিযান চলায়। আৰক্ষীৰ ধাৰাবাহিক তদন্ত আৰু অভিযানৰ ফলত অৱশেষত কিশোৰীগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। ইফালে ঘটনাৰ চাপ বৃদ্ধি পোৱাৰ পিছত অভিযুক্ত হাছেন আলীয়ে ন্যায়ালয়ত আত্মসমৰ্পণ কৰে বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। ঘটনাটোক লৈ অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে অভিযুক্তৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। সম্প্ৰতি আৰক্ষীয়ে ঘটনাটোৰ অধিক তদন্ত অব্যাহত ৰাখিছে।

# অবাধ হাৰত ৰাসায়নিক সাৰ তথা কীটনাশক প্ৰয়োগৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ মৰিগাঁও জিলা কৃষি বিভাগৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, মৰিগাঁও, ১৬ মে’ ঃ** কৃষিখণ্ডত অনিয়ন্ত্ৰিত আৰু অবাধ হাৰত ৰাসায়নিক সাৰ তথা কীটনাশক প্ৰয়োগ ৰোধ কৰিবলৈ মৰিগাঁও জিলা কৃষি বিভাগে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ খুচুৰা আৰু পাইকাৰী সাৰ-কীটনাশক বিক্ৰী কেন্দ্ৰসমূহত বিভাগীয় বিষয়া সকলে এক ব্যাপক তালাচী অভিযান চলাইছে। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ নেতৃত্বত জিলাখনৰ লাহৰীঘাট কৃষি চক্ৰৰ অধীনৰ লাহৰীঘাট বজাৰত থকা বিভিন্ন খুচুৰা আৰু পাইকাৰী সাৰ-কীটনাশক বিক্ৰী কেন্দ্ৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়চোৱাত বিষয়াগৰাকীয়ে বিপনীসমূহৰ বৈধ অনুজ্ঞাপত্ৰ আৰু ষ্টক পঞ্জীয়ন বহীসমূহ তন্ন তন্নকৈ পৰীক্ষা কৰাৰ লগতে নিৰ্ধাৰিত চৰকাৰী মূল্যতকৈ অধিক মূল্যত কোনো বিক্ৰেতাই সাৰ বিক্ৰী কৰিলে বা কৃত্ৰিম নাটনি সৃষ্টি কৰিলে সেই ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি সতৰ্কবাণী জাৰি কৰে। লগতে কোনো অসাধু চক্ৰই যাতে ক’লা বজাৰৰ জৰিয়তে আগন্তুক শালিধানৰ বতৰত সাৰৰ নাটনিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে কৃষক ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাই। অভিযানৰ সময়সময়চোৱাত জিলা কৃষি বিষয়া গৰাকীক লাহৰীঘাট কৃষি চক্ৰৰ উন্নয়ন বিষয়া মৃণ্ময়জ্যোতি নাথ, গেৰুৱা কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া অনিৰ্বাণ দত্ত, মৈৰাবাৰী কৃষি চক্ৰৰ কৃষি উন্নয়ন বিদ্যুৎ প্ৰীতম গগৈৰ লগতে মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথে সংগ দিয়ে।

# চিবি এচ চি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত পথালিপাহাৰৰ মেধাবী ছাত্ৰী ছায়াৰাণী শইকীয়াৰ সাফল্যতা

**অসম বাৰ্তা, বান্দৰদেৱা, ১৬ মে’ ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চিবি এচ চি চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত লখিমপুৰ জিলাখনত অৱস্থিত হাৰমতী চেইন্ট জেভিয়াৰ্ছ স্কুলৰ পৰা ৭১.৪ শতাংশ নম্বৰ লাভ কৰি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰ অঞ্চলৰ মটীয়া চমুৱা গাঁৱৰ মীনা কাকতিৰ জীয়ৰী আৰু শান্তি কাকতিৰ ভাগিনীয়েক ছায়াৰাণী শইকীয়াই উক্ত গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিলে। অধ্যৱসায়, একাগ্ৰতা আৰু কঠোৰ প্ৰৰিশ্ৰমৰ জৰিয়তে ছায়াৰাণীয়ে লাভ কৰা এই উল্লেখযোগ্য সাফল্যত কেৱল পৰিয়াটোৱেই নহয় সমগ্ৰ পথালি পাহাৰ অঞ্চলটোৰ লগতে নিজা গাঁওখনৰ শুভাকাংক্ষী সকল আনন্দিত আৰু উৎফুল্ল হৈ পৰিছে। ছাত্ৰী গৰাকীৰ এই সাফল্যত শৈক্ষিক ক্ষেত্ৰখনত অনাগত দিনতো জিলিকি থকাৰ কামনা কৰে অঞ্চলবাসীয়ে।

# গোপালপুৰত একেনিশাই চাৰিখন দোকানত চুৰিকাণ্ড

## গহপুৰ আৰক্ষীৰ বিৰুদ্ধে সোচ্চাৰ ৰাইজ

**অসম বাৰ্তা, গহপুৰ, ১৬ মে’ ঃ** গহপুৰ আৰক্ষী থানাৰ এলেকাত ধাৰাবাহিকভাৱে সংঘটিত হ’বলৈ লৈছে ইটোৰ পিছত সিটো চুৰিকাণ্ড। এই চুৰিকাণ্ড সমূহে লজ্জানত কৰি তুলিছে গহপুৰ আৰক্ষীক। গহপুৰ আৰক্ষীৰ তথাকথিত নিৰপত্তা ব্যৱস্থাটোক চূড়ান্ত ভাৱে উপলুঙা কৰি সংঘটিত হৈ থকা এনেধৰণৰ চুৰিকাণ্ড সমূহক লৈ এতিয়া গভীৰ নিৰাপত্তাহীনতাত ভুগিছে সাধাৰণ ৰাইজৰ লগতে গো-পালক, ছাগলী পালক আৰু সাধাৰণ ব্যৱসায়ী সকল। গহপুৰ আৰক্ষী থানা এলেকাত অব্যাহত থকা এনেধৰণৰ চুৰিকাণ্ড সমূহৰ মাজতে যোৱা নিশা গোপালপুৰ তিনিআলিৰ নাভি কেন্দ্ৰত সংঘটিত হয় আন এক চুৰিকাণ্ড। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ গাতে লাগি থকা গোপালপুৰ তিনিআলিৰ ব্যৱসায়িক কেন্দ্ৰৰ লাহৰ বৰুৱা, গোলাপ ভড়ালী, ভদ্ৰ বৰুৱা আৰু পংকজ শৰ্মাৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা ওপৰৰ টিনপাত এৰুৱাই লৈ যায় নগদ ধনসহ বিক্ৰীৰ বাবে থোৱা বহু সা-সামগ্ৰী। ইয়াৰে গোলাপ ভড়ালীৰ দোকানৰ পৰা এটা গেছ চিলিণ্ডাৰ লৈ যায় বুলি জানিব পৰা গৈছে। ষ্টেচনাৰী দোকান, গেলামালৰ দোকান, পাচলিৰ দোকান আৰু মাংসৰ দোকানত সংঘটিত হৈছে উক্ত চুৰিকাণ্ড। ৰাষ্ট্ৰীয় ঘাই পথৰ গাতে লাগি থকা এটা ব্যৱসায়িক কেন্দ্ৰৰ পৰা এনেদৰে এনিশাতে চাৰিখনকৈ দোকান চুৰি হোৱা ঘটনাই গহপুৰ আৰক্ষীৰ নৈশ টহলৰ ব্যৱস্থাটোৰ প্ৰতি স্বভাৱিকতে প্ৰশ্ন উথাপন কৰিছে ভুক্তভোগী ৰাইজে। গহপুৰ আৰক্ষী থানাৰ এলেকাত অব্যাহত থকা চোৰৰ উপদ্ৰৱ ৰোধ কৰাৰ ক্ষেত্ৰত আৰক্ষীয়ে কেনেধৰণৰ সবল পদক্ষেপ গ্ৰহণ কৰে সেয়া হৈ পৰিছে অতি গুৰুত্বপূৰ্ণ বিষয়।

## দ্বিতীয়বাৰ কেবিনেট মন্ত্ৰী হোৱাৰ সপোন পূৰণ হ'বনে

প্ৰকট হৈ পৰিছে। নতুন চৰকাৰৰ মন্ত্ৰীসভা শীঘ্ৰে সম্প্ৰসাৰণ হোৱাৰ সম্ভাৱনা আছে যদিও যোৱা কাৰ্যকালত প্ৰায় ডেৰ বছৰৰ বাবে মন্ত্ৰী হোৱাৰ সুযোগ লাভ কৰা চাহ জনগোষ্ঠীয় নেতা ৰূপেশ গোৱালাৰ এইবাৰ দ্বিতীয়বাৰলৈ মন্ত্ৰী হোৱাৰ সপোন পূৰণ হ'য় নে নহ'য় তাক লৈ চাহ নগৰী ডুমডুমাৰ ৰাজনৈতিক মহলত সম্প্ৰতি ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে। ইতিমধ্যে ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত জ্যেষ্ঠ বিজেপি নেতা, দুলীয়াজানৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীক স্থান দিয়াৰ লগে লগে প্ৰাক্তন কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ দ্বিতীয়বাৰৰ বাবে মন্ত্ৰী হোৱাৰ সম্ভাৱনা প্ৰায় নাইকিয়া হৈ পৰিল বুলি সমষ্টিটোৰ চুকে-কোণে ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে। স্মৰ্তব্য যে, মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মাৰ প্ৰথম কাৰ্যকালত তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণক চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰিত্ব প্ৰদান কৰা হৈছিল যদিও ২০২৪ চনৰ ৭ ডিচেম্বৰত সঞ্জয় কিষাণক মন্ত্ৰীসভাৰ পৰা অপসাৰণ কৰি ডুমডুমাৰ সমষ্টিৰ পৰা প্ৰথমবাৰ বিধায়ক নিৰ্বাচিত হোৱা অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰূপেশ গোৱালাক শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগ)ৰ মন্ত্ৰিত্ব প্ৰদান কৰা হয়। পৰৱৰ্তী সময়ত এই ৰূপেশ গোৱালা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ মন্ত্ৰীৰূপে পৰিচিত হোৱাই নহ'য়, দ্বিতীয়বাৰৰ বাবে দলীয় টিকট লাভ কৰি সহজ বিজয় সাব্যস্ত কৰা লগতে মন্ত্ৰীসভাতো স্থান নিশ্চিত বুলি বহুদিনৰ পৰাই চৰ্চিত হৈছিল। কিন্তু দেখা গ'ল বিগত কাৰ্যকালৰ তুলনাত বিজেপি দলে এইবাৰৰ নিৰ্বাচনত ৮ গৰাকীকৈ চাহ জনগোষ্ঠীয় প্ৰাৰ্থীক প্ৰাৰ্থীত্ব প্ৰদান কৰিলে আৰু আটাইকেইগৰাকীয়েই নিৰ্বাচনত জয়ী হৈ আহিলে। মন কৰিবলগীয়া যে, ইয়াৰে প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন সাংসদ, মুখ্যমন্ত্ৰীৰ নৰৰত্নখ্যাত পল্লৱলোচন দাসক বিশ্বনাথ সমষ্টিত আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ৰামেশ্বৰ তেলীক দুলীয়াজান সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰাত এইবাৰ চাহ জনগোষ্ঠীয় বিধায়কৰ মন্ত্ৰিত্বৰ যুঁজখন অধিক আকৰ্ষণীয় তথা প্ৰতিদ্বন্দ্বিতামূলক হৈ পৰিল। ইয়াৰে প্ৰথম পৰ্যায়তেই জ্যেষ্ঠ বিজেপি নেতা ৰামেশ্বৰ তেলীয়ে মন্ত্ৰিত্ব লাভ কৰিবলৈ সক্ষম হয়। ৰামেশ্বৰ তেলীক ইতিমধ্যে চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰিত্ব প্ৰদান কৰা হৈছে। তেনেস্থলত ৰূপেশ গোৱালা এই বিভাগৰ মন্ত্ৰিত্বৰ পৰা বঞ্চিত হোৱাটো নিশ্চিত হোৱাৰ সমান্তৰালকৈ এইবাৰ দুজনকৈ চাহ জনগোষ্ঠীয় বিধায়কক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ দাবী উত্থাপন হৈছে। যদি তেনে হয়, তেন্তে ৰূপেশ গোৱালাৰ পৰিৱৰ্তে জ্যেষ্ঠ আৰু মুখ্যমন্ত্ৰীৰ অতিকৈ ঘনিষ্ঠৰূপে পৰিচিত পল্লৱলোচন দাসৰ কপাল ফুলাৰ সম্ভাৱনাই অধিক। ইয়াৰোপৰি মৰিয়নিৰ ৫বাৰৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়েও জ্যেষ্ঠতাৰ ভিত্তিত মন্ত্ৰীসভাত স্থান লাভৰ চেষ্টা অব্যাহত ৰখা বুলিও জানিব পৰা গৈছে। সমান্তৰালভাৱে 'আটছা'ৰ প্ৰাক্তন সভাপতি তথা তিতাবৰ সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ধীৰাজ গোৱালাও মন্ত্ৰিত্বৰ দৌৰত বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে। আনহাতে, উত্তৰ অসমৰ পৰা পুনৰবাৰ অসম বিধানসভালৈ নিৰ্বাচিত হোৱা ৰঙাপাৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীও মন্ত্ৰিত্বৰ আন এক প্ৰবল দাবীদাৰ। অনুৰূপ ধৰণে তৃতীয়বাৰৰ বাবে অসম বিধানসভালৈ নিৰ্বাচিত হোৱা বৰাক উপত্যকাৰ উদাৰবন্দ সমষ্টিৰ বিধায়ক ৰাজদ্বীপ গোৱালায়ো এইবাৰ বিচাৰিছে মন্ত্ৰিত্ব। প্ৰাক্তন মন্ত্ৰী দীনেশ প্ৰসাদ গোৱালাৰ সন্তান তেওঁ। এইখিনিতে উল্লেখ কৰাৰ প্ৰয়োজন যে, অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক হোৱাৰ সুবাদতে ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত নিশাটোৰ ভিতৰতেই কংগ্ৰেছৰ পৰা বিজেপিলৈ গৈ দলীয় টিকট লাভ কৰিবলৈ সক্ষম হোৱা ৰূপেশ গোৱালাক ২০২৬ চনৰ নিৰ্বাচনক লক্ষ্য কৰিয়েই মুখ্যমন্ত্ৰী ড° শৰ্মাই চাহ জনগোষ্ঠীয় ভোটাৰক প্ৰভাৱান্বিত কৰাৰ উদ্দেশ্যেৰে মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিছিল। গোৱালাক চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰিত্ব প্ৰদান কৰাৰ পিছতেই ৰাজ্যৰ চাহ শ্ৰমিক আৰু চাহ জনগোষ্ঠীৰ বাবে এটাৰ পিছত আনটো আঁচনি ঘোষণা কৰিছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা ভূমি পট্টা, মজুৰি বৃদ্ধি, চৰকাৰী চাকৰিত আসন সংৰক্ষণ, ঝুমইৰ বিনন্দিনী, ৫ হাজাৰ টকাকৈ পুৰস্কাৰ আদিৰ দৰে আঁচনিবিলাকৰ কৃতিত্ব লোৱা দেখা গৈছিল মন্ত্ৰী ৰূপেশ গোৱালাক। আনকি সদ্যসমাপ্ত নিৰ্বাচনত সমষ্টিটোৰ নিৰ্বাচনী প্ৰচাৰ সভাসমূহতো উক্ত আঁচনিসমূহকে হাথিয়াৰ কৰি ভোটাৰৰ মন জয় কৰাৰ চেষ্টা চলাইছিল মন্ত্ৰী ৰূপেশ গোৱালাই, য'ত তেওঁ সফলো হৈছিল। কিন্তু বিজেপিৰ এক নিৰ্ভৰযোগ্য সূত্ৰৰ মতে, আৰ এছ এছ য়ে ৰূপেশ গোৱালাৰ কাম-কাজ তথা ব্যক্তিগত প্ৰদৰ্শনক লৈ মুঠেও সন্তুষ্ট নাছিল। সমষ্টিৰ পুৰণি আৰু জ্যেষ্ঠ দলীয় নেতা-কৰ্মী, আৰ এছ এছ ক একাষৰীয়া কৰি একাংশ ন-বিজেপি আৰু কংগ্ৰেছত থকা সময়ত থকা নিজৰ একাংশ অনুগতক অনবৰতে সোঁৰে-বাঁৰে লৈ ফুৰি পাৰ্যমানে ঠিকা-ঠুকুলি প্ৰদানৰ লগতে দলীয় পদবীত নিয়োজিত কৰাৰ উপৰি নিগম-নিকায় আদিত কেৱল নিজৰ মানুহক অগ্ৰাধিকাৰ দি অহাৰ দৰে কেতবোৰ গুৰুতৰ অভিযোগ প্ৰথম অৱস্থাৰ পৰাই উত্থাপিত হৈ আহিছিল মন্ত্ৰী ৰূপেশ গোৱালাৰ বিৰুদ্ধে। লগতে গাত চাহ শ্ৰমিক নেতাৰ চিন-চাপ নাইকিয়া কৰি ৰাজকীয় জীৱন-যাপন আৰু বহুক্ষেত্ৰত অত্যন্ত আত্মগৌৰৱ হৈ পৰাৰো অভিযোগ লাভ কৰিছিল আৰ এছ এছ য়ে। ইয়াৰ পৰিণতিতেই ৰূপেশ গোৱালাৰ এইবাৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত দ্বিতীয়বাৰৰ বাবে স্থান লাভ কৰাত কিছু প্ৰত্যাহ্বান আহি পৰিছে বুলি এক দলীয় সূত্ৰত প্ৰকাশ।

## তামিলনাডুৰ নতুন মুখ্যমন্ত্ৰী বিজয়ৰ মন্ত্ৰীসভাৰ দপ্তৰ

এই বিতৰণৰ বিষয়ে স্পষ্টকৈ উল্লেখ কৰা হৈছে। মুখ্যমন্ত্ৰী বিজয়ে গৃহ আৰু সাধাৰণ প্ৰশাসনৰ দৰে অতি গুৰুত্বপূৰ্ণ বিভাগসমূহ নিজৰ হাতত ৰখাৰ সিদ্ধান্ত লৈছে। ইয়াৰ বিপৰীতে জ্যেষ্ঠ ৰাজনীতিবিদ কে এ চেংগোট্টাইয়ানক ৰাজ্যখনৰ বিত্ত মন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছে। তামিলনাডুৰ ৰাজনৈতিক প্ৰেক্ষাপটত এক নতুন যুগৰ সূচনা কৰি এই চৰকাৰখনে শাসনভাৰ গ্ৰহণ কৰাৰ পাছতে দপ্তৰ বিতৰণ প্ৰক্ৰিয়াই দেশৰ ৰাজনৈতিক মহলত বিশেষ চৰ্চাৰ সৃষ্টি কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, প্ৰশাসনিক ব্যৱস্থাটোক অধিক সুদৃঢ় আৰু নিকা কৰাৰ স্বাৰ্থত মুখ্যমন্ত্ৰী বিজয়ে প্ৰধান বিভাগসমূহ নিজৰ তদাৰকত ৰখাৰ সিদ্ধান্ত লৈছে। বিশেষকৈ আৰক্ষী প্ৰশাসন আৰু গৃহ বিভাগ নিজ হাতত ৰাখি তেওঁ ৰাজ্যখনৰ আইন-শৃংখলা কটকটীয়া কৰাৰ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে। লগতে আন কেইবাটাও স্পৰ্শকাতৰ আৰু গুৰুত্বপূৰ্ণ চৰকাৰী বিভাগ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰত্যক্ষ নিৰীক্ষণত থাকিব। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, এই পদক্ষেপে প্ৰশাসনযন্ত্ৰক অধিক ক্ষিপ্ৰতাৰে পৰিচালনা কৰাত সহায় কৰিব। দীৰ্ঘদিনীয়া প্ৰশাসনিক অভিজ্ঞতা থকা জ্যেষ্ঠ নেতা কে এ চেংগোট্টাইয়ানক বিত্ত বিভাগৰ দৰে স্পৰ্শকাতৰ দায়িত্ব অৰ্পণ কৰাৰ পৰাই চৰকাৰখনৰ দূৰদৰ্শিতাৰ পৰিচয় মেলে। ৰাজ্যখনৰ বৰ্তমানৰ অৰ্থনৈতিক অৱস্থা আৰু ভৱিষ্যতৰ উন্নয়নমূলক প্ৰকল্পসমূহ সফলভাৱে ৰূপায়ণৰ বাবে এগৰাকী অভিজ্ঞ ব্যক্তিৰ প্ৰয়োজন আছিল। চৰকাৰী মহলত আশা প্ৰকাশ কৰা হৈছে যে চেংগোট্টাইয়ানৰ সুদীৰ্ঘ ৰাজনৈতিক অভিজ্ঞতাই তামিলনাডুৰ অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পেলাব। মুখ্যমন্ত্ৰী বিজয়ে নৱগঠিত মন্ত্ৰীসভাৰ জৰিয়তে নতুনৰ উদ্যম আৰু জ্যেষ্ঠসকলৰ অভিজ্ঞতাৰ এক সুন্দৰ সমন্বয় গঢ়ি তোলাৰ প্ৰয়াস কৰিছে বুলি পৰিলক্ষিত হৈছে। বৰ্তমান তামিলনাডুৰ নৱগঠিত মন্ত্ৰীসভাৰ সদস্যসকলে নিজ নিজ দপ্তৰৰ দায়িত্বভাৰ গ্ৰহণ কৰি আনুষ্ঠানিকভাৱে প্ৰশাসনিক কাম-কাজ আৰম্ভ কৰিছে। আগন্তুক দিনত এই চৰকাৰখনে ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়ন আৰু প্ৰতিশ্ৰুতিসমূহ পূৰণৰ ক্ষেত্ৰত কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰে, সেয়া পৰৱৰ্তী সময়ত স্পষ্ট হৈ পৰিব।

## নৱম, দশম শ্ৰেণীত বাধ্যতা-

প্ৰকাশ কৰে, তেন্তে সেই বিদেশী ভাষা তৃতীয় ভাষা হিচাপেহে নিৰ্বাচন কৰিব পাৰিব। কিন্তু তেতিয়াও প্ৰথম আৰু দ্বিতীয় ভাষা দুটা ভাৰতীয় হ'ব লাগিব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে বিদেশী ভাষাক চতুৰ্থ অতিৰিক্ত ভাষা হিচাপেও গ্ৰহণ কৰাৰ সুযোগ থাকিব। তৃতীয় ভাষাৰ পৰীক্ষাৰ চাপ কমাবলৈ চিবিএছয়ে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছে। দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাত তৃতীয় ভাষাৰ (আৰ৩) কোনো পৰীক্ষা নহয়। এই ভাষাৰ মূল্যায়ন সম্পূৰ্ণৰূপে বিদ্যালয় পৰ্যায়তে আন্তৰিকতাৰে সম্পন্ন কৰা হ'ব। তৃতীয় ভাষাত ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা নম্বৰ চিবিএছইৰ প্ৰমাণপত্ৰত উল্লেখ থাকিব যদিও এই ভাষাত অকৃতকাৰ্য হ'লেও তেওঁক দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাত বহিবলৈ বাধা দিয়া নহয়। চিবিএছয়ে দেশৰ সকলো অধিভুক্ত বিদ্যালয়ক নতুন ভাষা নীতি ৰূপায়ণৰ বাবে আগতীয়াকৈ প্ৰস্তুতি আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। বিদ্যালয়সমূহে ২০২৬ চনৰ ৩০ জুনৰ ভিতৰত OASIS পৰ্টেলত ষষ্ঠৰ পৰা নৱম শ্ৰেণীলৈকে ভাষা বিষয়ৰ সকলো তথ্য আপডেট কৰিব লাগিব। বিদ্যালয়সমূহে নিজৰ সুবিধা আৰু আন্তঃগাঁথনি অনুসৰি ভাষা নিৰ্বাচন কৰিব পাৰিব, কিন্তু নিশ্চিত কৰিব লাগিব যে তিনিটা ভাষাৰ ভিতৰত কমেও দুটা ভাৰতীয় ভাষা থাকে। অনেক বিদ্যালয়ত পৰ্যাপ্ত সংখ্যক ভাষা শিক্ষক নাথাকিব পাৰে বুলি স্বীকাৰ কৰি চিবিএছয়ে কিছু অস্থায়ী সমাধানৰ কথা উল্লেখ কৰিছে। যি বিদ্যালয়ত নিৰ্দিষ্ট ভাষাৰ শিক্ষক নাথাকে, তাতে সেই ভাষাৰ ভাল জ্ঞান থকা অন্য বিষয়ৰ শিক্ষকৰ সহায় ল'ব পাৰে। লগতে স্কুল ক্লাষ্টাৰ মডেল, অনলাইন বা হাইব্ৰিড শিক্ষণ পদ্ধতি, অৱসৰপ্ৰাপ্ত ভাষা শিক্ষক বা উপযুক্ত স্নাতক ধাৰী ব্যক্তিৰ সেৱাও গ্ৰহণ কৰিব পাৰে। চিবিএছয়ে স্পষ্ট কৰিছে যে এই ব্যৱস্থা সম্পূৰ্ণৰূপে অস্থায়ী আৰু জৰুৰীকালীন ক্ষেত্ৰতহে প্ৰয়োগ কৰিব। নৱম শ্ৰেণীৰ বাবে আৰ৩ পাঠ্যপুথি প্ৰস্তুত নোহোৱালৈকে, ছাত্ৰ-ছাত্ৰীয়ে ষষ্ঠ শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথি ব্যৱহাৰ কৰিব। তাৰ উপৰিও বিদ্যালয়সমূহে স্থানীয় সাহিত্য, কবিতা, গল্প আদি অন্তৰ্ভুক্ত কৰি শিক্ষাৰ্থীৰ ভাষা দক্ষতা বৃদ্ধি কৰিব পাৰে। চিবিএছয়ে ১৫ জুনৰ ভিতৰত এই সম্পৰ্কে বিস্তাৰিত নিৰ্দেশনা প্ৰকাশ কৰিব বুলি জানিবলৈ দিছে। বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চিবিএছইৰ বিদ্যমান নিয়ম অনুসৰি ৰেহাই দিয়াৰ ব্যৱস্থা থাকিব। লগতে বিদেশৰ পৰা ভাৰতলৈ অহা ছাত্ৰ-ছাত্ৰী আৰু ভাৰতৰ বাহিৰত অৱস্থিত চিবিএছই বিদ্যালয়ৰ শিক্ষাৰ্থীসকলকো কিছুমান বিশেষ ক্ষেত্ৰত ৰেহাই প্ৰদান কৰা হ'ব। চিবিএছয়ে নিজৰ অধিসূচনাত উল্লেখ কৰিছে যে এই সংস্কাৰৰ মূল উদ্দেশ্য হৈছে বহুভাষিক শিক্ষাক উৎসাহিত কৰা, ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰীক্ষাৰ বোজা বৃদ্ধি কৰা নহয়। অভিভাৱক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত ইতিবাচক দৃষ্টিভংগী গঢ় দিবলৈ বিদ্যালয়সমূহক আগুৱাই যাবলৈ চিবিএছয়ে আহ্বান জনাইছে। এই নীতিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ ভাৰতীয় ভাষাৰ জ্ঞান বৃদ্ধি পোৱাৰ লগতে সাংস্কৃতিক ঐতিহ্যৰ সৈতে তেওঁলোকৰ সম্পৰ্কো সুদৃঢ় হ'ব বুলি আশা কৰা হৈছে।

## বিধানসভাত কংগ্ৰেছে লাভ কৰিব পাৰে বিৰোধী

সক্ষম। সেয়েহে ১৯ গৰাকী বিধায়ক লাভ কৰা কংগ্ৰেছ দলে বিৰোধী দলপতিৰ মৰ্যাদা লাভ কৰিব। অৱশ্যে অন্তিম সিদ্ধান্ত ল'ব বিধানসভাৰ অধ্যক্ষই। ইতিহাসলৈ চালে দেখা যায় যে আগতে বিৰোধী দলপতিৰ

১/৬) মানে ২১ গৰাকী বিধায়কৰ প্ৰয়োজন হৈছিল। কিন্তু পাছত নিয়ম সংশোধন কৰি এক-দশমাংশ (১/১০) কৰা হয়। তাৰ অৰ্থ হ'ল ১৩ গৰাকী বিধায়ক থাকিলে এটা দলে বিৰোধী দলপতিৰ পদ পাবলৈ যোগ্য। তথাপি এই পদ দিয়াটো বাধ্যতামূলক নহয়, ইয়াৰ চূড়ান্ত ক্ষমতা অধ্যক্ষৰ হাতত। বিধানসভাৰ সচিব দুলাল চন্দ্ৰ পেগুৱে এই প্ৰসঙ্গত কয়, "বহুত বছৰ ধৰি আমি বিৰোধী দলপতিৰ পদ দি আহিছো। আগতে ১/৬ নিয়ম আছিল, অৰ্থাৎ ২১ গৰাকী বিধায়ক জয়ী হৈ আহিলেহে দলটোৱে সেই মৰ্যাদা পাইছিল। কিন্তু তাৰো অধ্যক্ষৰ ইচ্ছাশক্তি আছিল — অধ্যক্ষে ইচ্ছা কৰিলে দিবও পাৰে, নকৰিলে নিদিবও পাৰে। পাছত ২০০১ চনত সেই নিয়ম সংশোধন কৰি ১/১০ কৰা হয়। এতিয়া পৰম্পৰাগতভাৱে ১৩ গৰাকী সদস্য থাকিলে বিৰোধী দলপতি দিয়াটো বাঞ্ছনীয় বুলি গণ্য কৰা হয়। কিন্তু দিবই লাগিব বুলি নিৰ্দিষ্ট নিয়ম নাই। অধ্যক্ষই বিবেচনা কৰি সিদ্ধান্ত ল'ব।" উল্লেখযোগ্য যে বিগত দিনত কংগ্ৰেছৰ ২৯ গৰাকী বিধায়ক আছিল আৰু তেতিয়া বিৰোধী দলপতিৰ দায়িত্ব পালন কৰিছিল নাজিৰা সমষ্টিৰ দেৱব্ৰত শইকীয়াই। কিন্তু এইবাৰ কংগ্ৰেছে লাভ কৰা ১৯খন আসনৰ ভিতৰত শইকীয়া পৰাজিত হৈছে। কংগ্ৰেছ দলৰ বৰ্তমানৰ ১৯ গৰাকী বিধায়কৰ ভিতৰত ১৮ গৰাকী সংখ্যালঘু সম্প্ৰদায়ৰ আৰু মাত্ৰ এগৰাকী হিন্দু বিধায়ক। এনে পৰিস্থিতিত অধ্যক্ষই সিদ্ধান্ত লোৱাৰ পাছত কোনে বিৰোধী দলপতিৰ আসন লাভ কৰে সেয়া অধিক চৰ্চিত বিষয় হৈ পৰিছে। আগন্তুক ২১ মে'ৰ পৰা অসম বিধানসভাৰ চাৰিদিনীয়া অধিৱেশন আৰম্ভ হ'ব। প্ৰথম দিনাই নৱনিৰ্বাচিত বিধায়কসকলে শপত গ্ৰহণ কৰিব। এই উদ্দেশ্যে ৰাজ্যপালে ইতিমধ্যে প্ৰ'টেম অধ্যক্ষ হিচাপে জ্যেষ্ঠ বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক শপত বাক্য পাঠ কৰোৱাৰ দায়িত্ব দিছে। শপত গ্ৰহণ শেষ হোৱাৰ লগে লগে বিধানসভাৰ অধ্যক্ষ নিৰ্বাচন অনুষ্ঠিত হ'ব। বিজেপি নেতৃত্বাধীন এন ডি এ জোটে অধ্যক্ষ পদৰ বাবে প্ৰাক্তন মন্ত্ৰী তথা জ্যেষ্ঠ বিধায়ক ৰণজিৎ কুমাৰ দাসক প্ৰাৰ্থী হিচাপে আগবঢ়াই দিছে। অধ্যক্ষই বিৰোধী দলপতিৰ মৰ্যাদা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিলে কংগ্ৰেছে নিজৰ দলৰ ভিতৰৰ পৰা এজন নেতাক সেই পদৰ বাবে নিৰ্বাচিত কৰিব পাৰিব। ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১২ মে'ত দ্বিতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰি দায়িত্ব লৈছে। একেদিনাই অতুল বৰা, অজন্তা নেওগ, ৰামেশ্বৰ তেলী আৰু চৰণ বড়োৱে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। সম্প্ৰতি তেওঁলোকক দপ্তৰো বিতৰণ কৰা হৈছে। নতুন চৰকাৰৰ প্ৰথম অধিৱেশনখন ২১, ২২, ২৫ আৰু ২৬ মে'ত অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে।

## অসমৰ বিহুনৃত্যৰে নেডাৰলেণ্ডত প্ৰধানমন্ত্ৰী

দ্য হেগত উপস্থিত হয়। বিমানবন্দৰত প্ৰধানমন্ত্ৰীক ৰিয়াৰ এডমিৰেল লুডগাৰ ব্ৰূমমেলাৰ, ডাচ বৈদেশিক মন্ত্ৰী টম বেৰেণ্ডচেন আৰু নেডাৰলেণ্ডত নিযুক্ত ভাৰতীয় ৰাষ্ট্ৰদূত কুমাৰ টুহিনকে ধৰি ডাচ চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলে আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদী হোটেলত উপস্থিত হোৱাৰ লগে লগে তাত উপস্থিত ভাৰতীয় প্ৰবাসী সম্প্ৰদায়ে তেওঁক ভাৰতীয় সাংস্কৃতিক আৰু ধ্ৰুপদী নৃত্যৰ অনুষ্ঠানেৰে উষ্ম আদৰণি জনায়। প্ৰবাসীসকলে পৰিৱেশন কৰা এই অনুষ্ঠান প্ৰধানমন্ত্ৰীয়ে উপভোগ কৰে আৰু তেওঁলোকৰ সৈতে স্মৰণীয় মুহূৰ্ত কটায়। শিল্পী গৌতমে এ এন আইক প্ৰধানমন্ত্ৰীৰ সন্মুখত গৰ্বা পৰিৱেশন কৰাৰ কথা উল্লেখ কৰি কয়, "আমি তেওঁৰ সৈতে মত বিনিময় কৰিলো, আৰু সকলো অতি সুখী।" আন এগৰাকী শিল্পী ৰীমাই এই অভিজ্ঞতাক 'অনন্য' বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে নিজেই এক্স (পূৰ্বৰ টুইটাৰ)ত দুটা ভিডিঅ' শ্বেয়াৰ কৰি কয়, "কালি নেডাৰলেণ্ডত ভাৰতীয় সম্প্ৰদায়সকলে জনোৱা আদৰণি আছিল অসাধাৰণ। অভ্যৰ্থনা অনুষ্ঠানত কথক, ওডিছি, ভৰতনাট্যম, কুচিপুড়ি আৰু মহিনিয়াট্টমকে ধৰি বিভিন্ন নৃত্য প্ৰদৰ্শন কৰা হয়। ইয়াৰ উপৰিও গৰ্বা নৃত্য পৰিৱেশন কৰা হৈছিল।" প্ৰধানমন্ত্ৰী মোদীয়ে ইতিমধ্যে তেওঁৰ পাঁচ দেশৰ ভ্ৰমণৰ প্ৰথম গন্তব্যস্থান সংযুক্ত আৰব আমিৰশ্বাহী (ইউএই)ৰ ভ্ৰমণ সফলতাৰে সমাপ্ত কৰে। নেডাৰলেণ্ডত থকা অৱস্থিতে তেওঁ ডাচ প্ৰধানমন্ত্ৰী ৰব জেটেন, ৰজা উইলেম-আলেকজেণ্ডাৰ আৰু ৰাণী মেক্সিমাৰ সৈতে সাক্ষাৎ কৰিব। শনিবাৰে এখন সামূহিক অনুষ্ঠানত ভাষণ দিয়ে মোদীয়ে। পশ্চিম এছিয়াত ভূ-ৰাজনৈতিক উত্তেজনাৰ মাজতে আৰম্ভ হোৱা এই ৬ দিনীয়া বিদেশ যাত্ৰাত প্ৰধানমন্ত্ৰীয়ে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্য লৈছে। নেডাৰলেণ্ডৰ পিছত তেওঁ ছুইডেন, নৰৱে আৰু ইটালী ভ্ৰমণ কৰিব।

## ১০০ দিনীয়া কৰ্মসূচী প্ৰস্তুত মন্ত্ৰী অতুল বৰাৰ

অসম চুক্তি ৰূপায়ণ বিভাগৰো দায়িত্ব লাভ কৰিছে। শনিবাৰে দিছপুৰৰ জনতা ভৱনৰ কাৰ্যালয়ত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে। এই উপলক্ষে তেওঁ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ লগতে আন বিভাগৰ বিষয়াবিদৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। পাছত সংবাদ মাধ্যমৰ সন্মুখত অতুল বৰাই কয়, "মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ বিভাগসমূহৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰো দায়িত্ব দিছে। এই দায়িত্ব ন্যস্ত কৰাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়াৰ সৈতে বৈঠকত ১০০ দিনীয়া কৰ্মসূচী প্ৰস্তুত কৰিছো। আমি এটা টিম হিচাপে কাম কৰিম। এই বিভাগটো অতি গুৰুত্বপূৰ্ণ, আৰু ইয়াত পুঁজিৰ অভাৱ নাই। গ্ৰাম্য উন্নয়নৰ বাবে সকলোৱে নিষ্ঠাৰে কাম কৰিব লাগিব। মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত চাহ বাগিচা অঞ্চলৰ প্ৰতিটো পৰিয়াললৈ এটাকৈ ঘৰ দিয়াটো আমাৰ লক্ষ্য। আত্মসহায়ক গোটসমূহক মৌ পালনৰ সুবিধা দিয়াৰো সিদ্ধান্ত লৈছো। আমি অধিক আত্মসহায়ক গোট গঠন কৰিম আৰু গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে বহু আঁচনি ৰূপায়ণ কৰিম। ৰাইজক সহযোগ কৰাৰ এইটো এটা ডাঙৰ সুযোগ।" আবকাৰী বিভাগ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে কয়, "যোৱা বছৰ আবকাৰী বিভাগে যথেষ্ট কৰ সংগ্ৰহ কৰিছে। এইবাৰ নতুনকৈ কাম কৰিব লাগিব। অসম চুক্তি ৰূপায়ণ বিভাগৰ কাম-কাজৰ অগ্ৰগতিত গুৰুত্ব দিয়া হ'ব। চুবুৰীয়া ৰাজ্যৰ সৈতে সীমা সমস্যা সমাধানৰ বাবে ইতিমধ্যে আলোচনা অব্যাহত আছে, আৰু আলাপ-আলোচনাৰ মাধ্যমেৰেই সমস্যা সমাধান কৰাৰ পদক্ষেপ লোৱা হৈছে। আটাইকেইখন ৰাজ্যৰ পৰা সহযোগিতা পাইছো। খিলঞ্জীয়াৰ সুৰক্ষা আমাৰ চৰকাৰৰ প্ৰথম পদক্ষেপ — এইটোৱেই চৰকাৰৰ মূল লক্ষ্য। অসম চুক্তি ৰূপায়ণ বিভাগ অত্যন্ত গুৰুত্বপূৰ্ণ, আৰু এই সন্দৰ্ভত বিষয়াসকলৰ সৈতে আলোচনা কৰিম।" সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত অতুল বৰাই ড্ৰাই এৰিয়া প্ৰসংগত কয়, "ৰাজহ সংগ্ৰহ আমাৰ মূল উদ্দেশ্য নহয়। আপোনালোকে দেখিছে যে ড্ৰাই এৰিয়াসমূহতো সুৰা সেৱন কৰা মানুহে নোখোৱাকৈ থকা নাই। চৰকাৰে সদায় নিয়ন্ত্ৰিতভাৱে আগবঢ়াৰ চেষ্টা চলাই আছে। সীমা বিবাদৰ ক্ষেত্ৰত চুবুৰীয়া ৰাজ্যৰ লগত আলোচনা যথেষ্ট আগবাঢ়িছে, মাজতে কিছুমান জটিলতা আহে যদিও আলোচনাৰ জৰিয়তে সমাধান বিচাৰিব লাগিব। কংগ্ৰেছ ক্ষমতাত থকা সময়তে এইবোৰ ৰাজ্য গঠন কৰা হৈছিল, সেই সময়তে কংগ্ৰেছেই সীমা নিৰ্ধাৰণ কৰি দিলে আজিৰ সমস্যা নহ'লহেঁতেন। তথাপি আমাৰ চৰকাৰে আলোচনাৰ পথেৰে সমস্যা সমাধানৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ নিৰাপত্তা আৰু সুৰক্ষা নিশ্চিত কৰাটোৱেই আমাৰ চৰকাৰৰ প্ৰধান লক্ষ্য, আৰু মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে এই কথা কৈ আহিছে আৰু পদক্ষেপ গ্ৰহণ কৰি আছে।" উল্লেখ্য যে এইবাৰ অতুল বৰাই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, আবকাৰী, সীমান্ত সুৰক্ষা আৰু অসম চুক্তি ৰূপায়ণ — মুঠ চাৰিটা বিভাগৰ দায়িত্ব পালন কৰিব। গ্ৰাম্য উন্নয়নৰ বাবে পুঁজিৰ অভাৱ নথকা বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে উল্লেখ কৰি ১০০ দিনৰ ভিতৰত কেইবাটাও নতুন আঁচনি ৰূপায়ণৰ সিদ্ধান্ত লোৱা বুলি জানিবলৈ দিয়ে।

## বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন নোহোৱালৈকে

চলিব নোৱাৰিব। মুখ্য ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ জয়মল্য বাগচিৰ বিচাৰপীঠে কয় যে পাহাৰৰ বাবে গঠন কৰা সমিতিখনে নতুন সংজ্ঞা নিৰ্ধাৰণ নকৰালৈকে খননৰ কোনো অনুমতি প্ৰদান কৰা নহ'ব। পাঁচ মাহ আগতে উচ্চতম ন্যায়ালয়ে আৰাৱলীৰ পৰিসীমা নিৰ্ধাৰণৰ বাবে এখন বিশেষজ্ঞ সমিতি গঠন কৰিছিল। শনিবাৰে গোচৰৰ শুনানিৰ সময়ত মুখ্য ন্যায়াধীশে কয়, "নতুন সংজ্ঞা প্ৰস্তুত নোহোৱালৈকে আৰাৱলীৰ এক ইঞ্চি মাটিও কোনেও চুব নোৱাৰিব।" তেওঁ লগতে উল্লেখ কৰে যে খননৰ লগত জড়িত শক্তিশালী লোকসকলৰ বাবেই এই সমস্যাৰ সৃষ্টি হৈছে। তথাপি আদালতৰ মূল লক্ষ্য হৈছে যিকোনো মূল্যৰ বিনিময়ত আৰাৱলী পাহাৰক সুৰক্ষা দিয়া। ন্যায়ালয়ৰ এই কঠোৰ ভংগিমাত পৰিৱেশ কৰ্মীসকল বহুত আনন্দিত হৈছে। যোৱা বছৰৰ পৰাই আৰাৱলী পাহাৰক লৈ বিতৰ্ক আৰম্ভ হৈছিল। কেন্দ্ৰীয় চৰকাৰে আৰাৱলীৰ সংজ্ঞা নিৰ্ধাৰণ কৰিবলৈ গৈ কৈছিল যে চাৰিওফালৰ মাটিতকৈ ১০০ মিটাৰ বা তাতকৈ বেছি ওখ ঠাইবোৰহে আৰাৱলী পাহাৰ বুলি গণ্য কৰা হ'ব। কিন্তু বিশেষজ্ঞ সমিতিয়ে কেন্দ্ৰৰ এই সংজ্ঞাত সন্মতি জনা নাছিল। তাৰ পাছতো তেতিয়াৰ মুখ্য ন্যায়াধীশ বি আৰ গাভায়ে কেন্দ্ৰৰ কথাকে সমৰ্থন কৰিছিল। ফলত ৰাজস্থান আৰু হাৰিয়ানাৰ পৰিৱেশবিদসকলে পাহাৰখন বচাবলৈ প্ৰতিবাদ আৰম্ভ কৰে। ইয়াৰ মাজতে এখন প্ৰতিবেদনত পোহৰলৈ আহে যে যোৱা সাত বছৰত কেৱল ৰাজস্থানতেই ৭১ হাজাৰতকৈ অধিক অবৈধ খননৰ ঘটনা সংঘটিত হৈছে। সেই ঘটনাবোৰৰ বেছিভাগেই আৰাৱলীৰ কাষৰীয়া জিলাসমূহত সংঘটিত হৈছিল। পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি যোৱা ডিচেম্বৰ মাহত উচ্চতম ন্যায়ালয়ে নিজেই এই গোচৰটো হাতত লয়। মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ বিচাৰপীঠে লগে লগে পূৰ্বৰ নিৰ্দেশ স্থগিত ৰাখে। শনিবাৰৰ এই নতুন নিৰ্দেশৰ পাছত এতিয়া স্পষ্ট হৈ পৰিছে যে আৰাৱলী পাহাৰৰ ভৱিষ্যত সম্পূৰ্ণৰূপে বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন আৰু উচ্চতম ন্যায়ালয়ৰ চূড়ান্ত সিদ্ধান্তৰ ওপৰত নিৰ্ভৰশীল।

## এনআৰচিৰ ডিজিটেল আন্তঃগাঁথনি শোচনীয়;

বিৰুদ্ধে তীব্ৰ উদ্বেগ প্ৰকাশ কৰিছে অসম বিধানসভাৰ প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। শনিবাৰে ৰাজ্যৰ মুখ্য সচিবলৈ এখন আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰি তেওঁ এন আৰ চিৰ ৱেবছাইটৰ গাফিলতি আৰু জনসাধাৰণৰ দুৰ্দশাৰ বিষয়ে অৱগত কৰাৰ লগতে এই সমগ্ৰ বিষয়টোৰ তৎকালীন তদন্ত দাবী কৰে। মুখ্য সচিবলৈ প্ৰেৰণ কৰা পত্ৰখনত শইকীয়াই উল্লেখ কৰে যে শেহতীয়াকৈ নিজৰ 'এপ্লি-কেশ্যন ৰিচিপ্ট নম্বৰ' (ARN) জানিবৰ বাবে তেওঁ এন আৰ চিৰ অফিচিয়েল ৱেবছাইটত প্ৰৱেশ কৰে। ৱেবছাইটৰ নিৰ্দেশনা মৰ্মে ৰাজ্যিক হেল্পলাইন নম্বৰ ১৫১০৭-ত যোগাযোগ কৰিবলৈ চেষ্টা চলোৱাৰ পাছতো কোনো সঁহাৰি লাভ নকৰে। ইয়াৰ পিছত তেওঁ অসমৰ বাহিৰৰ পৰা যোগাযোগ কৰিব পৰা চৰকাৰী টোল-ফ্ৰী নম্বৰ ১৮০০৩৪৫৩৭৬২-ত কল কৰিলে এক আশ্চৰ্যজনক পৰিস্থিতিৰ সন্মুখীন হয়। উক্ত চৰকাৰী নম্বৰটোৰ জৰিয়তে তেওঁক শ্বিলঙৰ এখন পশু চিকিৎসালয়ৰ সৈতে সংযোগ কৰা হয়। এই ঘটনাই চৰকাৰৰ প্ৰশাসনিক ব্যৱস্থা আৰু কাৰিকৰী ৰক্ষণাবেক্ষণৰ বাস্তৱিক ছবিখন স্পষ্টৰূপত উদঙাই দিছে বুলি শইকীয়াই ক্ষোভ প্ৰকাশ কৰে। প্ৰাক্তন বিৰোধী দলপতিগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰে যে এন আৰ চি প্ৰক্ৰিয়াত ৰাজহুৱা ধনৰ ১৬০০ কোটি টকাতকৈও অধিক ব্যয় কৰা হৈছিল, কিন্তু তাৰ ডিজিটেল আন্তঃগাঁথনি এনে অৱস্থাত কেনেকৈ থাকিল? তেওঁৰ মতে, অসমৰ ৰাইজে বিভিন্ন আইনী আৰু প্ৰশাসনিক কামৰ বাবে নিজৰ এন আৰ চিৰ তথ্য বিচাৰি অহৰহ হাবাথুৰি খাবলগীয়া হৈছে। আইটি (IT)ৰ পৰ্যবেক্ষণৰ নামত আবণ্টিত বিপুল পুঁজিৰ সঠিক ব্যৱহাৰ আৰু হিচাপ-নিকাচক লৈও তেওঁ সন্দেহ প্ৰকাশ কৰিছে। চৰকাৰে এনে অৱহেলাৰ জৰিয়তে পৰোক্ষভাৱে এন আৰ চিক গুৰুত্বহীন কৰিব বিচাৰিছে নেকি বুলিও পত্ৰখনত প্ৰশ্ন তোলে। জনসাধাৰণে যাতে নিৰ্বিঘ্নে নিজৰ তথ্য লাভ কৰিব পাৰে তাৰ বাবে শীঘ্ৰে ৱেবছাইট আৰু হেল্পলাইন সেৱা সুচাৰুৰূপে প্ৰদান কৰিবলৈ শইকীয়াই দাবী জনায়। এতিয়ালৈকে ৰাজ্য চৰকাৰ বা এন আৰ চি কৰ্তৃপক্ষৰ তৰফৰ পৰা এই অভিযোগৰ সন্দৰ্ভত কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হোৱা নাই। মুখ্য সচিবৰ কাৰ্যালয়ে পত্ৰখনৰ ভিত্তিত কি পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

## লাখ লাখ টকাৰ বিনিময়ত শিক্ষাৰ্থীক প্ৰশ্ন বিলাইছিল

মনীষা মান্ধাৰে নামৰ উদ্ভিদবিজ্ঞানৰ এই অধ্যাপিকা গৰাকী নেচনেল টেষ্টিং এজেন্সী (NTA)ৰ প্ৰশ্নকাকত প্ৰস্তুত কৰা সমিতিৰো সদস্যা আছিল। চি বি আইৰ দাবী অনুসৰি, তেওঁ এই সমগ্ৰ ফাদিলকাণ্ডৰ এগৰাকী অন্যতম মাষ্টাৰমাইণ্ড আৰু তেওঁৰ মাধ্যমতে জীৱবিজ্ঞানৰ প্ৰশ্নসমূহ বাহিৰলৈ প্ৰেৰণ কৰা হৈছিল। এই ঘটনাৰ মূল অভিযুক্ত অৱসৰপ্ৰাপ্ত ৰসায়ন বিজ্ঞানৰ অধ্যাপক পি ভি কুলকাৰ্ণী আৰু আন কেইজনমান সন্দেহভাজনক জেৰা কৰাৰ পাছতেই মনীষাক গ্ৰেপ্তাৰ কৰা হয়। তেওঁ পুনেৰ মডাৰ্ণ কলেজ অৱ আৰ্টছ, চাইন্স এণ্ড কমাৰ্চত কৰ্মৰত বুলি জানিব পৰা গৈছে। মহাবিদ্যালয়খনৰ সূত্ৰ অনুসৰি, মনীষাই যোৱা পাঁচ-ছয় বছৰ ধৰি এন টি এৰ হৈ নিট পৰীক্ষাৰ প্ৰশ্নকাকত প্ৰস্তুত কৰি আহিছে। এইবাৰৰ পৰীক্ষাৰ বাবেও উদ্ভিদবিজ্ঞান আৰু প্ৰাণীবিজ্ঞানৰ প্ৰশ্ন প্ৰস্তুত কৰিবলৈ তেওঁক বিশেষজ্ঞ হিচাপে নিযুক্তি দিয়া হৈছিল। তদন্তকাৰী বিষয়াসকলৰ মতে, মনীষাৰ হাতত উদ্ভিদবিজ্ঞান আৰু প্ৰাণীবিজ্ঞানৰ সম্পূৰ্ণ প্ৰশ্নকাকত উপলব্ধ আছিল। অভিযোগ উত্থাপিত হৈছে যে ২০২৬ চনৰ এপ্ৰিল মাহত পুনেত অনুষ্ঠিত এটি গোপন কোচিং ক্লাছত তেওঁ একাংশ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীক সেই প্ৰশ্নসমূহ ফাদিল কৰিছিল। চি বি আয়ে দাবী কৰে যে লাখ লাখ টকাৰ বিনিময়ত তেওঁ সেই প্ৰশ্ন আৰু তাৰ উত্তৰসমূহ ছাত্ৰ-ছাত্ৰীসকলক লিখাই দিছিল। মনীষাই দিয়া অধিকাংশ প্ৰশ্নই ৩ মে'ত অনুষ্ঠিত পৰীক্ষাত অহা প্ৰশ্নৰ সৈতে মিলি গৈছিল। প্ৰশ্নকাকত ফাদিলৰ এই ডাঙৰ অভিযোগৰ পাছতেই নিট পৰীক্ষা বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

## প্ৰশাসনিক ভুলৰ বাবে ঋষভ পণ্টক ১২ লাখ টকাৰ জৰিমনা

পণ্টক জৰিমনা বিহিছে। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলি লক্ষ্ণৌয়ে ৭ উইকেটত বিজয়ী হৈছিল, কিন্তু মেচৰ সময়ত প্ৰয়োজনীয় ওভাৰৰেট বজাই ৰাখিব নোৱাৰাত দলটো শাস্তিৰ সন্মুখীন হয়। বিচিচিআয়ে জনোৱা মতে, আইপিএল ২০২৬ৰ ৫৯ নম্বৰ মেচখনত ওভাৰৰেট বজাই ৰখাত ব্যৰ্থ হোৱাৰ বাবে পণ্টক আচৰণবিধিৰ অনুচ্ছেদ ২.২২ৰ অধীনত প্ৰথম পৰ্যায়ৰ অপৰাধী বুলি গণ্য কৰা হয়। এই বিধিটো দলসমূহৰ দ্বাৰা ন্যূনতম নিৰ্ধাৰিত ওভাৰৰেট উলংঘনৰ সৈতে জড়িত। জৰিমনা হিচাপে ঋষভ পণ্টক ১২ লাখ টকা দিবলগীয়া হয়। উল্লেখ্য যে ২০২৬ বৰ্ষত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ এইটোৱেই প্ৰথম ওভাৰৰেট অপৰাধ, সেয়ে অধিনায়কজনক মাত্ৰ ব্যক্তিগতভাৱে জৰিমনা দিয়া হয়। ইম্পেক্ট প্লেয়াৰকে ধৰি দলৰ বাকী কোনো খেলুৱৈক জৰিমনা বিহা নহয়। কিন্তু সতৰ্কবাণী দিয়া হৈছে যে আগন্তুক টুৰ্ণামেণ্টত দলটোৱে একে ভুল পুনৰাবৃত্তি কৰিলে পণ্টক দুগুণ জৰিমনা দিবলগীয়া হোৱাৰ লগতে অন্য খেলুৱৈসকলকো পৃথকে পৃথকে জৰিমনা বিহা হ'ব। প্ৰসংগত উল্লেখযোগ্য যে এই জয়ৰ পাছতো লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ইতিমধ্যে প্লেঅফৰ প্ৰতিযোগিতাৰ পৰা আনুষ্ঠানিকভাৱে বাহিৰ হৈ গৈছে। মিচেল মাৰ্চৰ উৎকৃষ্ট বেটিং প্ৰদৰ্শনত লক্ষ্ণৌয়ে চিএছকেৰ বিৰুদ্ধে ১৮৭ ৰান তাড়া কৰি জয়লাভ কৰে। এই পৰাজয়ৰ ফলত ৰুটুৰাজ গাইকৱাডৰ চেন্নাই ছুপাৰ কিংছৰ প্লেঅফ সম্ভাৱনা ৩৫.৯ক্ষ লৈ হ্ৰাস পায়। আইপিএল ২০২৬ত দীৰ্ঘদিনীয়া কৌশলগত আলোচনাৰ বাবে ওভাৰৰেট উলংঘন এক চৰ্চিত সমস্যা হৈ পৰিছে। সম্প্ৰচাৰ কাৰ্যসূচীৰ নিৰ্ধাৰিত সময়সীমা ৰক্ষা কৰিবলৈ বিচিচিআয়ে মেচৰ সময় নিৰ্ধাৰণ সম্পৰ্কীয় নিয়মসমূহ কঠোৰভাৱে বলৱৎ কৰি আহিছে। এই কাৰণেই অলপ অসাৱধানতাই বৰ জৰিমনা কঢ়িয়াই আনিব পাৰে বুলি স্পষ্ট হৈ পৰিছে।

## বিশ্বৰ মানচিত্ৰত থাকিব বিচাৰে নে ইতিহাসত সমাধিস্থ হ'ব

কলাপ চলাই থাকে, তেন্তে তেওঁলোকে সিদ্ধান্ত ল'ব লাগিব — বিশ্বৰ মানচিত্ৰত নিজকে স্থান দিব বিচাৰে নে ইতিহাসত সমাধিস্থ হৈ পৰিব বিচাৰে? শনিবাৰে মানেক্সা কেন্দ্ৰত আয়োজিত 'সেনা সংবাদ' (সেনা সংলাপ) কাৰ্যসূচীত ভাষণ দি জেনেৰেল দ্বিবেদীয়ে এই মন্তব্য কৰে। অপাৰেচন সেন্দুৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে তেওঁ পাকিস্তানক নিজৰ নীতি সলনি কৰিবলৈ আহ্বান জনায়। তেওঁ স্পষ্টভাৱে কয়, "যদি যোৱা বছৰৰ 'অপাৰেচন সেন্দুৰ'ৰ দৰে পৰিস্থিতিৰ সৃষ্টি হয়, তেন্তে ভাৰতীয় সেনাই সেইদৰেই অথবা তাতোকৈ অধিক শক্তিশালী ৰূপে প্ৰত্যুত্তৰ দিব।" বিগত বৰ্ষৰ ৭ মে'ত পহলগামত সংঘটিত মাৰাত্মক সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতি সঁহাৰি জনাই ভাৰতে অপাৰেচন সেন্দূৰ আৰম্ভ কৰিছিল। এই অভিযানত ভাৰতীয় সেনাই পাকিস্তান আৰু পাকিস্তানৰ দখলত থকা কাশ্মীৰৰ সন্ত্ৰাসবাদী ঘাটিত নিখুঁত আক্ৰমণ চলাইছিল। সেনা প্ৰধানগৰাকীয়ে উল্লেখ কৰে যে ভাৰতে সদায় শান্তি বিচাৰে, কিন্তু পাকিস্তানে যদি সন্ত্ৰাসবাদ বিয়পাই থাকে তেন্তে ভাৰতে ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ নকৰে। এই বাৰ্তা ভাৰতৰ অদম্য সংকল্পৰ প্ৰমাণ হিচাপে কাম কৰাৰ লগতে সমগ্ৰ বিশ্বকো স্পষ্টকৈ জানিবলৈ দিছে যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰত যিকোনো পৰিমাণে সঁহাৰি দিবলৈ সাজু।

## কামৰূপ জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান

অৱস্থিত এই ভূমিখণ্ড দখল কৰি আছিল ফুকন চন্দ্ৰ বৰা আৰু বিনীতা দাস নামৰ এটা পৰিয়ালে। প্ৰশাসনে পৰিয়ালটোৰ বাসগৃহ উচ্ছেদ কৰে। জানিব পৰা মতে, পৰিয়ালটোৱে গো-পালন আৰু তাঁতশাল বৈ জীৱিকা নিৰ্বাহ কৰি আহিছিল। প্ৰায় ৪০ বছৰ ধৰি তেওঁলোক এই চৰকাৰী ভূমিত বসবাস কৰি আছিল। পৰিয়ালটোৰ দাবী অনুসৰি, তেওঁলোকে ৩৮৮ নং ৰছিদযোগে নিয়মীয়াভাৱে খাজানা প্ৰদান কৰি আহিছিল। লগতে তেওঁলোকৰ মতে, এই ভূমিখণ্ড সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত এটা গোচৰ বৰ্তমান বিচাৰাধীন হৈ আছে। কিন্তু কামৰূপ জিলা প্ৰশাসনে সদৰি কৰা অনুসৰি, আদালতৰ নিৰ্দেশৰ ভিত্তিতেই এই উচ্ছেদ অভিযান চলোৱা হৈছে। প্ৰশাসনৰ উচ্ছেদ অভিযানৰ পিছত ভুক্তভোগী পৰিয়ালটোৱে এক গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁলোকৰ অভিযোগ, খোদ জিলা আয়ুক্ত কাৰ্যালয়ৰ একাংশ উচ্চপদস্থ বিষয়াই চৰকাৰী ভূমি নিজে হস্তগত কৰি বিক্ৰী কৰি আছে। এই বিষয়টো সন্দৰ্ভত প্ৰশাসনৰ তৰফৰ পৰা কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া এতিয়ালৈকে প্ৰকাশ পোৱা নাই। পৰিয়ালটোৱে ন্যায় বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ ইংগিত দিছে।

## মুখ্যমন্ত্ৰীৰ সচিবালয়ত তিনি গৰাকী বিষয়াৰ পুনৰ্নিযুক্তি

হৈছে। ইয়াৰ লগতে হেমন্ত চৌধুৰীক ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ সহকাৰী গৱেষণা বিষয়াৰ পদত পুনৰ নিযুক্তি প্ৰদান কৰা হৈছে। আনহাতে, নৱজিৎ পাটগিৰিক পুনৰ বিশেষ কৰ্তব্যৰত বিষয়াৰ দায়িত্বত নিযুক্তি দিয়া হয়। মুখ্যমন্ত্ৰীৰ সচিবালয় বিভাগৰ পৰা জাৰি হোৱা এই নিৰ্দেশনাত উপৰ্যুক্ত তিনিগৰাকী বিষয়াই আগতেও একে পদত কাৰ্যনিৰ্বাহ কৰি আহিছিল। নতুনকৈ পুনৰ্নিযুক্তি প্ৰদান কৰাত তেওঁলোকে নিজ নিজ দায়িত্বভাৰ গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে।

# ডুমডুমাৰ ৰাইডাং চাহ বাগিচাত দুষ্প্ৰাপ্য ক'লা ঘোংৰ উপস্থিতি

## স্থানীয় ৰাইজৰ মাজত আতংকৰ লগতে উৎসাহ সৃষ্টি



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৬ মে'** ঃ ৰাজ্যত অব্যাহত আছে মানুহ-বন্যপ্ৰাণীৰ সংঘাত। ইয়াৰ মাজতে তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ গাতে লাগি থকা ৰাইডাং চাহ বাগিচাৰ হাঁহচৰা ডিভিজনত কালি পুৱাভাগত এটা দুষ্প্ৰাপ্য 'ক'লা ঘোং' (Black Panther) প্ৰত্যক্ষ হোৱাৰ পিছতে বাগিচাখনত তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে। বিশেষকৈ কেইদিনমান পূৰ্বে বাগিচাখনৰ হাঁহচৰা ডিভিজনৰ মটক লাইনৰ ১০ নং ছেকচনৰ পৰা বন বিভাগে এটা প্ৰকাণ্ড নাহৰফুটুকী বাঘ পিঞ্জৰাবদ্ধ কৰা পিছতেই এই বিৰল তথা দুষ্প্ৰাপ্য জন্তুটো দেখা পোৱাত স্থানীয় ৰাইজ আৰু চাহ শ্ৰমিকসকলৰ মাজত আতংকৰ লগতে কিছু উৎসাহৰ সৃষ্টি হৈছে। ইতিমধ্যে ক'লা ঘোংটোৰ এটা ভিডিঅ' ছ'চিয়েল মিডিয়াত ব্যাপকভাৱে ভাইৰেল হৈ পৰিছে। প্ৰত্যক্ষদৰ্শীসকলে জানিবলৈ দিয়া মতে, ঘন জোপোহাৰ মাজেৰে ই পাৰ হৈ গৈছিল। এই সন্দৰ্ভত স্থানীয় এজন লোকে কয়, "কুঁৱলীৰ মাজত ইয়াক এটা ভূতৰ দৰে লাগিছিল - সম্পূৰ্ণ ক'লা। আমি আগতে নাহৰফুটুকী বাঘ দেখিছোঁ, কিন্তু এই জন্তুবিধ আগতে দেখা পোৱা নাছিলোঁ।" উল্লেখ্য যে, এই 'ক'লা ঘোং' হৈছে মূলত নাহৰফুটুকী বাঘ (Leopard) বা জাগুৱাৰৰ এটা মেলানিষ্টিক (melanistic) ৰূপ, যিটো জিনীয় কাৰণত সম্পূৰ্ণ ক'লা বৰণৰ হয়। ইহঁতৰ গাটো সম্পূৰ্ণ ক'লা বা গাঢ় মুগা বৰণৰ হ'য়, কিন্তু চকুৰে ভালকৈ চালে ক'লা আঁচ বা ফুটবোৰ দেখা পোৱা যায়। এছিয়া আৰু আফ্ৰিকাত পোৱা ক'লা ঘোংবোৰ প্ৰধানকৈ নাহৰফুটুকী বাঘ (Panthera pardus)। অসম আৰু উত্তৰ-পূব ভাৰতৰ বনাঞ্চলত এইবোৰ দেখা পোৱা যায়। স্বভাৱত ইহঁত বনৰীয়া, অকলশৰীয়া আৰু চিকাৰী প্ৰাণী। ইয়াৰ পূৰ্বে অৰুণাচল প্ৰদেশৰ পক্কে টাইগাৰ ৰিজাৰ্ভ আৰু মানস ৰাষ্ট্ৰীয় উদ্যানতহে এনে ক'লা ঘোঙৰ উপস্থিতি নিশ্চিত কৰা হৈছিল। অৱশ্যে শেহতীয়াকৈ তিনিচুকীয়া জিলাৰ বিভিন্ন চাহ বাগিচা যেনে - ৰাইডাং, দৈমুখীয়া (ৰ'জবেৰী) আৰু দেওহালত নাহৰফুটুকী বাঘৰ চলাচল তথা বিচৰণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বাসস্থানৰ অভাৱ, বনাঞ্চল ধ্বংস আৰু খাদ্যৰ নাটনিৰ বাবে এই বন্যপ্ৰাণীসমূহ চাহ বাগিচাসমূহক অস্থায়ী বাসস্থান হিচাপে ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। এই সন্দৰ্ভত বন বিভাগৰ এগৰাকী বিষয়াই জনোৱা মতে, বৰ্তমান হাঁহচৰা অঞ্চলত তহলদাৰী বৃদ্ধি কৰা হৈছে। তেওঁ লগতে কয়, "আমি পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছোঁ। প্ৰয়োজন সাপেক্ষে কেমেৰা ট্ৰেপিং আৰু জন্তুটোক সুৰক্ষিতভাৱে উদ্ধাৰ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।" প্ৰকৃতিপ্ৰেমীসকলৰ মতে, এই বিৰল দৃশ্যই অসমৰ জৈৱ-বৈচিত্ৰ্যৰ চহকী ৰূপটোক পুনৰবাৰ প্ৰতিফলিত কৰিছে যদিও বন্যপ্ৰাণী আৰু মানুহৰ মাজত বৃদ্ধি পোৱা সংঘাত নিৰ্মূলৰ বাবে এই ক্ষেত্ৰত এক সুচিন্তিত পদক্ষেপৰ প্ৰয়োজনীয়তা আছে। উল্লেখযোগ্য যে, ৰাইডাং চাহ বাগিচাত যোৱা এটা মাহত ৬টাকৈ নাহৰফুটুকী বাঘ পিঞ্জৰাবদ্ধ হয়। উক্ত ক'লা ঘোঙটো আজি সমীপৰ চামডাং চাহ বাগিচাত এগৰাকী চাহ শ্ৰমিকে প্ৰত্যক্ষ কৰা বুলিও জানিব পৰা গৈছে।

## ধাৰাসাৰ বৰষুণে বিঘ্নিত কৰিছে যাতায়ত; খোজকাঢ়ি যাবলৈ ও অপাৰগ গাঁওবাসী

# জাঁজী-তামোলীছিগা মথাউৰি পথৰ শোচনীয় ৰূপ

**অসম বাৰ্তা, জাঁজী, ১৬ মে'** ঃ- উজনি অসমৰ এটা মথাউৰিৰ বিষয়ে বাৰম্বাৰ সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাই আহিছে যদিও কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ। উল্লেখ্য যে শিৱসাগৰ আৰু যোৰহাট জিলাৰ সীমাতে লাগি থকা জাঁজীৰ পৰা তামোলীছিগালৈকে প্ৰায় ৭ কিঃমিঃ মথাউৰি পথটোৱে ৰাইজক বাৰুকৈয়ে জ্বলাকলা খুৱাইছে। পূৰ্বৰ টীয়ক সমষ্টি আৰু বৰ্তমান মৰিয়নি সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা এই পথটোত ১৮/২০খন গাঁৱৰ ৰাইজে অহাযোৱা কৰে। এই পথেদি তামোলীছিগা হৈ ভগামুখ, খনামুখ, হাতীঘুলি হৈ শিৱসাগৰ নগৰলৈ যাব পাৰি। তদুপৰি এই পথটোৰ ৰাইজ স্বাস্থ্যজনিত কাৰণত জাঁজী চিকিৎসালয় আৰু ভগামুখ চিকিৎসালয়লৈ যায়। দৈনিক শিক্ষাৰ্থীসকল অহাযোৱা কৰে। কিন্তু পথটোৰ কদৰ্য ৰূপে ৰাইজক জ্বলাকলা খুৱাইছে। পথটোৰ শোচনীয় অৱস্থাৰ বাবে তৎকালীন সেৱাও ইয়াত উপলব্ধ নহয়। প্ৰাপ্ত তথ্য মতে যোৰহাট উপ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাই পথটো পকীকৰণৰ বাবে গড়কাপ্তানি বিভাগে আপত্তি বিহীন প্ৰমাণ পত্ৰ দিছিল যদিও আজি পৰ্যন্ত ১০ শতাংশ কাম নহ'ল। প্ৰণিধানযোগ্য যে লোকসভা নিৰ্বাচনৰ আগমুহূৰ্তত সমষ্টি সমূহ পুনৰগঠন হোৱাত এই পথটো থকা এটা বৃহৎ অঞ্চল মৰিয়নি সমষ্টিৰ অন্তৰ্ভুক্ত হয়। উল্লেখযোগ্য যে অলপ দিনৰ আগতে এই পথটোৰ সমীপৰ বৰা গাঁৱত এখন সভাত মন্ত্ৰী পিযুষ হাজৰিকা আৰু মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী উপস্থিত থাকি পথটো উন্নীতকৰণৰ প্ৰতিশ্ৰুতি দিছিল। সমান্তৰাল ভাৱে টীয়ক ৰজাবাৰীত অনুষ্ঠিত হোৱা এখন জনসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিধান সভাৰ নিৰ্বাচনৰ আগতে পথ চোৱা পকীকৰণ কৰা হ'ব বুলি উল্লেখ কৰিছিল যদিও সেইয়া স্থবিৰ হোৱা দেখা গৈছে। আনহাতে যোৱা ২৬ জানুৱাৰীত শিমলুগুৰি ব্ৰাহ্মণ গাঁৱৰ নামঘৰত অনুষ্ঠিত হোৱা এক ৰাজহুৱা অনুষ্ঠানত বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে ফেব্ৰুৱাৰি মাহৰ ভিতৰত পথ চোৱা পকীকৰণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰিছিল যদিও ১০ শতাংশ কাম কৰিয়েই ঠিকাদাৰে লেহেমীয়া কাম কৰাৰ পৰিপ্ৰেক্ষিতত গাঁওবাসীয়ে যমৰ যাতনা ভুগিব লগা হৈছে। উল্লেখ্য যে যোৱা দুদিনমান ধাৰাসাৰ বৰষুণৰ ফলত যাতায়ত ব্যৱস্থা ব্যাহত হৈ পৰিছে। এতিয়া নতুন চৰকাৰ গঠন হোৱাৰ পাছত কিমান খৰটকীয়া কাম হয় সেইয়া সময়েহে কব।

# গোসাঁইগাঁৱত আদিবাসী জনগোষ্ঠীৰ ৩০ সংখ্যক ক'লা দিৱস পালন

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৬ মে'** ঃ ১৯৯৬ চনৰ বড়ো-আদিবাসী গোষ্ঠী সংঘৰ্ষত নৃশংসতাৰ বলি হোৱা লোকসকলক স্মৰণ কৰি আজি গোসাঁইগাঁও মহকুমাৰ বিভিন্ন প্ৰান্তত ৩০ সংখ্যক আদিবাসী কলা দিৱস পালন কৰা হয়। সত্যপুৰ, গোমনা আৰু কচুগাঁও আদি অঞ্চলত শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰতি বছৰে ১৫ মে তাৰিখে আদিবাসী জনগোষ্ঠীয়ে এই দিনটো কলা দিৱস হিচাপে পালন কৰি আহিছে। সেই অনুসৰি এইবেলিও সত্যপুৰ এম ই স্কুল খেলপথাৰত অনুষ্ঠিত কাৰ্য্যসূচীত পুৱা কলা পতাকা উত্তোলন কৰা হয়। ইয়াৰ পিছতে শ্বহীদ বেদীত মাল্যাৰ্পণ কৰি নিহতসকলক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উল্লেখ্য যে, ১৯৯৬ চনত বড়ো আৰু আদিবাসী জনগোষ্ঠীৰ মাজত সংঘটিত হোৱা গোষ্ঠী সংঘৰ্ষই নামনি অসমৰ বঙাইগাঁও, কোকৰাঝাৰ, অবিভক্ত গোৱালপাৰা আৰু ধুবুৰী জিলাত ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ১৫ মে তাৰিখে সংঘটিত সেইনৃশংস ঘটনাত বহু নিৰীহ শিশু, মহিলা আৰু পুৰুষক হত্যা কৰা হৈছিল। সেইঘটনাত নিহত লোকসকলক আদিবাসী জনগোষ্ঠীয়ে শ্বহীদ হিচাপে স্বীকৃতি দি প্ৰতিবছৰে শ্ৰদ্ধাৰে স্মৰণ কৰি আহিছে। আজিৰ অনুষ্ঠানতো স্থানীয় ৰাইজ, সমাজকৰ্মী তথা বিভিন্ন সংগঠনৰ বিষয়ববীয়াসকলে উপস্থিত থাকি শ্বহীদসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰে।

# পেঙেৰী চাহ বাগিচাত অনুষ্ঠিত হৈ গ'ল এখন ব্যতিক্ৰমী বিহু সন্মিলন

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৬ মে'** ঃ আজি দিনজোৰা কাৰ্যসূচীৰে তিনিচুকীয়া জিলাৰ পেঙেৰী চাহ বাগিচাত এখন ব্যতিক্ৰমী বিহু সন্মিলন অনুষ্ঠিত হৈ যায়। অসম চাহ কৰ্মচাৰী সংঘ আৰু অসম চাহ মজদুৰ সংঘৰ পেঙেৰী বাগিচা গোটৰ উদ্যোগত দ্বিতীয়বৰ্ষৰ বাবে আয়োজিত এই বিহুখন অনুষ্ঠিত হয় বাগিচাৰ ৰঙ্গমঞ্চত। পুৱা বিহুৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ কাৰ্যসূচী সম্পন্ন হোৱাৰ পাছতেই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই বিহুখনৰ বিশেষত্বটোৱেই হ'ল যথা সময়ত কাৰ্যসূচী ৰূপায়ণ কৰা। প্ৰতিগিযোগিতাসমূহত চাহ জনগোষ্ঠীয় আৰু আদিবাসী প্ৰতিযোগীৰ অংশগ্ৰহণ আছিল বিহু সন্মিলনখনৰ অন্যতম যোগাত্মক দিশ।




প্ৰতিযোগিতাসমূহৰ ভিতৰত আছিল ঢোল বাদন, পেঁপা বাদন, গগনা বাদন আৰু বিহুনাচ প্ৰতিযোগিতা অন্যতম। মনোৰঞ্জনৰ হেতু কণীযুঁজৰ কাৰ্যসূচী সম্পন্ন হোৱাৰ পাছতেই বাগিচাৰ হুঁচৰি দলে হুঁচৰি গাই মঞ্চ মুকলি কৰে। বিয়লি অনুষ্ঠিত মুকলি আৰু বঁটা বিতৰণি সভাখনত সভাপতিত্ব কৰে উদযাপন সমিতিৰ সভাপতি ৰাতুল শইকীয়াই। যুটীয়া সম্পাদক দিগমল তাঁতীয়ে আঁত ধৰা মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াই অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হৈ অহাৰ বিষয়টো সুন্দৰকৈ ব্যাখ্যা কৰে। তেওঁ আৰু কয় যে অসমীয়া জাতিক জীয়াই ৰখাৰ স্বাৰ্থত আৰু স্বাভিমান ৰক্ষাৰ সমান্তৰালকৈ সম্প্ৰীতিৰ এনাজৰীডাল বৰ্তাই ৰখাৰ বাবেই বিহু পাতিব লাগিব। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য ৰাখে পেঙেৰী চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক দেৱৰ্ষি বড়া, জ্যেষ্ঠ সাংবাদিক ৰবীন মৰাণ আৰু বিহু সুৰক্ষা সমিতিৰ মাধৱপুৰ-পেঙেৰী আঞ্চলিক সমিতিৰ সম্পাদিকা মামণি বড়াই। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰে জনপ্ৰিয় কণ্ঠশিল্পী দিগন্ত মহনে।

## তৰাণিৰ তিনিঘৰত চলিল ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ বৃহৎ দলৰ তালাচী

# পেঙেৰীত পুৱাই 'এন আই এ'ৰ অভিযান

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৬ মে'** ঃ নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন 'আলফা স্বাধীন'ৰ স'তে জড়িত এক গোচৰৰ ভিত্তিত তিনিচুকীয়া জিলাৰ পেঙেৰী থানাৰ অন্তৰ্গত তৰাণি গাঁৱত আজি (১৫ মে') নিচেই পুৱাতে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এন আই এ)ই অভিযান চলাইছিল। প্ৰাথমিক তথ্য অনুসৰি এন আই এৰ চাৰিজনীয়া বিষয়াসহ দহ-বাৰখন বাহনেৰে যোৱা এন আই এৰ দলে গাঁওখনৰ তিনিজন ব্যক্তি ক্ৰমে উজ্জ্বল বৰুৱা, নিৰন্ত মৰাণ, আৰু পংকজ মৰাণৰ বাসগৃহত অভিযান চলায়। উল্লেখ্য যে তৰাণি গাঁৱৰ মন্দেশ্বৰ আৰু পূৰ্ণিমা বৰুৱাৰ পুত্ৰ উজ্জ্বল বৰুৱা আলফা স্বাধীনৰ সক্ৰিয় কেডাৰ বুলি জানিব পৰা গৈছে। তেওঁ এই সংগঠনটোত যোগদান কৰিছিল কেইবাবছৰৰো পূৰ্বেই। আনহাতে নিৰন্ত মৰাণ আৰু পংকজ মৰাণক আজিৰ পৰা প্ৰায় দুবছৰৰ পূৰ্বে আলফা গমনৰ পৰিকল্পনা ব্যৰ্থ কৰিছিল আৰক্ষীয়ে। আজি নিচেই পুৱাতে দহ-বাৰখন বাহনৰ কনভয়টোৱে প্ৰথমে গাঁওবাসীক আতংকিত কৰি তুলিছিল। দলটোৱে প্ৰথমে তিনিওটা ঘৰ নজৰবন্দীত ৰাখি প্ৰথমে আলফা সদস্য উজ্জ্বল বৰুৱাৰ ঘৰত তন্ন তন্নকৈ তালাচী চলায়। তালাচীকালত দলটোৱে 'আখাশালী'ত প্ৰৱেশ কৰা কাৰ্যই গৃহস্থৰ মনত আঘাত দিয়ে বুলিও জনা যায়। কাৰণ মৰাণ সমাজত পাকঘৰখনক বিশেষ ধৰ্মীয় তথা আধ্যাত্মিক মৰ্যাদাৰ আওতাত ৰখাৰ কথাটো বহুতৰে বাবে জ্ঞাত। এই অভিযানৰ আঁৰৰ সঠিক উদ্দেশ্য এতিয়াও কৰ্তৃপক্ষই আনুষ্ঠানিকভাৱে জানিবলৈ দিয়া নাই যদিও ভাৰতীয় ন্যায় সংহিতাৰ ১৪৭/ ১৪৮/ ১৫২/ ১৯৬/১৯৭/৬১ ধাৰা আৰু ১০/১৩ ইউ এ (পি) এ"ৰ, ১৯৬৭, এক্সপ্ল'ছিভ ছাবচটেন্স এক্ট, ১৯০৮ৰ ছেকচন ৪, ৫ ৰ অধীনত ১৭-০৯-২০২৪ তাৰিখতে পঞ্জীভুক্ত ০৪/২০২৪/এন আই এ/গুৱাহাটী গোচৰৰ ভিত্তিত তালাচী চলোৱাৰ কথা জানিব পৰা গৈছে 'মেম'ৰেণ্ডাম অব ছাৰ্চ এণ্ড ছিজাৰ'ৰ জৰিয়তে। এন আই এৰ দলটোক নেৰ্তৃত্ব দিছিল ইন্সপেক্টৰ ছাইফুল্লী এম কেই আৰু সহযোগী হিচাপে আছিল এল কে গগৈ, মহেশ বড়ো আৰু দীপক নাথ। এই বৃহৎ দলটোৱে যোৱাৰ সময়ত ডিগবৈ পৌৰসভাৰ কাৰ্যবাহী বিষয়া অনিৰুদ্ধ বৰা আৰু বুঢ়ীদিহিং গাঁও পঞ্চায়তৰ সচিব এঞ্জেলিনা হাজৰিকা, দুগৰাকী মহিলা আৰক্ষী জুলি মৰাণ আৰু চুমি সোণোৱালক দলটোৰ স'তে সাক্ষী ৰূপে লৈ গৈছিল। এতিয়া প্ৰশ্ন হয়, তৰাণিৰ দৰে এখন ঘোঁকট গাঁৱৰ এই তিনিজন যুৱকৰ বিৰুদ্ধে কিনো এনে গুৰুতৰ বিষয় জড়িত আছে যে গুৱাহাটীৰ পৰা এটা ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী দলে হঠাতে এণ্ট্ৰী মাৰিব লগা হ'ল?

# অহা ২১ আৰু ২২ মে'ত SAI তিনিচুকীয়াত এথলেটিকছ-ফুটবলৰ বাছনি

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ১৬ মে'** ঃ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ তিনিচুকীয়া প্ৰশিক্ষণ কেন্দ্ৰই ২০২৬-২৭ বৰ্ষৰ বাবে এথলেটিকছ আৰু ফুটবল অনুশাসনত ল'ৰা-ছোৱালী খেলুৱৈক নতুনকৈ অন্তৰ্ভুক্ত কৰিবলৈ বাছনি পৰীক্ষাৰ আয়োজন কৰিছে। অহা ২১ আৰু ২২ মে'ত বৰগুৰিস্থিত এছটিচি সৰ্বানন্দ সিং ষ্টেডিয়ামত এই বাছনি অনুষ্ঠিত হ'ব। কেন্দ্ৰটোৱে জাৰি কৰা প্ৰেছ বিজ্ঞপ্তি অনুসৰি, ১২ৰ পৰা ১৬ বছৰ বয়সৰ খেলুৱৈয়ে বাছনিত অংশ ল'ব পাৰিব। ৰাষ্ট্ৰীয় পৰ্যায়ত পদক বিজয়ী আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰা খেলুৱৈৰ বাবে বয়সৰ শিথিলতা দিয়া হ'ব। এথলেটিকছৰ বাবে আৱাসিক আৰু অনা-আৱাসিক আঁচনিৰ অধীনত ল'ৰা আৰু ছোৱালী উভয়ে অংশ ল'ব পাৰিব। আনহাতে ফুটবলৰ বাবে কেৱল অনা-আৱাসিক আঁচনিৰ অধীনত ছোৱালী খেলুৱৈৰ বাছনি কৰা হ'ব। দুয়োটা শাখাৰ বাছনি পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব। বাছনিত অংশ ল'বলৈ ইচ্ছুক খেলুৱৈসকলে জন্মৰ প্ৰমাণ পত্ৰ, আধাৰ কাৰ্ড, ক্ৰীড়া কৃতিত্বৰ প্ৰমাণ পত্ৰ, দুখন পাছপ'ৰ্ট আকাৰৰ ফটো, বিদ্যালয়ৰ প্ৰামাণিক পত্ৰ, শাৰীৰিক সক্ষমতাৰ প্ৰমাণ পত্ৰ লগত আনিব লাগিব। লগতে সকলো নথিপত্ৰৰ স্ব-প্ৰমাণিত ফটোকপিৰ দুটা ছেট, ক্ৰীড়া কিট আৰু নিৰ্দিষ্ট গেম কিট অনা বাধ্যতামূলক। সবিশেষৰ বাবে SAI তিনিচুকীয়াৰ কাৰ্যালয়ত যোগাযোগ কৰিব পাৰিব। ম'বাইল নংঃ ৮৭৮৭৭৭৪৩৬৮, ৯৬৯৬৩২০৪৫৯। ই-মেইলঃ sai.sag.tinsukia@gmail.com।

## প্ৰাচীৰ পত্ৰিকা "স্ৰোতস্বিনী" উন্মোচন

# তামোলীছিগাৰ ঘনকান্ত বৰা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণি সভা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ১৬ মে'** ঃ যোৰহাট জিলাৰ তামোলীছিগাৰ ঘণকান্ত বৰা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ২০২৬ বৰ্ষৰ নৱাগত আদৰণি সভাখন আজি অনুষ্ঠিত হয়। আজি পুৱাৰ ভাগত শিক্ষানুষ্ঠান খনৰ অধ্যক্ষ গুণমণি কলিতাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছতে স্মৃতিতৰ্পণ কৰে শিক্ষয়িত্ৰী মনালিছা গগৈয়ে। অনুষ্ঠানত বৃক্ষৰ পুলি ৰোপণ কৰে শিক্ষক বাহাৰুল ইছলামে। আনহাতে শিক্ষানুষ্ঠানখনৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা "স্ৰোতস্বিনী" ২০২৬ বৰ্ষৰ সংখ্যাটো উন্মোচন কৰে অৱসৰী শিক্ষক অজিত চন্দ্ৰ নেওগে। ইয়াৰ পিছতে শিক্ষানুষ্ঠানখনৰ নৱাগত আৰু পুৰণি শিক্ষাৰ্থী সকলৰ মাজত অনুষ্ঠিত হয় এক অন্তৰংগ আলাপৰ অনুষ্ঠানত। দুপৰীয়া শিক্ষানুষ্ঠানখনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি অৱসৰী শিক্ষক যোগেন চন্দ্ৰ কোচৰ সভাপতিত্বত অনুষ্ঠিত নৱাগত আদৰণি অনুষ্ঠানৰ মুকলি সভাত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অধ্যক্ষ গুণমণি কলিতাই। শিক্ষাৰ্থী সকলে পৰিবেশন কৰা বিদ্যালয়ৰ সমবেত সংগীতেৰে আৰম্ভ কৰা সভাত আদৰণি ভাষণ আগবঢ়াই অধ্যক্ষ গুণমণি কলিতাই। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আনন্দ বৰাই শিক্ষাৰ্থী সকলৰ উপযোগী মনোগ্ৰাহী আৰু তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। সভাত, ৰাতুল বৰুৱা, জ্যেষ্ঠ সাংবাদিক ধ্ৰুৱজ্যোতি ভট্টাচাৰ্যৰ লগতে বিদ্যালয়খনৰ অৱসৰী শিক্ষয়িত্ৰী ৰূপা দত্ত আৰু মণিমালা গগৈ বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে। সভাত শিক্ষানুষ্ঠানখনৰ ছাত্ৰ একতা সভাৰ সম্পাদক বিকাশ বৰাই নৱাগত শিক্ষাৰ্থী সকলক আদৰণি জনায়। অনুষ্ঠানৰ শেষত এক সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়।

# গেলেকীৰ চুতীয়া খণ্ডৰ যুৱ সমাজৰ উদ্যোগত আৰু গেলেকীবাসী ৰাইজৰ সহযোগত অষ্টম বাৰ্ষিক ৰঙালী বিহু সন্মিলন

**অসম বাৰ্তা, গেলেকী, ১৬ মে'** ঃ নাজিৰা সম-জিলাৰ অন্তৰ্গত গেলেকীৰ চুতীয়া খণ্ডৰ যুৱ সমাজৰ উদ্যোগত আৰু গেলেকীবাসী ৰাইজৰ সহযোগত অষ্টম বাৰ্ষিক ৰঙালী বিহু সন্মিলন এদিনীয়া কাৰ্যসূচীৰে সম্পন্ন হয়। বিনোৱাজী বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হয় এই বিহু সন্মিলনৰ। কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত বিহুৱান উত্তোলন কৰে চুতীয়া খণ্ডৰ যুৱ সমাজৰ স্থায়ী সভাপতি নিপেন গগৈয়ে সহযোগী হিচাপে আছিল উদযাপন সমিতিৰ সভাপতি জিতু মৰাণ। পৰৱৰ্তী কাৰ্যসূচী হিচাপে স্মৃতি তৰ্পণ কৰে চুতীয়া খণ্ডৰ যুৱ সমাজৰ স্থায়ী সমিতিৰ সম্পাদক বিকাশ গগৈয়ে সহযোগী হিচাপে আছিল উদযাপন সমিতিৰ সম্পাদক বিধান গগৈ। পুৱা ৯ বজাত বৃক্ষৰোপণ কাৰ্যসূচীত বৃক্ষৰোপণ কৰে বিনোৱাজী এম, ই, স্কুলৰ প্ৰধান শিক্ষক অৰুণ নায়কে। ইয়াৰ পিছৰ কাৰ্যসূচী হিচাপে ৭৫: বছৰ উৰ্দ্ধৰ ব্যক্তিসকলক বিহুৰ সেৱা জনোৱা হয়। পুৱা ১০ বজাত বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীয়ো ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। দিনৰ ১১ বজাত কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰদৰ্শনীমূলক অনুষ্ঠান অনুষ্ঠিত কৰা হয় য'ত কণ কণ ছাত্ৰ-ছাত্ৰীয়ে বিহু নৃত্যৰ লগতে আধুনিক নৃত্য প্ৰদৰ্শন কৰে। আবেলি ২ বজাৰ পৰা স্থানীয় হুঁচৰি আৰু জেংবিহু দলৰ প্ৰদৰ্শনী অনুষ্ঠান অনুষ্ঠিত হয়। নিশালৈ উদীয়মান কণ্ঠশিল্পী হিমাদ্ৰী শিখা হাজৰিকা আৰু মানস ময়ূৰৰ গীতৰ শৰাইৰ পিছত অনুষ্ঠানৰ সফল সামৰণি ঘটে।

## ধানৰ বীজ যোগান ধৰা বীজ ভাণ্ডাৰৰ বিৰুদ্ধে ব্যৱস্থা কৃষি বিষয়াৰ

# বৰপেটাৰ হাবি ৰাধাকুছিত ২০০ৰো অধিক বিঘা খেতিত ওলাইছে ধানৰ সলনি পতান

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ মে'** ঃ মূৰৰ ঘাম মাটিত পেলাই কৰা ধানখেতিত অচিন ৰোগৰ আক্ৰমণৰ ফলত ওলাইছে ধানৰ সলনি পতান। বৰপেটাৰ হাবি ৰাধাকুছিত ইৰি ধানৰ খেতি কৰি মূৰে কপালে হাত দিছে কৃষকে। প্ৰায় ২০০ ৰো অধিক বিঘা ধানখেতি সম্পূৰ্ণৰূপে পুৰি যোৱাসদৃহ পৰিবেশ হোৱা দেখিবলৈ পোৱা গৈছে। ফলত খেতি পথাৰত ধানৰ সলনি পতানহে অধিক দেখিবলৈ পোৱা গৈছে। কৃষকসকলে প্ৰতি বিঘা ধানখেতিত পাব লাগে প্ৰায় ৩০ মোন ধান। কিন্তু অচিন ৰোগৰ আক্ৰমণৰ বাবে বিঘাপ্ৰতি ৩/৪ মোনহে ধান পাব বুলি জনাইছে ভূক্তভোগী দৰিদ্ৰ কৃষকসকলে। ফলত বৃহৎ ক্ষতিৰ সন্মুখীন হবলগীয়া হৈছে বৰপেটাৰ হাবি ৰাধাকুছিৰ বহু দৰিদ্ৰ কৃষক। এমুঠি অন্ন যোগানৰ বাবে খেতি পথাৰত পৰ্যাপ্ত পৰিমাণে সাৰ, পানী, ঔষধ, কীটনাশক দ্ৰব্য আদি ব্যৱহাৰ কৰাৰ লগতে দিনে-নিশাই ৰ'দে-বৰষুণে পৰিশ্ৰম কৰিছে কৃষকসকলে। কিন্তু দৰিদ্ৰ কৃষকৰ সপোন সপোনেই হৈ থাকিল। পথাৰৰ পৰা কৃষকসকলে ধানৰ সলনি পতান আৰু কিছু খেৰহে আনিবলৈ সক্ষম হ'ব, সোণগুটি চপাবলৈ সক্ষম নহব। ধাৰে-সূতে লৈ লাভান্বিত হোৱাৰ আশাৰে ইৰি ধানৰ খেতি কৰি সৰ্বস্বান্ত হৈছে এই দৰিদ্ৰ কৃষকসকল। লোকচানৰ সন্মুখীন হৈ অত্যন্ত হতাশাত ভুগিছে এই দৰিদ্ৰ কৃষকসকল। এই সন্দৰ্ভত খবৰ লাভ কৰিয়েই তাৎক্ষণিকভাৱে বৰপেটা জিলা কৃষি বিষয়া মুনীন্দ্ৰ বসুমতাৰী, চক্ৰটোৰ কৃষকৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি কৃষকক অনবৰতে দিহা-পৰামৰ্শ দি অহা এ ডি অ' পূজাশ্ৰী কলিতা, কে ভি কেৰ বিষয়াসহ গ্ৰামসেৱকো খেতি পথাৰখনত উপস্থিত হৈ নষ্ট হোৱা খেতি পৰিদৰ্শন কৰি ক্ষতিৰ বুজ লয়। কৃষি বিভাগৰ দলটোৱে নষ্ট হোৱা খেতিৰ প্ৰাথমিক তদন্ত কৰি ধান আৰু পতানৰ নমুনা সংগ্ৰহ কৰে। কৃষকসকলে ধানৰ বীজ ক্ৰয় কৰা মন্দিয়াৰ বীজ ভাণ্ডাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ লয়। কৃষকসকলক হতাশাত ভাগি নপৰি পুনৰ কৃষিকাৰ্য্যত নিয়োজিত হ'বলৈ উৎসাহিত কৰে দলটোৱে। ইপিনে নিখিল ভাৰত জিলা কৃষক সভাৰ এটি দলে খেতি পথাৰত উপস্থিত হৈ খেতিসমূহ পৰিদৰ্শন কৰে। কৃষক সভাৰ বৰপেটা জিলা সমিতিৰ সভাপতি জগৎ বৰ্মন, সম্পাদক হাচিম আলী, জিলা সমিতিৰ সদস্য দীপক দাস আৰু বাউসী আঞ্চলিক সমিতিৰ সভাপতি দানেশ খানে প্ৰায় ৪০ জনীয়া ক্ষতিগ্ৰস্ত কৃষকক ক্ষতিপূৰণ দিয়াৰ দাবীৰে জিলা কৃষি বিষয়াক এক আবেদন দাখিল কৰে।

## ▫ গোলাঘাটত বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আৰু চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগ ▫

# উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা সাত শতাধিক ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**বিশেষ বাৰ্তা, গোলাঘাট, ১৬ মে'** ঃ ছাত্ৰ ছাত্ৰী সকলক শৈক্ষিক উত্তৰণত উৎসাহ প্ৰদান কৰিবলৈ প্ৰতি বছৰৰ দৰে এই বছৰো গোলাঘাটৰ বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আৰু সদৌ চুতীয়া জাতি ছাত্ৰ সন্থা গোলাঘাট জিলা সমিতিৰ যৌথ উদ্যোগত আজি ২০২৫-২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৭০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। গোলাঘাট জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা এই সম্বৰ্ধনা অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় উপাচাৰ্য ড° জি সিংঘায়াই। আদৰণি ভাষণত তেওঁ কয় যে সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী সকলক আধ্যাত্মিক, কাৰিকৰী, আৰু অত্যাধুনিক প্ৰযুক্তিৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। যাৰ বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ এগৰাকী সদস্য হিচাপে অন্তৰ্ভুক্ত হৈ বিশ্ববিদ্যালয়খন অসমৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগিতা কামনা কৰে। আজিৰ এই সম্বৰ্ধনা অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° উদয় কুমাৰ খনিকৰ, শৈক্ষিক পঞ্জীয়ক ড° উদয়ন বৰুৱা, সদৌ চুতীয়া জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপদেষ্টা মধুমাধৱ শইকীয়াই, গোলাঘাট জিলা সমিতিৰ সভাপতি পাপু চুতীয়াকে আদিকে ধৰি ভালে সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনায়।

# এম.বি.বি.এচ. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সৰুপথাৰলৈ গৌৰৱ কঢ়িয়ালে ৰক্তিম গঞ্জুৱে

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১৬ মে'** ঃ এম.বি.বি.এচ. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সৰুপথাৰলৈ গৌৰৱ কঢ়িয়ালে সৰুপথাৰ পদুমনিৰ ৰক্তিম গঞ্জু নামৰ এজন ছাত্ৰই। P.T. B.D. Sharma University of Health Science Rohtak Haryanaৰ পৰা সদ্যঘোষিত MBBS পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সৰুপথাৰলৈ গৌৰৱ কঢ়িয়ালে ৰক্তিম গঞ্জুৱে। ৰক্তিম গঞ্জু সৰুপথাৰ নগৰৰ পদুমনিৰ বাসিন্দা ডাঃ পি.কে. গঞ্জু আৰু শিক্ষয়িত্ৰী প্ৰমিলা ঘাটোৱাৰৰ পুত্ৰ। ৰক্তিমৰ ফলাফলৰ খবৰ বিয়পি পৰাৰ পিছতেই তেখেতৰ বাসগৃহত শুভেচ্ছা আৰু অভিনন্দন জনাবলৈ সৰুপথাৰ অঞ্চলৰ বহু সংখ্যক শুভাকাংক্ষী আৰু বিভিন্ন দল-সংগঠনৰ সোঁত বৈছে। কৰ্মসূত্ৰে ৰক্তিমৰ পিতৃ আৰু জেষ্ঠ ভাতৃও একো একোজন চিকিৎসক। সেই সূত্ৰে তথা পিতৃ-মাতৃৰ ইচ্ছা আৰু আশাৰ বাটেৰেই ৰক্তিমে খোজ বুলি সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰক্তিমৰ বাসগৃহত এইকেইদিন যথেষ্ট সংখ্যক শুভাকাংক্ষী আৰু দল-সংগঠনৰ লোক উপস্থিত হৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। অনাগত দিনত ৰক্তিমে নিজ দায়িত্ব সততা আৰু নিষ্ঠাৰে পালন কৰি সুন্দৰভাৱে মানৱ সেৱা আগবঢ়াব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে।

# ডিব্ৰুগড়ত মেট্ৰিক উচ্চতৰ মাধ্যমিকৰ পাছত ছাত্ৰ-ছাত্ৰীৰ বাবে কেৰিয়াৰ গঢ়াৰ বাবে ১৬-১৭ মে'ত বিশেষ শিক্ষামূলক মেলা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৫ মে' ঃ** ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ খবৰ। আপোনালোকৰ সন্তানৰ ভৱিষ্যতক লৈ চিন্তিত নেকি? মেট্ৰিক বা উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ পিছত কোনটো দিশত আগবাঢ়িলে কেৰিয়াৰ উজ্জ্বল হ'ব, তাক লৈ এতিয়া অভিভাৱক বিভ্ৰান্ত। এই সকলো প্ৰশ্নৰ উত্তৰ দিবলৈ ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলৈ গৈ আছে এক বিশাল শিক্ষামূলক মেলা। ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত আৰু ব্যৱহাৰিক জ্ঞান প্ৰদান কৰি এক নিৰ্ভৰযোগ্য সুযোগ দিবলৈ ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'ব 'EDU Carnival Education Expo'। ডিব্ৰুগড়ৰ চিগনেট হোটেলৰ প্ৰেক্ষাগৃহত অহা ১৬ আৰু ১৭ মে'ত অনুষ্ঠিত হ'ব এই বিশেষ মেলা। এই এ'প'ৰ আটাইতকৈ ডাঙৰ আকৰ্ষণ হৈছে বিনামূলীয়া কেৰিয়াৰ কাউন্সিলিং। ইয়াত ছাত্ৰ-ছাত্ৰীসকলে দেশ-বিদেশৰ বিভিন্ন পাঠ্যক্ৰম আৰু কেৰিয়াৰৰ সুযোগৰ বিষয়ে জানিবলৈ পাব। কেৱল সেয়াই নহয়, ইয়াত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে থাকিব বিভিন্ন বৃত্তি (Scholarship) ৰ সুযোগ আৰু শিক্ষা ঋণ (Education Loan) সহজতে লাভ কৰাৰ ব্যৱস্থা। আয়োজকসকলে জনোৱা মতে, যিসকল শিক্ষাৰ্থী নিজৰ পিতৃ-মাতৃৰ সৈতে এই সন্মিলনত উপস্থিত থাকিব, তেওঁলোকক উপহাৰ হিচাপে প্ৰদান কৰা হ'ব আকৰ্ষণীয় 'Earbuds'। ইয়াৰ উপৰিও, ভাগ্যশালী অংশগ্ৰহণকাৰীৰ বাবে লাকী ড্ৰ'ৰ ব্যৱস্থা কৰা হৈছে, য'ত বিজয়ীয়ে লাভ কৰিব পাৰিব লেপটপ (Laptop) আৰু আইফোন (iPhone) ৰ দৰে বহুমূলীয়া উপহাৰ! আজি ডিব্ৰুগড়ত এই সমগ্ৰ কাৰ্যসূচীৰ বিষয়ে সবিস্তাৰে প্ৰকাশ কৰে আয়োজক সমিতিয়ে। আয়োজক সমিতিৰ হৈ জ্যেষ্ঠ অধিবক্তা তথা অভিজ্ঞ কেৰিয়াৰ পৰামৰ্শদাতা ড° মণিষ দাস, এডু কাৰ্নিভেলৰ পৰামৰ্শদাতা সুনজ ভি. ভি., অমিত এম. আৰু মনু মেথিউৱে অঞ্চলটোৰ সকলো ইচ্ছুক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক এই সোণালী সুযোগৰ সদব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। আপোনাৰ উজ্জ্বল ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰিবলৈ সাজু হওক। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ বা অধিক জানিবলৈ আপুনি যোগাযোগ কৰিব পাৰে- যোগাযোগ নম্বৰ: 7002051900।

**নলবাৰীৰ পশ্চিম নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগ-প্ৰাণায়াম কাৰ্যসূচী**

# ৰাজহাড় যাৰ পোন, সিয়েই জিলিকি সমাজৰ বাবে হৈ পৰে সোণঃ ৰূপক বৈশ্য

**অসম বাৰ্তা, চামতা, ১৫ মে' ঃ** ৰাজহাড় যাৰ পোন, সিয়েই জিলিকি সমাজৰ বাবে হৈ পৰে সোণ। এই মন্তব্য কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যৰ। শিক্ষাৰ নৱদ্বীপ নলবাৰীয়ে বিদ্যায়তনিক শিক্ষাৰ মাজেৰে আধ্যাত্মিক ধ্যান-ধাৰণাকো সাৰোগত কৰি সৎ প্ৰজন্ম নিৰ্মাণৰ পথ অক্ষুণ্ণ ৰাখিছে। সেই সময়তে নলবাৰী জিলাৰ পশ্চিম প্ৰান্তৰ আগশাৰীৰ পশ্চিম নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগ-প্ৰাণায়ামৰ এলানি সাতদিনীয়া কাৰ্যসূচী ৰূপায়ণেৰে অধ্যয়নৰত শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়ে। ১৩ মে'ৰ বিয়লিৰ ভাগত অনুষ্ঠিত হোৱা উক্ত কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজহাড় যাৰ পোন, সিয়েই জিলিকি সমাজৰ বাবে হৈ পৰে সোণ বুলি বৰ তাৎপৰ্যপূৰ্ণ বক্তব্য প্ৰদানেৰে জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলক সুস্থিৰ আৰু সুশৃংখলিত, পৰিশিলীতভাৱে জীৱনৰ অগ্ৰগতিৰ ফালে ধাৱমান হ'বলৈ অনুৰোধ জনায়। লক্ষ্য স্থিৰ হ'লেহে লক্ষ্যত উপনীত হ'ব পাৰি বুলি কোৱাৰ লগতে আধ্যাত্মিক দৰ্শনৰ বাবে একান্তমনে যোগ-প্ৰাণায়ামৰ সাধনাত ব্ৰতী হ'ব লাগে বুলি অধ্যক্ষ ৰূপক বৈশ্যই অনুপ্ৰেৰণামূলক চমু বক্তব্য প্ৰদান কৰে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দিবাকৰ ডেকাই নিজৰ স্বাস্থ্যৰ প্ৰতি ছাত্ৰাৱস্থাৰ পৰাই সজাগ তথা সচেতন হ'বলৈ পৰামৰ্শ দিয়ে। অধ্যক্ষা অৰ্চনা ভট্টাচাৰ্যয়ো নিয়মিতভাৱে যোগ-প্ৰাণায়মৰ অভ্যাস আৰু অনুশীলন কৰি যাব লাগে বুলি ছাত্ৰ-ছাত্ৰীসকলক দিহা দিয়ে। উল্লেখ্য যে, নাক ৰূপ্ৰাপ্ত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু পশ্চিম নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ৰূপায়িত উক্ত কাৰ্যসূচীত স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিকৰ ইণ্টাৰ্ণশ্বিপ কৰি থকা যোগ বিজ্ঞান বিভাগৰ তিনিগৰাকী ছাত্ৰী ক্ৰমে গীতিকা তালুকদাৰ, অনিমা ৰাজবংশী আৰু পপী তালুকদাৰে উক্ত কাৰ্যসূচীৰে প্ৰশিক্ষণ প্ৰদান কৰে।

# প্ৰেচিডেন্সী চিনিয়ৰ চেকাগুৱাৰী স্কুল, টংলাৰ সৌজন্যত ব'হাগী আৰু ৰংজালী বৈশাগু উৎসৱৰ সামৰণি

**আমাৰ নৱপ্ৰজন্মৰ মাজত বিহু বা বৈশাগুৰ দৰে লোক সংস্কৃতি শ্ৰেণী কোঠাৰ পৰাই অভিজ্ঞতাপুষ্ট কৰিব লাগিব ঃ চিণ্টু মণি চক্ৰৱৰ্তী**

## ১১ কৃতিমান শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৬ মে' ঃ** ওদালগুৰি জিলাৰ অন্যতম প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান প্ৰেচিডেন্সী চিনিয়ৰ চেকাগুৱাৰী স্কুল, টংলাৰ সৌজন্যত আজি প্ৰেচিডেন্সী চিনিয়ৰ চেকাগুৱাৰী স্কুলৰ বাকৰিত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক আৰু অভিভাৱকসকলক লৈ এদিনীয়াকৈ ব'হাগী আৰু ৰংজালী বৈশাগু উৎসৱ উদ্‌যাপনৰ লগতে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ কৃতিমান শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে আজি পুৱা ৭ বজাত সমূহীয়া চাফাই কাৰ্য্যসূচী সমাপ্ত হোৱাৰ পিছতে বিহুৰ পতাকা উত্তোলন কৰে প্ৰেচিডেন্সী চিনিয়ৰ চেকাগুৱাৰী স্কুলৰ উপাধ্যক্ষ প্ৰকাশ কুমাৰ শৰ্মাই। তাৰ পিছতে গছপুলি ৰোপণ, শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানৰ লগতে বিহুতলী উদ্বোধন কৰে টংলা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক ঘটেশ্বৰ বৰুৱাই। মুকলি বিহু অনুষ্ঠানৰ সমান্তৰাল ভাৱে অভিনন্দন জ্ঞাপন অনুষ্ঠানটি অনুষ্ঠিত হয়। সদ্যঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা শেখৰ সূত্ৰধৰ, মমতা মন্দিয়া, চিলবিয়াছ নাগ, সম্ৰাট বসুমতাৰী, জোনা ৰাভাসহ মুঠ ১১ গৰাকী কৃতিমানক গামোচা আৰু মান পত্ৰৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। মুকলি বিহু অনুষ্ঠানত বিদ্যালয়ৰ কণকণ ছাত্ৰ-ছাত্ৰীসকলে বিহু নৃত্য আৰু খেৰাই নৃত্যৰ দ্বাৰা ৰঙালী বিহু আৰু ৰংজালী বৈশাগুৰ আনন্দত মতলীয়া হোৱা পৰিলক্ষিত হয়। নৃত্য আৰু গীতৰ লগতে সম্বৰ্দ্ধনা জ্ঞাপন অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ আসন শুৱনি কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক চিণ্টু মণি চক্ৰৱৰ্তীয়ে আৰু আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে টংলা বিধান সভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰী, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নাৰায়ণ দাসৰ লগতে অন্যান্য বহুকেইগৰাকী প্ৰেচিডেন্সী চিনিয়ৰ চেকাগুৱাৰী স্কুল, টংলাৰ শুভ চিন্তক তথা বিশিষ্ট ব্যক্তিসকলে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য চিণ্টু মণি চক্ৰৱৰ্তীয়ে প্ৰেছিডেন্সিৰ পৰা সুখ্যাতিৰে উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰী সকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বিহু আৰু বৈশাগু উৎসৱৰ আয়োজন কৰাৰ বাবে বিদ্যালয়ৰ কৰ্তৃপক্ষক ধ্যনাৱাদ জ্ঞাপন কৰে। এই অনুষ্ঠানে তেওঁ ভাষণ প্ৰদান কৰি কয় যে, ছাত্ৰ ছাত্ৰীৰ মাজত নিজৰ বাপতি সাহোন ৰঙালী বিহু আৰু ৰংজালী বৈশাগু উদ্‌যাপন কৰি অসমীয়া লোক-সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে হোৱা নিজকে পৰিচয় কৰাৰ ক্ষেত্ৰত ওচৰ চপাই আনিব সক্ষম হৈছে। ই এক আশাৰ বাট মুকলি মুকলি কৰা বুলি ভাষণ প্ৰসংগত বক্তব্য আগবঢ়াই লগতে আছুৱে মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত যি এক সপোন দেখিছে, তাৰেই ইউ পি এছ চিৰ বাবে ছাত্ৰ ছাত্ৰী সকলক উৎসাহ আৰু প্ৰেৰণা দায়ক প্ৰকল্প "প্ৰত্যক্ষ ২.০" জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক নতুন দিল্লীত কুচিং প্ৰদান কৰাৰ কথা উল্লেখ কৰে ছাত্ৰ নেতা গৰাকীয়ে। পুনৰ বাৰ ছাত্ৰ-ছাত্ৰীক পঢ়াৰ লগতে জাতীয় জীৱনৰ প্ৰতি দায়বদ্ধ হোৱাৰ পৰামৰ্শ প্ৰদান কৰে। ২ বজাৰ পৰা আমন্ত্ৰিত শিল্পী গিৰিশ গৌতমৰ গীতৰ শৰাইৰে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰেচিডেন্সীৰ শিক্ষক ভাস্কৰ শৰ্মাই আঁতধৰা অনুষ্ঠানটিত টংলা বিধান সভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰীৰ লগতে অন্যান্য বহুকেইগৰাকী জ্যেষ্ঠ আৰু যুৱ সমাজ কৰ্মীয়ে অসমীয়া লোক-সংস্কৃতি আৰু পৰম্পৰাৰ লগত আজিৰ ছাত্ৰ ছাত্ৰীক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ জৰিয়তে চিনাকি কৰাই দিয়াৰ এনে পদক্ষেপ প্ৰশংসাৰ যোগ্য বুলি উল্লেখ কৰে। বিধায়ক বিকন চন্দ্ৰ ডেকাই ভাষণ প্ৰসংগত কয় যে, এটা জাতি ঐতিহ্যমণ্ডিত হৈ জীয়াই থাকিবলৈ হ'লে নিজৰ সংস্কৃতিৰ প্ৰতি সন্মান থাকিব লাগিব আৰু সংস্কৃতি ৰক্ষা কৰিব লাগিব। তেওঁ ভাষণ প্ৰসংগত আৰু কয় যে, বিদ্যালয়ে পৰিৱেশ গঢ়ে, এই কলা সংস্কৃতিয়ে সুন্দৰ পৰিৱেশ গঢ়িব পাৰে আৰু সুন্দৰ পৰিৱেশে ছাত্ৰ-ছাত্ৰীসকলৰ মন প্ৰফুলিত কৰে। প্ৰেচিডেন্সী চিনিয়ৰ চেকাগুৱাৰী স্কুলৰ অধ্যক্ষ মোহন শৰ্মাই অনুষ্ঠানটিত উপস্থিত সকলক শলাগ লয়।

# সাংস্কৃতিক জগতত শোকৰ ছাঁ; বিশিষ্ট নাট্যকাৰ তথা অভিনেতা কুলেন্দ্ৰ ৰায়চৌধুৰীৰ অকাল মৃত্যু

**অসমবাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৫ মে' ঃ** অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ এগৰাকী প্ৰতিভাশালী নাট্যকাৰ, পৰিচালক, অভিনেতা তথা কবি কুলেন্দ্ৰ ৰায়চৌধুৰীৰ অকাল বিয়োগে সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পেলাইছে। গোৱালপাৰা জিলাৰ ধুপধৰা খেকাপাৰা গাওঁ নিবাসী ৰায়চৌধুৰীৰ যোৱা নিশা প্ৰায় ১০ বজাত আকস্মিকভাৱে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ৪২ বছৰ। প্ৰাপ্ত তথ্য অনুসৰি, বুধবাৰে নিশা নিজ বাসগৃহতে তেওঁ হঠাতে অসুস্থতা অনুভৱ কৰে। পৰিয়ালৰ লোকে তেওঁক প্ৰথমে ততাতৈয়াকৈ বিকালী আদৰ্শ চিকিৎসালয় আৰু পৰৱৰ্তী সময়ত বকোৰ এখন ব্যক্তিগত চিকিৎসাললৈ লৈ যায় যদিও স্বাস্থ্যৰ অধিক অৱনতি হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়াৰ পথতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। আজি পুৱা তেওঁৰ নশ্বৰ দেহ খেকাপাৰাৰ বাসগৃহলৈ অনাৰ লগে লগে এক শোকাৱহ পৰিৱেশৰ সৃষ্টি হয়। গুণমুগ্ধ আৰু অনুৰাগীসকলে তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। পৰৱৰ্তী সময়ত খেকাপাৰা ৰাজহুৱা শ্মশানত তেওঁৰ অন্তিম সংস্কাৰ সম্পন্ন কৰা হয়। সাংস্কৃতিক জগতলৈ কুলেন্দ্ৰ ৰায়চৌধুৰীৰ অতুলনীয় অৱদান আছিল। তেওঁ কেইবাখনো জনপ্ৰিয় চিনেমা ধাৰাবাহিক যেনে— 'থ্ৰিলিং', 'বেহেৰবাৰী আউটপোষ্ট' আদিৰ সৈতে জড়িত আছিল। মৃত্যুৰ পূৰ্বে তেওঁ 'চিনেমা চিনেমা' নামৰ এখন ছবিৰ কাম কৰি আছিল যদিও সেইখন সম্পূৰ্ণ হোৱা দেখা নাপালে। ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ লোক সকলক লৈ ৰায়চৌধুৰীয়ে "অসম একত্ৰিত সংস্থা" নামৰ এটি সংস্থা তেওঁ গঠন কৰিছিল। তেওঁৰ মৃত্যুত অসম সাহিত্য সভা, বিভিন্ন সংবাদ গোষ্ঠী আৰু সাংস্কৃতিক সংগঠনসমূহে গভীৰ শোক প্ৰকাশ কৰিছে। অসম নাট্য সন্মিলন দুধনৈ শাখায়ো কুলেন্দ্ৰ ৰায়চৌধুৰীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। তেওঁৰ এই বিয়োগে ৰাজ্যখনৰ সাংস্কৃতিক আৰু সাহিত্যিক দিশত এক অপূৰণীয় ক্ষতি সাধন কৰিলে। তেওঁ মৃত্যুৰ সময়ত পিতৃ-মাতৃ, ককায়েক-বৌয়েক আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ গৈছে।

# বুঢ়াগোহাঁই ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ সৌজন্যত ২২তম্ কপৌফুল ৰঙালী বিহু উৎসৱ উদ্‌যাপন



**অসম বাৰ্তা, ৰহা, ১৬ মে' ঃ** তুলসী দেউৰী গাওঁ পঞ্চায়ৰ অন্তৰ্গত পশ্চিম বুঢ়াগোহাঁই ৰাজহুৱা ভৱনত এদিনীয়া বৰ্ণাঢ্য কাযসূচীৰে ৰঙালী বিহু টি উদযাপন হয়। বিহু উদ্‌যাপন সমিতিৰ সভাপতি লাহিৰাম দাস আৰু সম্পাদক প্ৰাঞ্জল কুমাৰ দাসে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি পুৱা বন্তি প্ৰজ্বলন কৰে পাঠক পুহিৰাম দাস আৰু ধনীৰাম দাসে। ইয়াৰ পিছতে বিহু পতাকা উত্তোলন কৰে কপৌফুল বিহু পৰিচালনা সমিতিৰ সভাপতি লাহিৰাম দাসে। পুৱা অঞ্চলৰ সকলোৰে সহযোগত সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হৈ বিয়লি কুইজ, ভেকশন প্ৰতিযোগিতা অনুষ্ঠিত হৈ দুপৰীয়া শিক্ষাবিদ বুধেন দাসৰ সভাপতিত্ব মুকলি সভা অনুষ্ঠিত কৰি দিনৰ ভাগৰ প্ৰতিযোগিতা সমূহৰ বঁটা প্ৰদান কৰা হয়। সন্ধিয়া হিয়াৰ আমঠু জুবিন গাৰ্গ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি শ্ৰদ্ধাঞ্জলি জনাই সকলোৱে মায়াবিনীৰ গীত পৰিৱেশন কৰা পাছত আমন্ত্ৰিত অতিথি সকলক আদৰণি জনাই নিশা কপৌফুল বিহু পৰিচালনা সমিতিৰ দ্বাৰা বিহু নৃত্যই কপৌফুল বিহু মঞ্চ মুকলি কৰে। ইয়াৰ লগতে মৰিগাঁও কলংপৰীয়া মিলিজুলি জেং বিহু দল আৰু ঐক্য সমন্বয় গোষ্ঠীৰ বাৰেৰহণীয়া অনুষ্ঠানে সকলোৰে মন মুগ্ধ কৰে। ইয়াৰ পিছতে সদৌ অসম ভিত্তিত বিহু কুঁৱৰী, বিহু কণ্যা আৰু আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হৈ অলেখ ৰাইজৰ সমাগমে অনুষ্ঠানটি সফল সামৰণি ঘটে।

**২০২৬ বৰ্ষ শিৱসাগৰ শিমলুগুৰি আঞ্চলিক ব'হাগী বিদায় উৎসৱ উদ্‌যাপন সমিতিয়ে প্ৰদান কৰে এই বঁটা**

# পথাৰ শিল্পী লোহিত গগৈক "অসম সমন্বয় বঁটা" সন্মান

**অসম বাৰ্তা বিশেষ, জাগুন, ১৫ মে' ঃ** জাগুনৰ ফানেং কেনিয়া গাঁৱৰ নিবাসী অসমৰ জেষ্ঠ জনপ্ৰিয় শিল্পী লোহিত গগৈয়ে সমাজত এক সমন্বয়ৰ বাৰ্তাৰে সুদীৰ্ঘ কাল সংগীত চৰ্চা কৰি সমগ্ৰ অসমৰ লগতে বহিঃ ৰাজ্য তথা চুবুৰীয়া ৰাষ্ট্ৰ নেপালতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সংগীত জগতখনত নৱৈ শতিকাৰে পৰা ধাৰাবাহিক ভাৱে অসমৰ লগতে বহিঃৰাজ্য আৰু আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত গীত পৰিৱেশন কৰি আন্তৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হোৱা লোহিত গগৈ পথাৰ শিল্পী হিচাপেও বিভূষিত। শিল্পী লোহিত গগৈ কেৱল সংগীতৰ মাজতেই সীমাৱদ্ধ নাথাকি আৰ্তজনক সহায় কৰাৰ উদ্দেশ্যে "মানুহে মানুহৰ বাবে" নামেৰে এটি বেচৰকাৰী অনুষ্ঠানৰো জন্ম দি ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তত কাম কৰি আৰ্তজনক আৰ্থিক অনুদানৰ লগতে বিভিন্ন প্ৰকাৰে সহায় সহযোগ আগবঢ়ায় জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। শিল্পী জনাৰ এনে সৃষ্টি তথা কৰ্মৰাজিৰ প্ৰতি সন্মান জনাই স্বীকৃতিৰ চিন স্বৰূপে বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে একো একোটা নামকৰণেৰে বঁটা প্ৰদান কৰাৰ উপৰিও সম্বৰ্ধনা জনোৱা পৰিলক্ষিত হৈছে। এইবৰ্ষতো শিল্পী জনাক ২০২৬ বৰ্ষৰ শিৱসাগৰ শিমলুগুৰি আঞ্চলিক ব'হাগী বিদায় উৎসৱ উদযাপন সমিতিয়ে "অসম সমন্বয় বঁটা"ৰে সন্মানিত কৰে। শিল্পী লোহিত গগৈয়ে এই বঁটা লাভ কৰাত সমগ্ৰ ৰাজ্যত তেখেতৰ অনুৰাগী সকলৰ মাজত আনন্দৰ জোৱাৰ উঠা পৰিলক্ষিত হৈছে। ইয়াৰ পূৰ্বেও শিল্পী লোহিত গগৈক শদিয়া বাসীয়ে "সীমান্ত সূৰ্য বঁটা" দুলীয়াজান বাসীয়ে "জনকণ্ঠ" বঁটাৰে বিভূষিত কৰিছিল।

# শিৱসাগৰৰ কাঞ্চা দাৰ দেহাৱসান

**অসম বাৰ্তা, জয়সাগৰ, ১৬ মে' ঃ** শিৱসাগৰৰ এগৰাকী অমায়িক-বয়োজ্যেষ্ঠ ব্যক্তি, যি পৰিচিত আছিল কাঞ্চা নামেৰে। আজি সেই অকলশৰীয়া ব্যক্তিজনে আঁকোৱালি ল'লে মৃত্যুক। কনিষ্ঠসকলে তেওঁক মাতিছিল কাঞ্চা দা'। দহটা দিনৰ পূৰ্বে তেওঁ ৰোগাক্ৰান্ত হৈ পৰাত অধ্যাপক ড° উৎপল দত্ত, সমাজকৰ্মী প্ৰদীপ বৰগোহাঁই, ব্ৰাজিল চুতীয়া, অনুপ ভট্ট, বুলবুল বৰা, ৰাতুল বৰুৱা, ৰণি স্মিথ, ঘনশ্যাম গগৈ, ৰাজা বৰঠাকুৰ আদি ব্যক্তিসকলে তেওঁক শিৱসাগৰ আসমৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। আই চি' ইউত চিকিৎসাধীন অৱস্থাত থকা ব্যক্তিজনৰ আজি দিনৰ প্ৰায় ৯ বজাত দেহাৱসান ঘটে। শিৱসাগৰ নাট্যমন্দিৰৰ সন্মুখত পিএমশ্ৰী ১ নং টাউন প্ৰাথমিক বিদ্যালয়ৰ কাষত ক্ষুদ্ৰ ব্যৱসায়েৰে জীৱন নিৰ্বাহ কৰা অকলশৰীয়া ৮০ উৰ্ধৰ্বৰ কাঞ্চাৰ দোকানখন পৌৰসভাৰ পদপথ নিৰ্মাণৰ সময়ত উচ্ছেদ কৰা হৈছিল। তথাপি কেইজনমান যুৱকে এখন চলন্ত দোকান নিৰ্মাণ কৰি দি তেওঁৰ মুখত হাঁহি বিৰিঙাইছিল। কাঞ্চাৰ দোকানত মৰ্টন-চানা খোৱা বহুজন আজি প্ৰতিষ্ঠিত ব্যক্তি। কাষৰ বিদ্যালয়ৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকলৰ তেওঁ আছিল অভিভাৱক। তেওঁ শিৱসাগৰলৈ আহিছিল প্ৰায় ১৯৭০-৭১ চনতে। এগৰাকী মহিলাই নিজৰ গৃহত ভাৰা অবিহনে প্ৰায় পোন্ধৰটা ছৰে থাকিবলৈ দি স্বাস্থ্যৰো যত্ন লৈছিল। আজি তেওঁৰ শবদেহ আহি পোৱাৰ লগে লগে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। শিৱসাগৰ নাট্যমন্দিৰৰ সন্মুখতে তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে গুণমুগ্ধসকলে। ইয়াৰ পিছতে তেওঁৰ শেষকৃত্যতো অংশগ্ৰহণ কৰে বহুজনে। কাঞ্চাৰ দেহাৱসানত শিৱসাগৰ কবি চক্ৰ, ৰংমন, শতশব্দ, বৰ্ডিং বোড ব্যৱসায়ী সন্থা, পি এম শ্ৰী ১ নং টাউন প্ৰাথমিক বিদ্যালয়, কলঙ্কুপাৰ নাট শাখাই গভীৰ শোক প্ৰকাশ কৰিছে।

# যোগীঘোপা কাবাইটাৰীত ব'হাগী উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, যোগীঘোপা, ১৬ মে' ঃ** বঙাইগাঁও জিলাৰ কাবাইটাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলন অনুষ্ঠিত হয়। হিয়াৰ আমঠু জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰ পিছত মঞ্চত জুবিন অনুৰাগী ধুমুহাৰ সতে মোৰ বহু যুগৰে নাচোন সংগীত পৰিবেশন কৰে। ইয়াৰ পিছত বিভিন্ন নৃত্য-গীত আদি প্ৰদৰ্শন কৰাৰ পিছত শুক্ল ধবজ লোকবাদ্য শিল্পী সমাজৰ দ্বাৰা বাৰে বৰনীয়া কিস্তি উপভোগ কৰে অঞ্চল বাসীয়ে। ইয়াৰ উপৰিও কাবাইটাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলন উদ্‌যাপন সমিতিয়ে সুদুৰ গুৱাহাটীৰ পৰা আমন্ত্ৰিত অতিথি সংগীত জগতত আলোড়ন সৃষ্টি কৰি অহা ৰূপালী কাশ্য আৰু হিমাংশু পাটগিৰিৰ লগতে অমৰ সিং উক্ত অনুষ্ঠানত উপস্থিত হৈ দৰ্শকৰ মন জয় কৰিবলৈ বিভিন্ন মনোৰঞ্জন মূলক সংগীত পৰিৱেশন কৰে। যাৰ ফলত আজি কাবাইটাৰী আঞ্চলিক দুৰ্গা মন্দিৰ প্ৰাঙ্গনতজন সমাবেশত জুবিন অনুৰাগী দৰ্শকৰ ভিৰ পৰিলক্ষিত হয়।

# নতুন মন্ত্ৰীসভাত গোৰ্খা সম্প্ৰদায়ৰ এজন বিধায়কক মন্ত্ৰীত্ব দিয়াৰ দাবী

**অসম বাৰ্তা, গোৰেশ্বৰ, ১৬ মে' ঃ** ৰাজ্যত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন নৱগঠিত অসম চৰকাৰৰ পূৰ্ণাংগ মন্ত্ৰীসভা সম্প্ৰসাৰণত এইবাৰ গোৰ্খা সম্প্ৰদায়ৰ পৰা অন্ততঃ এজন বিধায়কক মন্ত্ৰিত্ব প্ৰদান কৰাৰ দাবী জনাইছে ৰাজ্যৰ একাধিক গোৰ্খা সংগঠনে। অসম গোৰ্খা সন্মিলন, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, অসম নেপালী সাহিত্য সভা আৰু ভাৰতীয় গোৰ্খা পৰিসংঘৰ নেতৃবৰ্গই জানিবলৈ দিয়া মতে, বিগত সময়ছোৱাত অসম চৰকাৰৰ মন্ত্ৰীসভাত স্থান লাভৰ ক্ষেত্ৰত বাৰে বাৰে বঞ্চিত হৈ আহিছে গোৰ্খা জনগোষ্ঠীৰ বিধায়কসকল। সংগঠনসমূহৰ মতে, ২০১৬ আৰু ২০২১ চনত বিধানসভাৰ নিৰ্বাচনত মাৰ্ঘেৰিটা সমষ্টিৰ পৰা ভাস্কৰ শৰ্মা আৰু বৰছলা সমষ্টিৰ পৰা গণেশ কুমাৰ লিম্বু বিধায়ক হিচাপে নিৰ্বাচিত হৈ আহিছে যদিও কোনো এজন বিধায়কে আজিলৈকে মন্ত্ৰীসভাত স্থান নাপালে। ৰাজ্যখনৰ অন্য বহু জনগোষ্ঠীৰ বিধায়কসকলে একাধিকবাৰ মন্ত্ৰিত্ব লাভ কৰি আহিছে যদিও গোৰ্খা জনগোষ্ঠীৰ বিধায়কসকল আজিলৈকে মন্ত্ৰিত্বৰ পৰা বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত গোৰ্খা দল-সংগঠনসমূহে কেইবাবাৰো যিকোনো এগৰাকী গোৰ্খা জনগোষ্ঠীৰ বিধায়কক মন্ত্ৰিত্ব প্ৰদানৰ বাবে দাবী উত্থাপন কৰি আহিছে যদিও আজিলৈকে কোনো এজন বিধায়কে মন্ত্ৰীসভাত স্থান নোপোৱাত ক্ষোভ প্ৰকাশ কৰে গোৰ্খা দল-সংগঠনসমূহে। এই বাৰ মন্ত্ৰীসভাৰ পূৰ্ণাংগ সম্প্ৰসাৰণত বিধায়ক ভাস্কৰ শৰ্মা অথবা বিধায়ক ঋতুবৰণ শৰ্মাক মন্ত্ৰিত্ব প্ৰদান কৰিবলৈ আহ্বান জনাইছে ৰাজ্যৰ একাধিক গোৰ্খা দল-সংগঠনে। সংগঠনসমূহে কয় যে গোৰ্খা জনগোষ্ঠীৰ এজন বিধায়কক মন্ত্ৰীসভাত স্থান দিলেই এক ইতিবাচক বাৰ্তা দিব আৰু চৰকাৰখনৰ প্ৰতি গোৰ্খা সমাজখনৰ আস্থা অধিক দৃঢ় কৰি তুলিব।

# নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে মাকুম আৰক্ষীৰ অভিযান অব্যাহত



**অসম বাৰ্তা, মাকুম, ১৬ মে' ঃ** তিনিচুকীয়া জিলা খনৰ বিভিন্ন ঠাই এতিয়া হৈ পৰিছে ড্ৰাগছ বা অন্যান্য নিচা জাতীয় সামগ্ৰীৰ ঘাটি। প্ৰশাসন যন্ত্ৰটো যিমানেই সষ্টম নহওক কিয়, এনেধৰণৰ নিচা জাতীয় দ্ৰব্য সৰবৰাহ কৰা বা সেৱনকাৰীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে, যাৰ ফলত সমাজ ব্যৱস্থা, পৰিৱেশ ইত্যাদি, ইত্যাদি বিশৃংখল হৈ পৰা পৰিলক্ষিত হৈছে। উদ্বিগ্ন সচেতন মহল, উদ্বিগ্ন সাধাৰণ ৰাইজ। নিতৌ জিলাখনৰ বিভিন্ন প্ৰান্তত সন্দেহযুক্ত ড্ৰাগছ ইত্যাদি জব্দ কৰা বা সৰবৰাহকাৰী আটক হোৱাৰ খবৰে বাতৰি শিৰোনাম দখল কৰি আহিছে। তাৰ সমান্তৰাল ভাৱে মাকুম আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চল সমূহত মাকুম সমজিলা অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি তেৰন আৰু মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিল্টন বৰগোঁহাইৰ লগতে মাকুম আৰক্ষী থানাৰ আৰক্ষী দলটোৱে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে প্ৰায়ে সষ্টম হোৱা দেখা যায়। ঠিক তেনেদৰে আজি মাকুম বাইপাছৰ উৰণীয়া সেতুৰ সমীপৰ অস্থায়ীভাৱে বসবাস কৰা বিদুকন বৰুৱা (৩৩) নামৰ যুৱকজনৰ বাস গৃহটোত তালাচী চলাই যুৱকজনৰ এ এচ-২৩-এ বি-০২১৫ নম্বৰৰ চুইফট বাহনখনৰ পৰা পাঁচটাকৈ চাধা টেমাত ভৰাই থোৱা ৫.৩৫ গ্ৰামৰ সন্দেহযুক্ত হেৰ'ইন সহ ২১,০০০ টকা নগদ ধন আৰু এটা মবাইল ফোন জব্দ কৰিবলৈ সক্ষম হয়। ধৃত বিদুকন বৰুৱাৰ স্থায়ী ঘৰ ডুমডুমা আমগুৰিৰ বুলি জানিবলৈ দিয়ে। আটকাধিন যুৱক জনক আৰক্ষীয়ে গোচৰ ৰুজু কৰি জেলসাজোঁতলৈ প্ৰেৰণ কৰিছে। আৰক্ষীৰ তৰফৰ পৰা জনোৱা মতে মাকুম অঞ্চলৰ ভিতৰুৱা ঠাই সমূহত নিচা জাতীয় সামগ্ৰীৰ প্ৰচলন দিনকদিনে বৃদ্ধি পাবলৈ ধৰিছে, গতিকে ইয়াক ৰোধ কৰিবলৈ হ'লে ৰাইজে প্ৰশাসনক পূৰ্ণ সহযোগিতা কৰিব লাগিব।